● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in



**দিগ্‌দৰ্শন**

*আনৰ কল্পনাৰ সীমাৱদ্ধতাৰ বাবে নিজকে কেতিয়াও সীমাদ্ধতাৰ গণ্ডীত নাৰাখিব; নিজস্ব কল্পনাৰ চমু পৰিধিৰ বাবে আনক বাধা নিদিব।*


মেই জেমিছন
*আমেৰিকান জ্যোৰ্তিবিজ্ঞানী*

৭ গ্ৰন্থমেলাই গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি কৰেনে?
১৫ আজিৰে পৰা ভাৰত-দক্ষিণ আফ্ৰিকাৰ প্ৰথম টেষ্ট
৪ প্ৰাণ আছে জীৱন নাই

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮০তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১০ পুহ ১৪২৮ ভাস্কৰাব্দ ২৬ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 26 December 2021 মূল্য ঃ ৯.০০ টকা

# ৰাজ্যত পুনৰ নৈশ সান্ধ্য আইন

■ অ'মিক্ৰন সন্দৰ্ভত ৰাজ্য চৰকাৰৰ নতুন নিৰ্দেশনা ■ আজিৰে পৰা নিশা ১১-৩০ৰ পৰা পুৱা ছয় বজালৈ সান্ধ্য আইন ■ নিশা ১০-৩০ বজাৰত বন্ধ হ'ব সকলো দোকান-পোহাৰ, কাৰ্যালয় ■ ৩১ ডিচেম্বৰৰ নিশা প্ৰযোজ্য নহ'ব সান্ধ্য আইন ■ ধৰ্মীয় অনুষ্ঠানত দুপালি প্ৰতিষেধক লোৱাসকলেহে প্ৰৱেশ কৰিব পাৰিব ■ মাস্ক পৰিধান নকৰা লোকক এহেজাৰ টকা জৰিমনা




**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৫ ডিচেম্বৰ ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনে সম্প্ৰতি বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰিছে। ইতিমধ্যেই বহু দেশলৈ বিয়পি তৃতীয় ঢৌৰ আশংকা বৃদ্ধি কৰিছে এই অ'মিক্ৰনে। এনে পৰিস্থিতিত সমগ্ৰ দেশৰ লগতে ৰাজ্য চৰকাৰেও ইয়াৰ মোকাবিলাৰ বাবে সাজু হৈছে। কাইলৈৰ পুৱাৰ পৰা প্ৰযোজ্য হোৱাকৈ ৰাজ্য চৰকাৰে আজি জাৰি কৰিলে ক'ভিড সম্পৰ্কীয় নতুন নীতি-নিৰ্দেশনা। কাইলৈৰ নিশাৰ পৰাই ৰাজ্যৰ সকলো স্থানতে প্ৰযোজ্য হ'ব নৈশ সান্ধ্য আইন। আজি অতিমাৰী কৰ'নাৰ নতুন ৰূপ অ'মিক্ৰন সন্দৰ্ভত *১০ পৃষ্ঠাত চাওক*

## প্ৰায় নিৰপেক্ষ

**ধীমান সিন্‌হাৰ পষেকীয়া কলম**

### (১) ইমান নিৰাসক্ত



২০০০ৰ পাছৰ পৰা ভোটদাতা জনগণ ইমান ৰাজনৈতিকভাৱে নিৰাসক্ত বা বন্ধমূলত চলিল যে ৮০-৯০ আনকি ৯০ৰ শেষলৈকে যি জীৱন্ত ৰাজনৈতিক চেতনা আছিল বা দৈনিক ঘটনাক্ৰমৰ স'তে ওতঃপ্ৰোত সম্পৰ্ক বা ৰাজনৈতিক নায়ক আৰু ঘটনা প্ৰবাহে ব্যক্তিগতভাৱে নিজৰ মন গহনক ছুই যোৱাৰ প্ৰৱণতা আছিল, সেয়া ২০০০ৰ পাছৰ পৰা নাই বুলিলেই হয়। অপ্ৰিয় সত্য *১০ পৃষ্ঠাত চাওক*

## নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ লক্ষ্যৰে দল গঠন সংযুক্ত কিষাণ মৰ্চাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** সংযুক্ত কিষাণ মৰ্চাৰ নেতৃত্বত চলা এবছৰীয়া কৃষক আন্দোলনত পূৰ্বৰ স্থিতি সলনি কৰি কেন্দ্ৰীয় চৰকাৰে তিনিখন বিতৰ্কিত কৃষি আইন বাতিল কৰাৰ এমাহ নৌহওঁতেই আন্দোলনকাৰী ২২টা কৃষক সংগঠনে আজি এক নতুন ৰাজনৈতিক দলৰ জন্ম দিয়ে। সমাগত পঞ্জাৱ *১০ পৃষ্ঠাত চাওক*



■ প্ৰয়াত প্ৰধানমন্ত্ৰীৰ জন্মদিন উদযাপনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

## বাজপেয়ী চৰকাৰৰ কাৰ্যকালতে বৃদ্ধি পাইছিল উত্তৰ-পূৰ্বাঞ্চলৰ গুৰুত্ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** দেশৰ প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি অতি মৰম আছিল আৰু বাজপেয়ী চৰকাৰৰ প্ৰথমটো কাৰ্যকালৰ পৰাই উত্তৰ-পূবে দেশৰ ভিতৰত অধিক গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। আজি প্ৰয়াত প্ৰধানমন্ত্ৰীজনৰ ওপজা দিনত সমগ্ৰ দেশৰ লগতে ৰাজ্যিক বিজেপিৰ উদ্যোগত দীঘলীপুখুৰীৰ পাৰত উদ্‌যাপিত 'সু-শাসন' দিৱসত অংশগ্ৰহণ কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। উত্তৰ-পূবৰ উন্নয়নৰ বাবে প্ৰয়াত প্ৰধানমন্ত্ৰীজনৰ উদ্যোগতে উত্তৰ-পূব মন্ত্ৰণালয় গঠন হৈছিল বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰি কয় যে দেশৰ সম্পদৰ ওপৰত উত্তৰ-পূবৰ অধিকাৰৰ *১০ পৃষ্ঠাত চাওক*

## মহানগৰীত দৈনিক গড়ে এজন লোকে কৰে আত্মহত্যা

চলিত বৰ্ষৰ ৩৫৪ দিনত ৩৭৩টা আত্মহত্যাৰ ঘটনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** দৈনিক এটাৰ পাছত আন এটা অপৰাধমূলক ঘটনাই জোঁকাৰি গৈছে গুৱাহাটী মহানগৰীক। এইবাৰ চলিত বৰ্ষতে ৩৭৩টা আত্মহত্যাৰ ঘটনা মহানগৰীত সংঘটিত হোৱাৰ উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্তালয়ে সদৰী কৰা তথ্য *১০ পৃষ্ঠাত চাওক*

**বিশ্বৰ ৩৫খন দৰিদ্ৰ দেশৰ তালিকাৰ পৰা ভাৰত মুক্ত হ'ব নোৱৰাটো দুৰ্ভাগ্যজনক**

## আত্মমৰ্যাদাহীন জাতিয়ে বিকাশ লাভ কৰিব নোৱাৰে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** 'অসমৰ যুৱ চাম, যাক আমি অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণৰ ক্ষেত্ৰত অন্যতম কাৰ্যক্ষম মানৱ সম্পদ বুলি গণ্য কৰো, তেওঁলোকৰ এচামে আজি সস্তীয়া ধনৰ পাছত দৌৰিছে। অসমৰ জাতীয় দল- *১০ পৃষ্ঠাত চাওক*

## ১০ জানুৱাৰীৰ পৰা বুষ্টাৰ ড'জ দিয়া হ'ব ঃ প্ৰধানমন্ত্ৰী

তিনি জানুৱাৰীৰ পৰা ১৫-১৮ বছৰীয়াক প্ৰতিষেধক



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ ডিচেম্বৰ ঃ** নৱবৰ্ষৰ প্ৰথম সপ্তাহৰ পৰাই ক'ভিড-১৯ৰ বিৰুদ্ধে নতুন ৰূপত যুদ্ধ আৰম্ভ কৰিব ভাৰতে। ক'ভিডৰ নতুন ৰূপ *১০ পৃষ্ঠাত চাওক*

## ভাষণ দি থকা অৱস্থাতে মৃত্যু অবড়ো নেতাৰ

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২৫ ডিচেম্বৰ ঃ** সভাত ভাষণৰত অৱস্থাতে আজি মৃত্যুক আঁকোৱালি লয় অবড়ো সুৰক্ষা সমিতিৰ এজন নেতাই। এই ঘটনাই আজি বাগ্‌সা জিলাত শোকৰ ছাঁ পেলায়। আকস্মিকভাৱে ঢলি পৰি মৃত্যু হোৱা স্থানীয় নেতাজন হৈছে চৰাইমাৰীৰ বাণীমন্দিৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত *১০ পৃষ্ঠাত চাওক*



দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৬ ডিচেম্বৰ, ২০২১ দেওবাৰ পৃষ্ঠা তিনি

## শিক্ষয়িত্ৰী-ছাত্ৰীক অশালীন ব্যৱহাৰৰ অভিযোগেৰে উত্তাল মহাবিদ্যালয়

### কলিয়াবৰ বি এড মহাবিদ্যালয়ত অধ্যক্ষৰ বিৰুদ্ধে অৰাজকতাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৫ ডিচেম্বৰ ঃ** কলিয়াবৰৰ উচ্চ শিক্ষাৰ অন্যতম অনুষ্ঠান কলিয়াবৰ শিক্ষা মহাবিদ্যালয়ত চলিছে চৰম অৰাজকতা। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° টি কুম্বেঙৰ শিক্ষানুষ্ঠানখনৰ শিক্ষয়িত্ৰী আৰু একাংশ ছাত্ৰীক লৈ কৰা অশোভনীয়া কথা-বাৰ্তা আৰু অশালীন ব্যৱহাৰৰ বাবেই বৰ্তমানে এক অস্থিৰ পৰিস্থিতিয়ে বিৰাজ কৰিছে মহাবিদ্যালয়খনত। বৰ্তমানে শিক্ষয়িত্ৰী আঠ পৃষ্ঠাত চাওক

■ নলবাৰী চিকিৎসা মহাবিদ্যালয় সংযোগী পথ নিৰ্মাণত অনিয়ম
■ জিলা বিজেপিৰ সম্পাদকৰ নেতৃত্বত ৰাইজে কৰিলে বন্ধ

## ঘগ্ৰাপাৰত নিশা গৌতম কনষ্ট্ৰাকচনৰ দৌৰাত্ম্য



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰা, ২৫ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দক্ষিণগাঁৱত প্ৰস্তাৱিত প্ৰায় ডেৰশ বিঘা মাটিত নলবাৰী মেডিকেল কলেজৰ নিৰ্মাণ কাৰ্য পূৰ্ণোদ্যমে চলি থকাৰ সময়তে কলেজখনলৈ সংযোগী দামোদৰধাম পথৰ বহলকৰণ কামটোত 'গৌতম কনষ্ট্ৰাকছন' নামৰ সংস্থাটোৰ দৌৰাত্ম্যই বৃহত্তৰ অঞ্চলটোৰ ৰাইজক শংকিত কৰি তুলিছে। যোৱা নিশা ঘগ্ৰাপাৰ বজাৰ চ'কত পথছোৱাৰ নিৰ্মাণ কাৰ্যত কেতবোৰ বিসংগতি ধৰা পেলাই খোদ বিজেপি নেতাসহ স্থানীয় একাংশ ৰাইজে কাম বন্ধ কৰি সংস্থাৰ কৰ্মচাৰীক জবাবদিহি কৰে। এই প্ৰতিবাদস্থলীত ৰাইজৰ স'তে একেমুখে পথছোৱা নিৰ্মাণ কাৰ্যত নিম্নমান তথা চেঁচা বিতুমিন নিশা আঁৰি দায়িত্ব সাৰিব বিচৰা বুলি বিজেপিৰ নলবাৰী জিলাৰ সম্পাদক দিপেন কলিতাই অভিযোগ তুলি কাম বন্ধ কৰি দিয়ে। ইফালে, পথছোৱা নিৰ্মাণ কাৰ্য নলবাৰী লোক নিৰ্মাণ বিভাগ আৰু প্ৰশাসনে চকু মুদা কুলিৰ ভাও লৈছে বুলি ৰাইজে অভিযোগ কৰে। উল্লেখ্য যে পূৰ্বেও সংস্থাটোৰ বিৰুদ্ধে আঠ পৃষ্ঠাত চাওক

## সভাত ভাষণৰত অৱস্থাতে মৃত্যু অবড়ো নেতাৰ

### অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**জালাহ/শালবাৰী, ২৫ ডিচেম্বৰ ঃ** এখন সভাত ভাষণৰত অৱস্থাতে আজি মৃত্যুক আঁকোৱালি লয় অবড়ো সুৰক্ষা সমিতিৰ এজন নেতাই। এই ঘটনাই আজি বাগ্সা জিলাত শোকৰ ছাঁ পেলায়। আকস্মিকভাৱে ঢলি পৰি মৃত্যু হোৱা স্থানীয় নেতাজন হৈছে চৰাইমাৰীৰ বাণীমন্দিৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, সমাজকৰ্মী দেৰেন ডেকা। নতুন বৰলাগাঁও নিবাসী ৭০ বছৰীয়া ডেকাই আজি জিলাখনৰ কুজিদেওৰত আঠ পৃষ্ঠাত চাওক

## কলংপাৰৰ ঐতিহ্যমণ্ডিত নেহৰুবালি বাকৰিত ভোগালী বিহুৰ ব্যাপক প্ৰস্তুতি

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ ডিচেম্বৰ ঃ** অসমবাসী ৰাইজৰ অতি হেঁপাহৰ ভোগৰ উৎসৱ ভোগালী বিহুটি নগঞা ৰাইজে ঐতিহ্যময় নেহৰুবালিত অতি উলহ-মালহেৰে উদ্‌যাপিত কৰি আহিছে। এইবেলিও ২৮, ২৯ পুহ আৰু এক, দুই, তিনি আৰু চাৰি মাঘ আৰু ১৩, ১৪, ১৫, ১৬, ১৭, আৰু ১৮ জানুৱাৰী তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে ১০৯ বছৰীয়া হোৱা ভোগালী বিহু উৎসৱটি উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। সদৌ নগাঁও ভোগালী বিহু উৎসৱ সমিতিৰ উদ্যোগত আয়োজিত ভোগালী বিহুৰ কাৰ্যসূচী অনুসৰি ১৩ জানুৱাৰীৰ বিয়লি আত্মসহায়ক গোটৰ বিপণী মুকলি, জনগোষ্ঠীয় খাদ্য মেলাৰ আৰম্ভ আৰু ভেলাঘৰত নাম কীৰ্তনেৰে বিহুৰ কাৰ্যসূচী আৰম্ভ হ'ব। ১৪ জানুৱাৰী (বিহুৰ দিন) পুৱা ৰাজ্যিক শিশু, নাৰী গৃহ আৰু শঙ্কৰ মিছনত বিহুৰ জলপান বিতৰণৰ পাছতেই বিহুৰ পতাকা উত্তোলন কৰা হ'ব। পতাকা উত্তোলন কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। পতাকা উত্তোলন কাৰ্যসূচী সমাপ্তিৰ লগতে স্থানীয় বয়োজ্যেষ্ঠ নাগৰিকসকলক বিহুৰ পৰম্পৰা অনুযায়ী শ্ৰদ্ধা জ্ঞাপন কৰা হ'ব। ইয়াৰ পাছতেই বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা আৰম্ভ হ'ব। দিনৰ ২-৩০ বজাত হেমা দাস আঠ পৃষ্ঠাত চাওক

■ বিদ্যালয়ৰ মাটিত সাজি লৈছে পকীঘৰ ■

## প্ৰধান শিক্ষকে বেদখল কৰিলে বিদ্যালয়ৰ মাটি

অগ্ৰদূত বাৰ্তা

**সৰ্থেবাৰী, ২৫ ডিচেম্বৰ ঃ** মাজে সময়ে চৰকাৰে বেদখল উচ্ছেদ অভিযান চলাই চমক সৃষ্টি কৰি অহাৰ সময়তে পোহৰলৈ আহিছে চাৰি বছৰে চৰকাৰী জাননী কাৰ্যকৰী নোহোৱা এক আজব ঘটনা। বৰপেটা জিলাৰ এখন বিদ্যালয়ৰ ভূমি বিদ্যালয়খনৰ প্ৰধান শিক্ষকে বেদখল কৰি পকীঘৰ নিৰ্মাণ কৰি স্বাচ্ছন্দ্য জীৱন অতিবাহিত কৰি থকাৰ পাছতো আজি পৰ্যন্ত এই বেদখল উচ্ছেদ কৰিবলৈ সক্ষম হোৱা নাই বৰপেটা জিলা প্ৰশাসন। উল্লেখ্য যে বৰপেটা জিলাৰ বৰ আগদিয়া গাঁৱত স্থাপিত পঞ্চগ্ৰাম নামৰ হাইস্কুলখনৰ প্ৰধান শিক্ষক মনিৰ খানে বিদ্যালয়খনৰ নামত থকা মুঠ আঠ পৃষ্ঠাত চাওক

### সমন্বয়-সম্প্ৰীতিৰ বাণী বিলাই সামৰণি পৰিল মধুপুৰ মহোৎসৱৰ

## সত্ৰীয়া সংস্কৃতিৰে মুখৰ বংগৰ আকাশ-বতাহ

অগ্ৰদূত বাৰ্তা

**হাউলী, ২৫ ডিচেম্বৰ ঃ** জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ কাৰণে আজি অসম আৰু পশ্চিমবংগৰ এই দুয়োখন ৰাজ্যৰ ভক্তপ্ৰাণ ৰাইজৰ মাজত সমন্বয় আৰু সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া হৈছে। দুয়োখন ৰাজ্যৰ ভক্তপ্ৰাণ ৰাইজৰ মাজত সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ বাণী বিলাই মধুপুৰ মহোৎসৱৰ আজি সামৰণি পৰে। শ্ৰীমন্ত শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পৱিত্ৰ স্থান মধুপুৰ সত্ৰত আজি উত্তৰবংগ আৰু অসমৰ হেজাৰ হেজাৰ ভক্তপ্ৰাণ লোক উপস্থিত হৈ গুৰুজনাৰ সমাধিত সেৱা জনোৱাৰ লগতে গুৰুজনাই স্থাপন কৰা নামঘৰত সেৱা জনায়। আজি পুৱা নাম-প্ৰসংগ অনুষ্ঠিত হোৱাৰ পাছত বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰাত উত্তৰবংগৰ কাকটকুটা, চৌসুতি, মৰিজবাৰী সত্ৰৰ উপৰি সত্ৰশাল, কোকৰাঝাৰ, জিনকাতা, গোসাঁইবাৰী, বিজনী, সৰভোগ, হাউলী, বৰপেটা, বৰপেটাৰোড, তেজপুৰ, ওৰাং, বাইহাটা চাৰিআলি, ৰঙিয়া আৰু বৃহত্তৰ গুৱাহাটীৰ ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰি উত্তৰবংগৰ আকাশ-বতাহ সত্ৰীয়া সংস্কৃতিৰ ৰসেৰে মুখৰ কৰি তোলে। আঠ পৃষ্ঠাত চাওক

## পৌৰসভা নিৰ্বাচনত মিত্ৰতা অক্ষুণ্ণ ৰাখি প্ৰতিদ্বন্দ্বিতা কৰিব নগাঁও অগপই

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় নেতৃত্বৰ সিদ্ধান্তক সন্মান জনাই আগন্তুক পৌৰসভাৰ নিৰ্বাচনত মিত্ৰতা অক্ষুণ্ণ ৰাখি প্ৰতিদ্বন্দ্বিতা কৰিব নগাঁও অগপই। আজি নগাঁও সদৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত অগপৰ এখন কৰ্মী সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। অকলে প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰিৱৰ্তে নগাঁও পৌৰসভা নিৰ্বাচনত মিত্ৰজোঁটৰ স'তে মিলি প্ৰাৰ্থী প্ৰক্ষেপ কৰিব অগপ দলে। উল্লেখ্য যে ১৯৯৬ৰ পৰা ২০০৭ পৰ্যন্ত নগাঁও পৌৰসভাত অনুষ্ঠিত নিৰ্বাচনসমূহত অগপ দলে গৰিষ্ঠসংখ্যক আসন অধিকাৰ কৰি পৌৰসভা গঠন কৰিছিল। সেই সাফল্যৰ কথা মনত ৰাখি আগন্তুক পৌৰসভা নিৰ্বাচনতো পুনৰ উৎসাহেৰে দলীয় কৰ্মীসকলে তৎপৰতা প্ৰদৰ্শন কৰিব বুলিও সভাত সিদ্ধান্ত লোৱা হয়। প্ৰাক্তন বিধায়ক গিৰীন্দ্ৰ কুমাৰ বৰুৱাই এই নিৰ্বাচনৰ জৰিয়তে কংগ্ৰেছ বিৰোধী শক্তিক শক্তিশালী কৰি অসমৰ মৌলিক সমস্যাসমূহ সমাধান কৰা উচিত বুলি মন্তব্য কৰে। আজিৰ এই সভাত দলৰ সম্পাদক অতুল মেধি, কেন্দ্ৰীয় সমিতিৰ সদস্য পৰাণ গোহাঁই, গোলাপ শইকীয়া, আঠ পৃষ্ঠাত চাওক




■ হিন্দু ৰজা আনন্দ পালৰ আমোলৰ মুদ্ৰা বুলি চৰ্চা

## মৰিগাঁৱৰ থানত এহেজাৰ বছৰৰ পুৰণি তামৰ মুদ্ৰা উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৫ ডিচেম্বৰ ঃ** এহেজাৰ বছৰৰ পুৰণি তামৰ মুদ্ৰা উদ্ধাৰ হৈছে মৰিগাঁও জিলাত। মৰিগাঁৱৰ এখন পৌৰাণিক থানৰ নিৰ্মাণ কাৰ্য চলাই থকাৰ সময়তে ১০০৮ বৰ্ষৰ এটা তামৰ মুদ্ৰা উদ্ধাৰ হোৱা ঘটনাই সম্প্ৰতি ব্যাপক কৌতুহল সৃষ্টি কৰিছে। ১০১৩ বছৰৰ পুৰণি তামৰ মুদ্ৰাটো উদ্ধাৰ হোৱা অতি প্ৰাচীন থানখন হৈছে মৰিগাঁও



নগৰৰ সমীপৱৰ্তী কোমোৰাগুৰি বগৰীগুৰি গাঁৱৰ বামুণ গোসাঁই থান। জনশ্ৰুতি অনুসৰি বগৰীগুৰি গাঁৱৰ অতি প্ৰাচীন বামুণ গোঁসাই থানখন কিমান পৌৰাণিক ইয়াৰ কোনো তথ্য সম্প্ৰতি কাৰো হাতত নাই। মুখে মুখে চলি অহা জনশ্ৰুতি অনুসৰি, বগৰীগুৰি গাঁৱত পূৰ্বে জনবসতি নাছিল যদিও কাষৰীয়া কোমোৰাগুৰি আৰু ছাটনগুৰীত আছিল পাতলীয়া জনবসতি। ঘন হাবি আৰু একাধিক বগৰী গছেৰে ভৰপূৰ ঠাইখিনিত প্ৰতি দেওবাৰে হাতী আহি বামুণ থানখনত থকা এজোপা খৰুৱা গছৰ তলত জিৰণি লয়। হাতীয়ে খোৱা খাদ্যসমূহৰ ভিতৰত কল খাই কিছু এৰি থৈ যায়। পাছত সেই বামুণ থানখনত স্থানীয় গাঁও দুখনৰ ৰাইজে পূজা-অৰ্চনা কৰি আহিছিল। সময় বাগৰাৰ লগে লগে হাবি-জংঘল কমি যায় আৰু দুয়োখন গাঁৱৰ পৰা অহা প্ৰব্ৰজিত লোকেৰে এখন গাঁৱলৈ ৰূপান্তৰ হয়। স্থানীয় লোকসকলে সেই দিন ধৰি প্ৰতি দেওবাৰে পূজা-অৰ্চনা কৰি অহা পৰম্পৰা এতিয়াও বৰ্তাই ৰাখিছে। এই ঐতিহাসিক থানখনৰ আঠ পৃষ্ঠাত চাওক

### ডবকাত ব্যৱসায়ী সন্থাৰ সভাপতিক হত্যাৰ অপচেষ্টা

## পাৰিবাৰিক সংঘাতৰ পৰিণতিত আক্ৰমণ কৰা মহিলাক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা


**যমুনামুখ, ২৫ ডিচেম্বৰ ঃ** হোজাই জিলাৰ ডবকাত আজি কথমপি প্ৰাণ ৰক্ষা পৰে হোজাই শংকৰদেৱ নগৰ চেম্বাৰ অৱ কমাৰ্চৰ সভাপতি তথা প্ৰাক্তন সাংবাদিক চৰিফউদ্দিনৰ। এগৰাকী মহিলাই চোকা অস্ত্ৰৰে তেওঁক হত্যাৰ অপচেষ্টা চলাইছিল। পাৰিবাৰিক সংঘাতৰ পৰিণতিতে এই আক্ৰমণৰ ঘটনা সংঘটিত হয়। এই ঘটনাত চৰিফউদ্দিন গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য অনুসৰি, ব্যৱসায়ী সন্থাৰ সভাপতিজনে আজি পুৱা ডবকা নগৰত থকা নিজ বাসগৃহত মাতৃৰ স'তে কথা পাতি আছিল। সেই সময়তে ফকৰুন নেছা নামৰ মহিলাগৰাকীয়ে পাছফালৰ পৰা এখন ডেগাৰেৰে তেওঁক আক্ৰমণ কৰে। প্ৰাণ ৰক্ষা পৰিলেও চৰিফউদ্দিন গুৰুতৰভাৱে আহত হোৱাত তেওঁক লগে লগে হাস্পতালত ভৰ্তি কৰোৱা হয়। উল্লেখ্য আঠ পৃষ্ঠাত চাওক

## দৰ্শনাৰ্থীৰ বাবে মুকলি ধোপৰগুৰি সত্ৰত থকা মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ পদচিহ্ন



অগ্ৰদূত বাৰ্তা

**হাজো, ২৫ ডিচেম্বৰ ঃ** তীৰ্থনগৰী হাজোত শ্ৰীমন্ত শংকৰদেৱৰ পৰম শিষ্য মহাপুৰুষ মাধৱদেৱে স্থাপন কৰা ঐতিহাসিক ধোপৰগুৰি সত্ৰত এতিয়াৰে পৰা সকলো সময়তে ভক্তপ্ৰাণ ৰাইজে দৰ্শন কৰিব পাৰিব মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ পদশিলা। ১৫৮৮ত গুৰুজনাই স্থাপন কৰিছিল ধোপৰগুৰি সত্ৰখন। গুৰুজনাই সত্ৰখনৰ পৰা বিদায় লোৱাৰ সময়ত এটা শিলত থিয় হৈ ভক্ত সকলক আশীৰ্বাদ দি বৰপেটালৈ উভতি যায়। বাপ-বান্ধৱসকলে গুৰুজনাক নৈৰ ঘাটলৈ আগবঢ়াই থৈ আহি পুনৰ সত্ৰত প্ৰৱেশ কৰাত মাধৱদেৱে অন্তিম বাৰৰ বাবে থিয় দিয়া শিলটোত তেওঁৰ পদচিহ্ন পৰিস্ফুট হৈ পৰে। তেতিয়াৰ পৰাই ধোপৰগুৰি সত্ৰত গুৰুজনাৰ পদচিহ্ন সংৰক্ষণ আঠ পৃষ্ঠাত চাওক



দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১০ পুহ ১৪২৮ ভাস্কৰাব্দ ২৬ ডিচেম্বৰ ২০২১

## সৌৰ ফেন্সিং



অসমত হাতী-মানুহৰ সংঘাতে ব্যাপক আৰু তীব্ৰতৰ ৰূপ ধাৰণ কৰাত বিভিন্ন জিলাৰ গাঁও অঞ্চলৰ ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। একাংশ গ্ৰামাঞ্চলৰ ৰাইজৰ চকুত টোপনি নাই। দিনে-নিশাই বনৰীয়া হাতীৰ জাকবিলাকৰ মুখামুখি হ'বলগীয়া হৈছে, হাতী খেদাত ব্যস্ত হৈ থাকিবলগীয়া হৈছে। পথাৰৰ পকা ধান, বাৰীৰ ফলমূল, গছ-গছনি, পাচলি খেতি, ঘৰৰ ধান-চাউল আদি খাদ্য-সামগ্ৰী, ঘৰ-দুৱাৰ সকলো ধ্বংস কৰিছে বনৰীয়া হাতীৰ জাকে। অসমৰ গাঁৱে-ভূঞে গৰু-ছাগলীৰ দৰে বনৰীয়া হাতীয়ে বিচৰণ কৰি ফুৰে। পুৰুষ-মহিলা, ল'ৰা-ছোৱালী কোনো ঘৰত থাকিব নোৱৰা পৰিস্থিতি হৈছে। অসমৰ প্ৰায়বোৰ জিলাত হাতী-মানুহৰ এনে তীব্ৰ সংঘাতৰ ফলত হেজাৰ হেজাৰ পৰিয়াল আৰ্থিকভাৱে সৰ্বস্বান্ত হৈ পৰিছে। প্ৰতি বছৰে ৰাজ্যত শতাধিক লোকে প্ৰাণ হেৰুৱাইছে হাতীৰ আক্ৰমণত। এই ক্ষেত্ৰত ৰাইজক নিৰাপত্তা দিয়াৰ দায়িত্ব বন বিভাগৰ; কিন্তু বিভাগে ৰাইজৰ নিৰাপত্তা নিশ্চিত কৰিব পৰা নাই। আনকি বন বিভাগৰ বিষয়া-কৰ্মচাৰী সকলো গাঁওবাসীৰ দৰেই অসহায় হৈ পৰিছে বুলি ক'ব পাৰি। বিভিন্ন স্থানত বনকৰ্মীয়ে ফটকা ফুটাই হাতী খেদাৰ প্ৰয়াস কৰা পৰিলক্ষিত হয়। বন বিভাগৰ হাতী খেদাৰ ব্যৰ্থ প্ৰয়াসে গাঁৱৰ ৰাইজক হতাশহে কৰিছে। তদুপৰি বন বিভাগৰ মানুহ কম। হাতীয়ে ৰাইজৰ খেতিপথাৰ, ঘৰ-বাৰী তহিলং কৰাৰ পাছতহে পলমকৈ বন বিভাগৰ লোকে দেখা দিয়েগৈ। ৰাইজৰ দুৰ্দশা দেখিও নেদেখাৰ ভাও দি আহিছে চৰকাৰে। হাতী-মানুহৰ সংঘাতক ইমানদিনে গুৰুত্ব সহকাৰে লোৱা হোৱা নাই; কিন্তু শেহতীয়াকৈ ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে হাতী-মানুহৰ সংঘাতক কিছু গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। বনৰীয়া হাতীৰ পৰা গাঁৱৰ ৰাইজ, খেতিপথাৰ, ঘৰ-বাৰী, শস্য, পাচলি আদি সকলোকে সুৰক্ষা দিয়াৰ বাবে চৰকাৰে ছ'লাৰ ফেন্সিং অৰ্থাৎ সৌৰ শক্তিৰে উৎপাদিত বিদ্যুতৰ তাঁৰৰ বেৰ দিয়াৰ আঁচনি হাতত ল'বলৈ আগ্ৰহ প্ৰকাশ কৰিছে। চৰকাৰে পলমকৈ হ'লেও সৌৰ ফেন্সিঙৰ কথা বিবেচনা কৰাত ৰাইজৰ মনত আশাৰ সঞ্চাৰ হৈছে বুলি ক'ব পাৰি। ইতিমধ্যে হিমাচল প্ৰদেশ প্ৰমুখ্যে দেশৰ কিছুমান ৰাজ্যই বান্দৰ আদি বন্য জন্তুৰ পৰা খেতিপথাৰ, ঘৰ-বাৰী সুৰক্ষিত ৰখাৰ বাবে সৌৰ ফেন্সিং ব্যৱস্থা গ্ৰহণ কৰি সুফল লাভ কৰিছে। উল্লেখ্য যে সৌৰ ফেন্সিং এবিধ অত্যাধুনিক ব্যৱস্থা, যি ফেন্সিং ব্যৱস্থাক মানুহ, পোহনীয়া জীৱ-জন্তু, খেতিপথাৰ, শস্য, ফল-মূল আদিক বন্য জীৱ-জন্তুৰ পৰা সুৰক্ষিত ৰখাৰ বাবে ব্যৱহাৰ কৰা হয়। সৌৰ ফেন্সিঙৰ বিশেষত্ব হ'ল, এই বৈদ্যুতিক বেৰ সহজে দিব পাৰি আৰু যিবিলাক স্থানত প্ৰয়োজন, সেইবিলাক স্থানত দিব পাৰি। পৰম্পৰাগত বিদ্যুতৰ প্ৰয়োজন নাই আৰু সেয়ে যিবোৰ ভিতৰুৱা স্থানত বিদ্যুৎ সংযোগ হোৱা নাই, সেইবোৰ ঠাই বা অঞ্চলতো সহজে এই বৈদ্যুতিক বেৰ দিব পৰা যায়। সৌৰ ফেন্সিঙত স্পৰ্শ কৰিলে মানুহ, বিভিন্ন বন্য জীৱ-জন্তুৰ শৰীৰত বিদ্যুতৰ আঘাত লাগিব আৰু সাময়িকভাৱে মানুহ বা আন জীৱ-জন্তু পৰি যাবও পাৰে; কিন্তু ইয়াৰ ফলত মানুহ বা আন জীৱ-জন্তুৰ মৃত্যু নহয়। বনৰীয়া হাতী, বাঘ, ভালুক, বান্দৰ আদিয়ে সৌৰ ফেন্সিঙত স্পৰ্শ কৰিলেই বৈদ্যুতিক আঘাত লাগিব আৰু ভিতৰলৈ প্ৰৱেশ কৰাত শক্তিশালী বাধাৰ সন্মুখীন হ'ব। সৌৰ ফেন্সিঙে জন্তুবিলাকক পলায়ন কৰিবলৈ বাধ্য কৰিব নাইবা মানুহৰ ওচৰ চাপিবলৈ ভয় কৰিব। মানুহৰ ঘৰ-বাৰীৰ লগতে খেতি-পথাৰৰ সুৰক্ষাৰ বাবে সেয়ে সৌৰ ফেন্সিং অতি উপযোগী বুলি বিবেচিত হৈছে।

মানুহ, ঘৰ-বাৰী তথা খেতিপথাৰ বন্য জন্তুৰ পৰা সুৰক্ষা প্ৰদান কৰা সৌৰ ফেন্সিং ব্যৱস্থাৰ সুবিধাও অনেক। ইয়াৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত খৰচ অতি কম। ই সম্পূৰ্ণ নিৰ্ভৰযোগ্য, মানুহ বা জীৱ-জন্তুৰ শৰীৰৰ ক্ষতি নকৰে, খৰচ কম, পুনৰ নবীকৰণ সৌৰ শক্তিৰ ব্যৱহাৰ, এক কেন্দ্ৰীয় এলাৰ্ম ব্যৱস্থা থাকে, ই ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় নিৰাপদ মানসম্পন্ন আৰু সেয়ে বিপদৰ কোনো ভয় নাই। চৰকাৰে যদিহে অসমৰ ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰিব বিচাৰে, যদিহে হাতী-মানুহৰ সংঘাত দূৰ কৰিব বিচাৰে আৰু এই সমস্যাৰ স্থায়ী সমাধান বিচাৰে, তেন্তে আধুনিক প্ৰযুক্তিৰ সৌৰ ফেন্সিং ব্যৱস্থা গ্ৰহণ কৰাৰ বাহিৰে এই মুহূৰ্তত আন কোনো কাৰ্যকৰী ব্যৱস্থাসন্মত বিকল্প দেখা নাযায়। অসমত অব্যাহত থকা হাতী-মানুহৰ সংঘাতৰ অৱসান ঘটোৱাত চৰকাৰৰ আগ্ৰহ আৰু আন্তৰিকতাৰ অভাৱ হ'লে এই সমস্যাত জুৰুলা হোৱা অসমৰ ৰাইজে সদায় দুৰ্ভোগ ভুগি থাকিব লাগিব। সৌৰ ফেন্সিং ব্যৱস্থাত চৰকাৰে আগ্ৰহ দেখুওৱাটো ভাল কথা; কিন্তু আগ্ৰহ দেখুৱালেই নহ'ব। ইয়াৰ প্ৰয়োগৰ বাবে তৎপৰ হোৱাৰ প্ৰয়োজন। ভবাৰ পৰা কাম কৰালৈকে যদি অত্যধিক সময় লাগে, তেন্তে ৰাইজৰ অৱস্থা ধান পকে মানে টুনীৰ মৰণৰ দৰে হ'ব। সেয়ে সোনকালে সৌৰ ফেন্সিং ব্যৱস্থা অসমতো উপলব্ধ হোৱাটো ৰাইজে আশা কৰে।

অসমত হাতী-মানুহৰ সংঘাত তীব্ৰতৰ হোৱাৰ কে'বাটাও কাৰণ দেখা যায়। বিশেষকৈ বন ধ্বংসই ইয়াৰ অন্যতম প্ৰধান কাৰণ। দশকৰ পাছত দশক ধৰি অসমৰ বন ধ্বংস যজ্ঞ চলিবলৈ এৰি দিয়া হ'ল। একাংশ বন বিষয়া, শাসক তথা ক্ষমতাশালী নেতা আদিৰ সহযোগ থকা কাৰণেই একাংশ চোৰাং কাঠৰ ব্যৱসায়ীয়ে বন ধ্বংস কৰিবলৈ সুযোগ পালে। অৰণ্যত আজি হাতীৰ বাবে খাদ্য নাই, নিৰাপদ আশ্ৰয় নাই আৰু সেয়ে বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই আহিছে। বিদ্যুতৰ তাঁৰত লাগি, ৰেলৰ খুন্দাত প্ৰতি বছৰে অনেক বনৰীয়া হাতীৰ মৃত্যু হৈছে। কিছুসংখ্যক হাতীৰ মানুহে খাদ্যত বিহ মিহলোৱাৰ ফলতো মৃত্যু হৈছে। ইয়াৰ বিপৰীতে মানুহ দেখিলেই এতিয়া হাতীয়ে আক্ৰমণাত্মক ৰূপ ধাৰণ কৰিবলৈ লৈছে। ইয়াৰ আগেয়ে বন্যহস্তীয়ে মানুহৰ মাজলৈ আহিবলৈ ভয় কৰিছিল। হাতী অহা-যোৱা কৰা পুৰণি বাটেৰে হাতী আহ-যাহ কৰিছিল। তেতিয়া আনকি হাতীৰ সংখ্যাও যথেষ্ট বেছি আছিল। অৱশ্যে বন বিভাগৰ সুৰক্ষা তথা অন্যান্য কাৰণত বৰ্তমান অসমত বনৰীয়া হাতীৰ সংখ্যা বাঢ়িছে। বৰ্তমান অসমত ৫,৭০০টা বনৰীয়া হাতী আছে যদিও হাতীৰ সংখ্যা অনুপাতে প্ৰয়োজনীয় আশ্ৰয় স্থল বনাঞ্চলৰ অভাৱ। বনাঞ্চল হ্ৰাস, বেদখল আদিৰ ফলত হাতী জনাঞ্চলত প্ৰৱেশ কৰিছে। খাদ্যৰ অভাৱৰ বাবেই হাতীৰ জাকবিলাক এতিয়া বনাঞ্চললৈ ঘূৰি নোযোৱা হৈছে। বনৰীয়া হাতী বনত নাথাকি সদায় জনাঞ্চলতে থাকিবলৈ লোৱাত অসমৰ ৰাইজৰ বিপদ বাঢ়িছে।

# প্ৰাণ আছে জীৱন নাই

## তেৰেঁই কেৱল নেতা হ'ব পাৰে, যাৰ চৰিত্ৰৰ দৃঢ়তাত দেশৰ মানুহৰ পূৰ্ণ আস্থা আছে

### আত্মজিজ্ঞাসা



কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

এটা সময়ত আমি সকলোৱে আছিলো অসমীয়া। মনৰ অন্তৰত অসমীয়া হোৱাৰ কি আপ্ৰাণ চেষ্টা আছিল সকলোৰে! আজি আৰু সেই যাত্ৰা নাই। বৰঞ্চ ওলোটা পথেৰে চলিছে জাতি। এতিয়া যি প্ৰজন্ম ডাঙৰ হৈছে, তেওঁলোকৰ মুখৰ ভাষা, পোছাক, আচৰণ সকলোবোৰেই সলনি হৈ গৈছে। অসমীয়া হোৱাৰ কোনো চেষ্টা দূৰৈত থাকক তেওঁলোকৰ প্ৰাণপণ ইচ্ছা ওলোটা পিনে যাত্ৰাৰ। এটা সৎ, শিক্ষিত, দক্ষ, উন্নত জাতি মাটি ফুটি ওলাই নাহে। সেয়া বহু যুগৰ সাধনাত সৃষ্টি হয়। পৃথিৱীৰ যিবোৰ দেশ আজি উন্নত, সেই দেশবোৰে বহুকাল ধৰি শিক্ষাৰ ক্ষেত্ৰত সৰ্বোচ্চ ব্যয় কৰি আহিছে। আৰু সেই দেশবোৰত আছুৰ দৰে কোনো ছাত্ৰ সংগঠন নাই।

স্বাধীনতাৰ বাবে অধিকাৰ প্ৰতিষ্ঠাৰ বাবে মানুহে দেশে দেশে আত্মত্যাগ কৰিছে। যুদ্ধ কৰিছে; কিন্তু মাতৃভাষাৰ বাবে আত্মত্যাগৰ ইতিহাস পৃথিৱীৰ ইতিহাসত বিৰল। ভাষা ছহিদৰ আত্মত্যাগৰ মৰ্যাদা ৰক্ষাৰ বাবে আমি অসমীয়া ভাষাৰ ৰক্ষণা-বেক্ষণ আৰু সৰ্বস্তৰত অসমীয়া ভাষাৰ ব্যৱহাৰ নিশ্চিত কৰাটো প্ৰত্যেক অসমীয়াৰ একান্ত কৰ্তব্য। মাতৃভাষাৰ প্ৰতি যি উদাসীন, মানুহ হিচাপে সি চিৰদিন দৰিদ্ৰ।

মননৰ চৰ্চা অত্যন্ত গুৰুত্বপূৰ্ণ। মানুহে এই এটা বস্তু পাইছে যি অসাধাৰণ। যাৰ কোনো তুলনা নহয়। অস্তিত্বক লৈ ভাবিবলৈ গ'লে নিজকে চিনা যায়। দেশৰ সাধাৰণ মানুহৰ মনত শান্তি নাই। নানা ধৰণৰ মানসিক অসুস্থতাত বহুতেই আক্ৰান্ত। জীৱন এতিয়া নানা চাপত আৰু মানসিক অসুস্থতাত বহুতেই আক্ৰান্ত। জীৱন এতিয়া নানা চাপত আৰু মানসিক অস্থিৰতাৰে ভৰা। সমাজ জীৱনো আজি আৰু সহজ-সৰল নহয়। ব্যক্তিগত সম্পৰ্কবোৰো নানাভাৱে বিপৰ্যস্ত। অসুস্থ প্ৰতিযোগিতা আৰু হিংসা-বিদ্বেষতো আছেই। তদুপৰি ভোগবাদ আৰু মানসিক অৱসাদত অহৰহ ঘটিছে বিপত্তি-বিভ্ৰান্তি আৰু ভোগান্তি। ক্ৰমবৰ্ধমান লোভ-লালসাই সভ্যতাক আজানা এক ভৱিষ্যতৰ পিনে লৈ গৈ আছে। ক'তো কোনো সুখবৰ নাই। সময়ে প্ৰলেপ দি যায়; কিন্তু যন্ত্ৰণাৰ বিষণ্ণ বতাহ ৰৈ যায় চৌদিশে। এক নিগূঢ় নিয়তিয়ে যেন আগুৰি আছে আমাৰ ভাগ্য। দৈনন্দিন জীৱন যাপনৰ মাধ্যমত প্ৰাত্যহিকতাৰ চাপত দীৰ্ণ মানুহ। প্ৰাণ আছে জীৱন নাই।

আমি কেতিয়াও ভাৰসাম্য ৰক্ষা কৰিব পৰা নাই। যেতিয়া ওপৰলৈ উঠো তেতিয়া তললৈ চাবলৈ পাহৰি যাওঁ। যেতিয়া নিম্নগামী হওঁ তেতিয়া নিজৰ দোষবোৰ পৰীক্ষা কৰি শুধৰাবৰ চিন্তাক প্ৰশ্ৰয় নিদিওঁ। বৰঞ্চ নিজৰ ত্ৰুটিৰ দায় আনৰ কান্ধত জাপিবৰ চেষ্টা কৰো। মানুহে গৌৰৱৰ শিখৰত আৰোহণ কৰে প্ৰধানতঃ চাৰিত্ৰিক উৎকৰ্ষৰ কাৰণে। পাতালৰ গহ্বৰত পতিত হয় চাৰিত্ৰিক স্খলনৰ বাবে। মূল বস্তু হ'ল চৰিত্ৰ। সেয়া প্ৰকৃতিৰ অন্যতম সাৰ্বজনীন সত্য।

**দুই**

ভাগ্যৰ কথা। লগ পাইছিলো মানুহজনক। নহ'লে কেনেকৈ জানিলোহেঁতেন সাধাৰণৰ ছদ্মবেশত এজন অসাধাৰণ মানুহক কেনে দেখায়। কেনেকৈ জানিলোহেঁতেন দৈনন্দিন জীৱনৰ নানা ক্ষুদ্ৰতাৰ কৰ্দমাক্ত পথৰ ওপৰতো এক বিশাল ব্যক্তিৰ পদচিহ্ন আঁকা থাকে অলক্ষ্যে। অবিশ্বাস্য ৰকম সহজ-সৰল এজন মানুহ। সামান্য অস্তিত্বৰ অন্তৰালত এজন অসামান্য পুৰুষ। জীৱনৰ কোনো অৱস্থাতেই মানুহজনৰ দৃঢ় মনোবল কঁপোৱাৰ সাধ্য নাছিল কাৰো। দেশৰ বাবে আপোনজনৰ বাবে যিমান আৱেগেই নাথাকক কিয়, নিজৰ বাবে যিখিনি আৱেগ নাথাকিলে নহয়, সেইখিনি মানুহজনে নিজৰ ভিতৰতে ৰাখিছিল লুকাই। বিশাল মনৰ দেশপ্ৰেমিকবোৰে কেৱল দেশৰ বাবেই কান্দে। দেশ দেশ আৰু দেশ এয়াই আছিল মানুহজনৰ মন্ত্ৰ। চকু মেলি মন ঢালি চাইছিল জীৱনৰ যি কিছু সুন্দৰ, যি কিছু আনন্দময়। সেয়ে যাত্ৰাৰ আয়োজন দেশৰ পথে পথে। বৃহৎ আইডিয়াই বৃহৎ সৃষ্টিৰ উৎস। সেয়া বিজ্ঞানেই হওক কিম্বা শিল্প-সাহিত্যই হওক। আইডিয়া এক শক্তিশালী মাধ্যম। ভিক্টোৰ হিউগোৱে কৈছিল— এটা সেনাবাহিনীৰ আক্ৰমণক বাধা দিয়া যায়; কিন্তু বৃহৎ আইডিয়াৰ আক্ৰমণক প্ৰতিৰোধ কৰাৰ সাধ্য নাই কাৰো।



বাহিৰত শান্ত কিন্তু বুকুৰ মাজত জুই। অত্যন্ত সচেতনভাৱে নিজৰ বিশ্বাস লৈ বিশ্বস্ত আৰু মনোযোগী। মানুহৰ সবাতোকৈ সুন্দৰ গভীৰ ভালপোৱাৰ ৰূপটো দেখিছিল বাবেই মানুহজনে কেতিয়াও হেৰুওৱা নাছিল মানুহৰ ওপৰত বিশ্বাস। মানুহজন আছিল বিষ্ণু ৰাভা।

মানুহজনক কাষৰ পৰা পোৱাৰ স্মৃতিয়ে মনত ঢৌ খেলি যায়। মই হেৰাই যাওঁ। হেৰোৱা দিনৰ সেই অপৰূপ আভা মই চাই থাকিব নোৱাৰো। কি এক অবৰ্ণনীয় সৌন্দৰ্য। সেই সৌন্দৰ্যৰ সন্মুখত বেছি সময় থকা নাযায়। নিজকে বৰ অসহায় যেন লাগে। মনৰ মাজত জগাই তোলে কি এক শূন্যতা। কি এক হাহাকাৰ। সময় ফুৰাই যোৱাৰ আগতে মানুহে কোনোদিন সময়ৰ দাম নিদিয়ে।

**তিনি**

পঢ়া-শুনা শেষ কৰি অধ্যাপকৰ চাকৰি

**জন্ম আৰু মৃত্যু মানুহৰ হাতত নাই। বিধাতাই নিজৰ হাততে ৰাখিছে। ইয়াতেই শেষ নহয়। মানুহে তাৰ কৰ্মৰে যি ভাগ্য নিৰ্ধাৰণ কৰে, সেয়াও বিধাতাৰ লিখন। কেৱল নিজৰ বুদ্ধি আৰু কৰ্মেৰে পাৰ্থিৱ জীৱনত প্ৰমাণ কৰে নিজৰ ভাল-বেয়াৰ পৰিধি**

বিচাৰিছিলো। ইন্টাৰভিউ দিছিলো। মাহিলি দৰমহা ১৩০ টকা। আজিৰ ডেৰ লিটাৰ পেট্ৰ'লৰ মূল্যৰ সমান। নাই, নাপালো। মানুহৰ মনৰ ভিতৰত নতুন আইডিয়া বা ধাৰণাৰ জন্ম হয় তেতিয়াই, যেতিয়া তাৰ ভিতৰত কোনো কাৰণত এক অতৃপ্তিয়ে কাম কৰে। অতৃপ্ততাই সকলো সৃজনশীলতাৰ মূল উৎস। তৃপ্ত বা পৰিপূৰ্ণ মনে একো নতুন সৃষ্টিৰ প্ৰেৰণা নজগায়। এই অতৃপ্ততা মানুহৰ মনত জাগি উঠিলে মানুহ হয় উদ্দীপ্ত। আগুৱাই যায়। সৃষ্ট কৰ্ম আৰু পৰিৱৰ্তন।

Life is hard
By the yard
But by the inch
It is a cinch – Gean Gordon

বিদেশলৈ অহাৰ দুদিন পাছতেই কামত সোমাইছিলো। পুৰণি গাড়ী এখনো কিনিছিলো। ৪৫০ ডলাৰত। আবেলি বিশ্ববিদ্যালয়ত কোৰ্ছ এটা লৈছিলো। প্ৰথমদিনা ক্লাছত অধ্যাপকে কৈছিল ঃ তিনিটা কথা মনত ৰাখিবা। মোৰ দৃঢ় বিশ্বাস তেনেহ'লে সঁচা অৰ্থত কিছু অৰ্জন কৰিব পাৰিবা আৰু এই শিক্ষা জীৱন তোমালোকৰ বাবে বেদনাদায়ক ন'হৈ হ'ব আনন্দদায়ক। কথা তিনিটা হ'ল— এক, নিজকে প্ৰশ্ন কৰিবা— মই কিয় আহিছো? অৰ্থাৎ purpose কি? এয়া মোৰ জ্ঞাত নে অজ্ঞাত? দুই, wondering অৰ্থাৎ বিচাৰি ফুৰা, কৌতূহল আৰু বিস্ময় লৈ অজানাক জনাৰ চেষ্টা সদায় অব্যাহত ৰাখিবা। জ্ঞানৰ মহা সমুদ্ৰত তুমি যিমান বেছি গভীৰত সাঁতুৰিবা, সিমানে বেছি আহৰণ কৰিব পাৰিবা। তিনি, ইয়াৰ এই ষ্টাডী যুদ্ধ আৰু যাতনাত তুমি তিষ্ঠি থাকিবলৈ হ'লে অৱশ্যেই তোমাৰ থাকিব লাগিব sence of humour. ৰস আস্বাদন আৰু ৰস বিতৰণৰ অবিহনে তোমাৰ এই ষ্টাডী জীৱন হৈ পৰিব বেদনাদায়ক।

ষ্টাডী জীৱন মোৰ সদায়েই আছিল আনন্দদায়ক। বেদনাদায়ক নাছিল কোনোদিন। এনেকি পৰীক্ষাৰ ৰিজাল্ট পোৱাৰ পাছতো। পৰীক্ষাত নম্বৰ পাইছিলো ৮০। আমাৰ মেট্ৰিকৰ লেটাৰ মাৰ্ক। এম এ, এম এছ চিৰ প্ৰথম শ্ৰেণীৰ নম্বৰতকৈও ২০ নম্বৰ বেছি। ৰিজাল্টত দেখিলো গ্ৰেড দিছে এফ, এফ মানে ফেইল। হাঁহিছিলো প্ৰাণখুলি। ৮০ নম্বৰ আৰু ফেইল। মই বিশ্বাস কৰো— Only you are in charge of your own happiness.

**চাৰি**

প্ৰত্যেক মানুহৰ জীৱনত কিছু স্বপ্ন থাকে। তাৰ বাবে প্ৰয়োজন সময় আৰু প্ৰচেষ্টা। ধাৰণা হয় আমাৰ পৰ্যাপ্ত সময় আছে; কিন্তু পাছত দেখা যায় সময় উকলি গৈছে। এনে হোৱাৰ কাৰণ আমি যেতিয়া সময় হেৰুৱাও তেতিয়াহে তাৰ মূল্য বুজিব পাৰো। দেশৰ বেছিভাগ মানুহ অসুখী। আমাৰ মন মানসত, চিন্তা-চেতনাত সংকীৰ্ণতাই সৃষ্টি কৰিছে আৱৰ্জনা। সভ্যতা বুলিলে কি বুজায়? তাৰ কোনো একক সংজ্ঞা নাই। এটা সভ্যতাক ভাঙিবলৈ খুব বেছি সময় নালাগে; কিন্তু গঢ়িবলৈ লাগে দীৰ্ঘ কালৰ ত্যাগ আৰু সাধনা।

এথেন্সৰ আদি গণতন্ত্ৰৰ অন্যতম পিতৃ পেৰিক্লিছৰ কথা উল্লেখ কৰি প্লুটাৰ্কে কৈছিল ঃ কেৱল কথাৰে নহয়, নেতা হ'বলৈ হ'লে কামেৰে সেয়া প্ৰমাণ কৰাৰ দৰকাৰ আৰু কাম কৰিবলৈ হ'লে প্ৰয়োজন দৃঢ় চৰিত্ৰৰ। তেৰেঁই কেৱল নেতা হ'ব পাৰে, যাৰ চৰিত্ৰৰ দৃঢ়তাত দেশৰ মানুহৰ পূৰ্ণ আস্থা আছে। কোনো দুৰ্নীতি আৰু ক্ষমতাৰ অপব্যৱহাৰৰ পৰা নিজকে আঁতৰাই ৰাখিব পাৰে। আঢ়ৈ হেজাৰ বছৰৰ আগতে পেৰিক্লিছে তেনে এজন নেতা হিচাপে তেওঁৰ দেশৰ মানুহৰ পৰা সন্মান আদায় কৰিছিল। আমাৰ দেশৰ নেতাই নাজানে যে গাৰ জোৰেৰে সন্মান আদায় কৰা নাযায়। অন্তৰৰ সন্মান আৰু বাহ্যিক সন্মান একেই বস্তু নহয়।

আমাৰ দেশৰ ৰাজনীতিকৰ লাজ বোলা বস্তুটো নাই। ফলত দেশখন পৰিণত হৈছে অপকৰ্মৰ অভয়াৰণ্যত। লজ্জা এক মানৱীয় গুণ। বস্ত্ৰহৰণ কৰি লজ্জা হৰণ কৰিব নোৱাৰি।

**পাঁচ**

সাংবাদিকৰ পেছাই হ'ল সংবাদ সংগ্ৰহ। সংবাদ তেওঁলোকে তৈয়াৰ নকৰে। সংগ্ৰহ কৰে। আৰু ব্যক্তিগত স্বাৰ্থত সংগ্ৰহ নকৰে। কৰে জনগণৰ স্বাৰ্থত। তেওঁলোকে সংবাদ সংগ্ৰহ নকৰিলেতো সংবাদপত্ৰই নাথাকিব। এই দেশৰ সংবাদপত্ৰত প্ৰথম পৃষ্ঠাত প্ৰকাশ পায় দেশৰ গুৰুত্বপূৰ্ণ খবৰটো। আমাৰ দেশত সেয়া নহয়। যোৱা ২০ ডিচেম্বৰ সোমবাৰৰ 'নিয়মীয়া বাৰ্তা'ৰ প্ৰথম পৃষ্ঠাৰ খবৰ। অনিমেষ ভূঞাৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জাৰিৰ হুছেইন। অনিমেষ ভূঞাৰ মাক-দেউতাকৰ স'তে জাৰিৰ হুছেইনৰ এখন ফটো। সিদিনাৰ কাকতখনত মুখ্যমন্ত্ৰীৰ ছবি আছে ছখন। প্ৰথম পৃষ্ঠাত মুখ্যমন্ত্ৰীৰ তিনি-চাৰিখন ছবি অৱশ্যে সদায়েই থাকে। তৈল মৰ্দনৰো এটা সীমা আছে।

জন্ম আৰু মৃত্যু মানুহৰ হাতত নাই। বিধাতাই নিজৰ হাততে ৰাখিছে। ইয়াতেই শেষ নহয়। মানুহে তাৰ কৰ্মৰে যি ভাগ্য নিৰ্ধাৰণ কৰে, সেয়াও বিধাতাৰ লিখন। কেৱল নিজৰ বুদ্ধি আৰু কৰ্মেৰে পাৰ্থিৱ জীৱনত প্ৰমাণ কৰে নিজৰ ভাল-বেয়াৰ পৰিধি। জীৱনৰ এই অতিবাস্তৱ সত্যটোক মানুহে পাহৰি গৈ নিজৰ দম্ভ-ক্ষমতাৰে অন্যায় কৰে। পাহৰি যায় কোনো ক্ষমতাই তাৰ নিজৰ নহয়।

**ছয়**

প্ৰকাণ্ড এটা কেক। শিশুটোক কোলাত লৈছে মাকে কেক কাটিবৰ বাবে। মমবাতি জ্বলোৱা হৈছে। মাকে কৈছে ফু দিয়া। ফু দিয়া। শিশুটিয়ে মুখ মেলি চাই আছে। কোনোবা এজনে চিঞৰিলে ঃ ইংৰাজীত কোৱা। ইংৰাজীত কোৱা। ফুৰ অৰ্থ হয়তো বুজি পোৱা নাই। *ফোন ঃ ০০১৪০৩২৭০১৮১৭*



# বিয়া খোৱাৰ আনন্দ

**বিয়া** খাবলৈ যোৱাত এটি ডাঙৰ আনন্দ। নতুন পোছাক পিন্ধি যাব পাৰি, মাছ-মাংস, দৈ-মিঠাই ইচ্ছা মতে খাব পাৰি। পিছে সমস্যা হ'ল— যান-বাহনৰ। নিজৰ গাড়ী নহ'লে আনৰ গাড়ী ভাৰাত নিবও নোৱাৰি— বহুত টকা লাগে।

অলপতে এখন গাঁৱৰ বিয়ালৈ যাব লগা হ'ল, মোৰ বন্ধু এজনৰ জীয়ৰী এজনীৰ বিয়া। বন্ধুৱে ক'লে— যোৱাৰ সমস্যা নাই। দৰাৰ ঘৰ আপোনাৰ চহৰতে। আপুনি এই দৰা পাৰ্টি যোৱা গাড়ীতে যাব পাৰিব। মনতে ভাল লাগিল। আনৰ গাড়ীত যাম, আহিম, একো খৰচেই নাই। সাপো মাৰিলো, লাঠিও নাভাঙিল।

এই মতেই বিয়াখনলৈ গ'লো। বিয়া শেষ হওঁতে ৰাতি পুৱাল। কইনাক দেউতাকে এখন সৰু গাড়ীত পঠালে। বাছত অহা যাত্ৰীবোৰে গাড়ীখনত বহিল গৈ। পিছে ড্ৰাইভাৰ নাই। চাৰিওফালে বিচাৰ-খোচাৰ কৰিলে— কোনেও ড্ৰাইভাৰক নাপালে। যাত্ৰীসকলৰ মাজত হাহাকাৰ লাগিল। গাড়ী এখন ভাৰা কৰি নিবলৈও ওচৰত কোনো গাড়ী নাই। এইটো এটা ডাঙৰ সমস্যা। কইনাৰ বাপেকৰো মনটো বৰ বেয়া লাগি মন মাৰি আছে। মানুহবোৰক মাতি নি আকৌ চাহ-জলপান খুৱালে। শৌচ-প্ৰস্ৰাৱ কৰালে। কইনাৰ মামাক, খুৰাকৰো খং। বোলো পাইছানে এতিয়া মজাপালি— চহৰত আপী বিয়া দিয়ে, বাহাদুৰি দেখুৱাই...। পুলিচে অপৰাধীক বিচাৰি যোৱাৰ দৰে চাৰিওফালে ড্ৰাইভাৰক বিচাৰি পিয়াপি দিলে।

পালে শেষত বিচাৰি। দুজনমানে দেখা পালে সি এটা খেৰৰ পুঁজিৰ তলত শুই আছে। তাক ভৰিত ধৰি চোঁচৰাই টানি আনিলে। সি পুঁজিৰ ওচৰতে এঙামুৰি দি চাৰিওফালে চকু ফুৰাই সুধিলে— যাবৰ হৈছে নেকি? দুজনমানে গালি লগালে— ছালা কুকুৰ তই নাজান নেকি? ৰ'দ আহি মূৰৰ ওপৰ পাইছে? তোৰ মুখৰ গোন্ধত কাষলৈ যাব নোৱাৰি, গেলা মদ খাইছ হ'বলা। শুবলৈ বিছনা নাপালি?

মুখৰ গোন্ধ আছে যদিও ড্ৰাইভাৰৰ তেতিয়া নিচা ভাঙিছিল। সি ক'লে— বিছনা ক'ত পাবাহে? যি কেইখন বিছনা আছে এখনো খালি নাই। সব তিৰী-চলি লাংখাই পৰি আছে। বিয়া ঘৰত বিছনা বিচৰা মানে নদীৰ তলত আঙঠি বিচৰা একে কাম। আজি-কালি বিয়াবোৰত নাইনটি পাৰচেণ্টে মদ খাই অ'। মোক শিকাবলৈ আহিছ? শুক মুনিক বেদ শিকাবলৈ আহিছ? আহ— যাৱ যদি গাড়ীত উঠ, নহ'লে মই গাড়ী লৈ গুচি যাম। কিছুমান যাত্ৰীয়ে তাক মাৰিবলৈ খেদি

**ৰিজু হাজৰিকা**

গ'ল। ঘোচা-চৰ মাৰিলেই। সি কেৰেপকে কৰা নাই।

অৱশেষত সকলোৱে গাড়ীত উঠিল- যাবতো লাগিবই। ড্ৰাইভাৰেও ষ্টিয়াৰিং ধৰিলে। তাক সকলোৱে সাৱধান বাণী শুনালে— ঐ গাড়ী লাহে লাহে চলাবি, তই মদ খোৱা মানুহ, তোৰ মাথাৰ ঠিক নাই, তয়ো মৰিবি, আমাকো মাৰিবি। সি ক'লে— মই মৰিলেও একো নাই, বিয়াও কৰোৱা নাই, মাই-পিতাও নাই। তহঁত মৰিলেহে ঘৈণীয়েৰাহঁত বিধৱা হ'ব, ছলি-পলিও মাউৰা হ'ব।' এজনে ক'লে— ইয়াৰ টিকা মৰিলেও মুখ নমৰে। টিকাত নাই ছাল-বাকলি, মদ খায় সাত টেকেলি।

গাড়ী কিন্তু চলি থাকিল। চলি থাকিল মানে কি হ'ব- সি গাড়ীখন নি এটা কুঁৰত পেলাই দিলে। গাড়ী, ড্ৰাইভাৰ, যাত্ৰী সকলোৱে তাতে স্বৰ্গলৈ গ'ল। ওচৰৰ মানুহ দৌৰি আহিল। কিন্তু কোনোৱে গাড়ীখন তুলিবলৈ বা মৰাশবোৰ উঠাবলৈ সাহস নকৰিলে। মানুহৰ লাইন লাগিল। সকলোৱে হাই-হাই, ইচ্ ইচ্ লগালে।

তাৰ পাছত তাতে এটা মন্দিৰ বান্ধিলে ৰাইজে মিলি কালী মন্দিৰ। তাতে এতিয়া দৈনিক পূজা-পাতল হয়। বছৰত এবাৰ ডাঙৰকৈ পূজা পাতে। তাত হাঁহ, পাৰ, ছাগলী বলি দিয়ে। সেইবোৰৰে ভোগ ৰান্ধে। প্ৰথমতে কালীমাৰ আগত ভোগ দি ৰাইজে খায়। পুৰোহিতে তাতে দৈনিক পূজা কৰে। সকলো মানুহে তাৰ ওচৰলৈ গ'লে কালী মাৰ নাম উচ্চাৰি মূৰ দোঁৱায়। ড্ৰাইভাৰবিলাকে কুমজেলেকুৱাৰ দৰে গাড়ী চলাই, মন্দিৰত পইচা, ফুল দলিয়ায়। সেইটো এতিয়া সেই অঞ্চলত ঐতিহাসিক মন্দিৰ, হিন্দু, মুছলমান সকলোৱে তাতে সেৱা কৰে, দান-দক্ষিণা দিয়ে।

সকলোৰে বিশ্বাস। তাত হেনো শেষ ৰাতি সেই ড্ৰাইভাৰটোৱে দেখা দিয়ে। ভয়ত সেই ফাললৈ কোনোৱে অহা-যোৱা নকৰে।

# তেওঁ কৰে আঁচনি মই কৰো বাছনি

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰি, চাহকাপ আগতে খাই লওকচোন। বাতৰি কাকতখন হাতত পৰিলে আপুনি দেখোন তৎ নোহোৱা মানুহ হৈ পৰেহে। মই লক্ষ্য কৰি থাকো নহয়।
— মনোযোগ বুজিছা। মই যিয়েই নকৰো সকলো মনোযোগ দিহে কৰো। সেইবাবেই বিপদত নপৰো।
— চাহকাপ চেঁচা হ'লেই। তপতাই দিম নেকি?
— নালাগে দিয়া। চলি যাব।
— চাহৰ চেঁচা আৰু মাছৰ কেঁচা খোৱাটো বেয়া জানে। গৰমে গৰমে চাহকাপ নাখায়নো কিয়?
— কাকতখন পঢ়ি থাকিলে বাহিৰা কোনো কথা কাণতেই নপৰেহে। আজিৰ পৰা তুমি এটা কাম কৰিবা?
— কি?
— চাহকাপ আনি তুমি মোৰ হাতত তুলি দিবা। নহ'লে পুৱাৰ গৰম চাহকাপ মোৰ আৰু কোনোদিনেই খোৱা নহ'ব।
— হ'ব দিয়ক, মই সেইটোৱেই কৰিম। পিছে আপোনাৰ পঢ়া হ'ল নে নাই বাৰু? মোৰ অলপ কথা আছে।
— কোৱা।
— নতুন বছৰ আহিলেই নহয়। আপুনি নতুন বছৰটোক কেনেকৈ আদৰিব খুজিছে কওকচোন?
— তুমি আঁচনি এখন যুগুত কৰা। তাৰ পাছত মই বাছনি কৰিম। হ'বনে?
— তথাপি আপোনাৰ মতামতটো জানিব পাৰিলে ভাল। তেতিয়াহে মই আঁচনিখন কৰিব পাৰিম।
আপুনি কেনেকৈ কি কৰিব খুজিছে কওক?
— নতুন বছৰৰ প্ৰথম দিনটোত তুমি গা-মূৰ ধুই মন্দিৰত এখন শৰাই দিবা। তাৰ পাছত তোমাৰ স্বামীক সেৱা কৰিবা। স্বামীয়ে তোমাক হিয়া উজাৰি আশীৰ্বাদ দিব। তাৰ পাছত দুয়ো মিলি চাহ জলপান খাম। হ'বনে?
— এইখিনিলৈ ঠিকেই আছে। তাৰ পাছত কি কৰিব কওক?
— এয়া আৰম্ভণিহে। দিনৰ দিনটো আছে, ৰাতিটোও আছে। কৰিবলগীয়া ভালেখিনি আছে ৰ'বা; কিন্তু মই নিজাববীয়াকৈ অকলে সিদ্ধান্ত ল'ব খোজা নাই। তোমাৰ কথাটোও ভাবিব লাগিব নহয়।
— আপুনি মোক য'লৈকে নিব খোজে তালৈকে যাম। মোৰ কোনো আপত্তি নাই। যি ভাল দেখে তাকেই কৰক।
— এনেকৈ ক'লে কেনেকৈ হ'বহে? তুমি মোৰ অৰ্ধাংগিনী যেতিয়া মোৰ সুখৰো আধা ভাগ তোমাৰ আৰু দুখৰো আধা ভাগ তোমাৰ। বাৰু, আগতে কলাক্ষেত্ৰলৈ যাবা নে চিৰিয়াখানা চাবা?
— নাযাওঁ দিয়ক। সেইদিনা তাত বহুত ভিৰ হ'ব। মানুহৰ ঠেলা-হেঁচা মোৰ সহ্যই নহয়।
— ঠিক আছে। উমানন্দলৈ যাবা নে দৌল গোবিন্দ চাবা, কোৱা? যি খুচি তোমাৰ?
— আন এদিন যাম দিয়ক। সেইদিনা তাতো বহুত ভিৰ হ'ব।
— কোনো কথা নাই। তেনেহ'লে তোমাৰ ৰ'পৱেত উঠাৰ মন আছে নেকি? ধনৰ চিন্তা নকৰিবা। মই আছো।
— ৰ'পৱেত উঠাৰ চখ একেবাৰে নাই মোৰ। বৰ ভয় লাগে। সৰি পৰিব লাগিলে তাতেই মৰি থাকিম।
— বাৰু, চিনেমা চোৱাৰ হেঁপাহ আছে নেকি? ভাল চিনেমা এখন ক'ৰবাত চাই ল'ব পাৰো।
— টিভিত দেখোন চিনেমা, ছিৰিয়েল চায়েই থাকো। সময়খিনি এনেয়ে নষ্ট হোৱা যেনহে লাগিব।
— এটা কাম কৰিম দিয়া। ষ্টেডিয়াম বা মিউজিয়ামৰ আগেৰে ৰিক্সা এখন লৈ ঝালমুড়ি খাই এনেয়ে এপাক ফুৰি আহিম।
— নালাগে নেকি? অন্য কিবা চিন্তা কৰক।
— তেনেহ'লে শ্ৰদ্ধাঞ্জলি কাননত ভজা বাদাম খাই খাই প্ৰেমালাপ কৰি কিছু সময় কটাম। নে কি কোৱা?
— কি যে কয় আপুনি? আমি প্ৰেমিক প্ৰেমিকা নেকি? স্বামী-স্ত্ৰীহে। চিনাকি মানুহে তাত আমাক তেনেদৰে দেখিলে কি ভাবিব কওকচোন?
— তোমাৰ দ্বাৰা একো নহ'ব বুজিছা? এতিয়া মোৰ খুচি মতে কাৰ্যসূচী বনাম। তুমি কিন্তু আপত্তি নকৰিবা।
— হ'ব দিয়ক। কেৱল আনন্দেৰে নতুন বছৰৰ প্ৰথম দিনটো পাৰ হ'লেই হ'ল।
— শুনা, প্ৰথমতে আমি তোমাৰ শহুৰৰ ঘৰলৈ যাম আৰু দুপৰীয়াৰ সাজ তাতেই খাম। হ'বনে?
— তাৰ পাছত?
— আবেলি তোমাৰ শহুৰৰ ঘৰৰ পৰা ঘূৰি আহি পোনে পোনে এইবাৰ মোৰ শহুৰৰ ঘৰলৈ যাম। ৰাতিৰ সাঁজ ভাত আমি তাতেই খাম। কি কোৱা তুমি?
— আপোনাৰ সূচীমতে এতিয়াই গুচি যাম যেন লাগিছে জানে। কি বুলি আপোনাক প্ৰশংসা কৰিম ভাবিয়েই পোৱা নাই।
— বাৰু, আমাৰ নাদৰ পাৰত কে'বাটাও আমৰ পুলি আছে নহয়। তাৰে চাৰিটা আমি লগত লৈ যাম। দুটা তোমাৰ শহুৰ-শাহুৰ বাবে আৰু দুটা মোৰ শহুৰ-শাহুৰ বাবে বুজিছা?
— সেইবোৰ আকৌ কিয় নিব লাগে?
— তুমি বুজা নাই। গছ থাকিলেহে মানুহ থাকিব কথাষাৰ জানা নে নাই? চাৰিডাল আম গছ ডাঙৰ হ'লে আমাৰেই নাম থাকি যাব দিয়াচোন। আম লাগিলেতো খাবলৈও পাম।



— পিছে মোৰ এটা চৰ্ত আছে।
— চৰ্ত? কিহৰ চৰ্তহে?
— আপোনাৰ শহুৰৰ ঘৰত ৰাতিটো আনন্দৰে কটাম। হ'বনে? আপোনাৰ শাহুৱে ৰাতি ইমান ঠাণ্ডাত আমাক কেতিয়াও আহিব যে নিদিব সেইটো খাটাং।
— আচলতে তোমাৰ শাহুতকৈ মোৰ শাহুৰ যে আমালৈ আদৰ বেছি সেইটো তুমিয়েই প্ৰমাণ কৰি দিলা দেখোন।
— সেইদিনা মই কি কৰিম জানে? আপোনাৰ শহুৰৰ লগত গধূলি পুৰাম জুই আৰু আপোনাৰ শাহুৰ লগত ৰাতি থাকিম শুই।
— কি? *ফোন ঃ ৯১০১৭৭৪৮৬৮*



# মুদ্ৰাৰ অৱমূল্যায়ন আৰু অভিলেখ মুদ্ৰাস্ফীতিৰে ভাৰতীয় অৰ্থনীতিৰ ইতিহাসত কলংকিত ২০২১

## ■ এছিয়াৰ সবাতোকৈ নিম্নমানৰ প্ৰদৰ্শনকাৰী মুদ্ৰা 'টকা'
## ■ ৩০ হেজাৰ কোটি টকাৰো অধিক বিদেশী পুঁজিৰ বহিঃপ্ৰবাহ

**বিদায়ী** বছৰটোত এছিয়া মহাদেশৰ বিভিন্ন দেশৰ মুদ্ৰাৰ তুলনাত ভাৰতীয় মুদ্ৰাৰ প্ৰদৰ্শন আছিল সবাতোকৈ নিৰাশাজনক। বিশেষজ্ঞসকলে ইতিমধ্যে ২০২১ৰ সবাতোকৈ নিম্নমানৰ প্ৰদৰ্শনকাৰী মুদ্ৰা হিচাপে ঘোষণা কৰিছে 'টকা'ক। বৰ্তমানে চলি থকা বিত্তীয় বৰ্ষটোত ভাৰতীয় শ্বেয়াৰ বজাৰৰ পৰা যি পৰিমাণৰ বিদেশী পুঁজিৰ বহি:প্ৰৱাহ ঘটিছে সেয়া প্ৰায় ৪০০কোটি ডলাৰৰ ওচৰা-উচৰি হ'ব। অৰ্থাৎ ২০২১ত ভাৰতীয় মুদ্ৰাৰ হিচাপত প্ৰায় ৩০ হেজাৰ কোটি টকাৰো অধিক বিদেশী পুঁজি ওলাই গৈছে শ্বেয়াৰ বজাৰৰ পৰা। যাৰ ফলত কেৱল চলিত ত্ৰিমাসিকটোতে টকাৰ মূল্য হ্ৰাস পাইছে প্ৰায় ২.২ শতাংশ। গ'ল্ডমেন ইনকৰ্প'ৰেটেড আৰু নমুৰা হোল্ডিংছ ইনকৰ্পৰেটেড নামৰ আন্তৰ্জাতিক সংস্থা দুটাৰ পূৰ্বানুমান মতে, টকাৰ এই অৱমূল্যায়ন আগন্তুক বৰ্ষটোৰ প্ৰথমভাগতো হ্ৰাস পোৱাৰ কোনো সম্ভাৱনা নাই। বৰঞ্চ অ'মিক্ৰনৰ সংক্ৰমণৰ ঢৌ প্ৰবল হ'লে ভাৰতীয় টকাৰ নৌকা আৰু বেছি অস্থিৰ হোৱাৰহে আশংকা আছে। কিয়নো কৰ'নাৰ প্ৰতিটো ঢৌৰ খুন্দাত বাৰে বাৰে ভাৰতীয় শ্বেয়াৰ বজাৰৰ সূচকৰ পতন ঘটা ইয়াৰ পূৰ্বে প্ৰমাণিত হৈছে । যাৰ ফলত অ'মিক্ৰনৰ প্ৰভাৱত বিপুল পৰিমাণৰ বিদেশী তহবিল শ্বেয়াৰ বিক্ৰীৰ জৰিয়তে ভাৰতীয় বজাৰৰ পৰা ওলাই যোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। এই পূৰ্বানুমান কেনেবাকৈ সত্য প্ৰমাণিত হবলৈ হ'লে আৰু অধিক নিম্নগামী হ'ব টকাৰ মূল্য। সমান্তৰালভাৱে ভাৰতৰ বাণিজ্যিক ঘাটিৰ পৰিমাণো বিদায়ী বছৰটোত বৃহৎ হাৰত বৃদ্ধি পাইছে। টকাৰ অৱমূল্যায়নৰ ইয়ো এক অন্যতম মুখ্য কাৰণ হিচাপে পৰিগণিত হৈছে। অ'মিক্ৰন সংক্ৰমণৰ চিন্তাই বিশ্বৰ বজাৰবোৰ কঁপাই তোলাৰ সময়তে ভাৰতীয় টকাৰ ধাৰাবাহিক অৱমূল্যায়নৰ পূৰ্বানুমানে শ্বেয়াৰ বজাৰৰ দেশীয় বিনিয়োগকাৰীসকলকো একপ্ৰকাৰে আতংকিত কৰি ৰাখিছে। এফালে অভিলেখ পৰিমাণৰ উচ্চ বাণিজ্যিক ঘাটি আৰু আনফালে ফেডাৰেল ৰিজাৰ্ভৰ স'তে কেন্দ্ৰীয় বেংকৰ নীতিগত বিভেদেও টকাৰ অৱমূল্যায়ন ৰোধৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। মুম্বাইৰ আইচিআইচিআই বেংক লিমিটেডৰ বিশ্ববজাৰ, বিক্ৰী, ব্যৱসায় আৰু গৱেষণা বিভাগৰ মুৰব্বী বি প্ৰসন্নই টকাৰ অৱমূল্যায়নৰ সন্দৰ্ভত কয়, 'মুদ্ৰা নীতিৰ বিভেদ আৰু চলিত একাউণ্টৰ ব্যৱধান বৃদ্ধিয়ে বিদায়ী বৰ্ষটোৰ দৰেই আগন্তুক বৰ্ষৰ প্ৰথমভাগতো টকাৰ মূল্য হ্ৰাস পোৱাটো প্ৰায় নিশ্চিত কৰি তুলিছে।' বিশেষজ্ঞসকলে মুদ্ৰাৰ দাম হ্ৰাস পোৱা বিষয়টোক সচৰাচৰ দুয়োফালে ধাৰ থকা তৰোৱালৰ স'তে তুলনা কৰি আহিছে। মুদ্ৰাৰ অৱমূল্যায়নৰ ফলত দেশ এখনৰ অৰ্থনীতিৰ বিকাশৰ গতি লেহেমীয়া হ'ব পাৰে বুলি একাংশ বিশেষজ্ঞই দাবী কৰে যদিও অধিকাংশৰ মতে অৱমূল্যায়নৰ ফলত হ'ব পৰা ক্ষতি বৰ বেছি দীৰ্ঘস্থায়ী নহয়। কিয়নো মুদ্ৰাৰ অৱমূল্যায়নৰ ভাল আৰু বেয়া দুটা দিশ থাকে। মুদ্ৰাৰ দাম হ্ৰাস পালে এফালে যদি ৰপ্তানি বৃদ্ধি হয় আনফালে আকৌ আমদানি ব্যয় বাঢ়ি যায়। বিদায়ী বৰ্ষটোতো টকাৰ অৱমূল্যায়নৰ পাছত কৰ'নাৰ ফলত প্ৰায় স্তিমিত হৈ পৰা ৰপ্তানি পুনৰ স্বাভাৱিক হ'বলৈ ধৰা পৰিলক্ষিত হৈছে। ই নিশ্চিতভাৱে অৰ্থনীতিৰ পক্ষে ইতিবাচক আৰু আশাব্যঞ্জক খবৰ। কিন্তু তাৰ সমান্তৰালভাৱে বিদেশৰ পৰা ক্ৰয় কৰিবলগীয়া হোৱা বিভিন্ন পণ্যৰ আমদানি খৰচো বৃদ্ধি কৰিছে এই অৱমূল্যায়নে। কোৱাণ্টআৰ্ট মাৰ্কেট ছলুউছন নামৰ সংস্থাটোৰ স'তে জড়িত বিশেষজ্ঞসকলৰ মতে, আগন্তুক ২০২২ৰ মাৰ্চৰ শেহপৰ্যন্ত প্ৰতি আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্য হ'বগৈ ৭৮ টকা। য'ত নেকি ২০২০ৰ এপ্ৰিলত এই মূল্য আছিল ৭৬.৯০৮৮টকা। আনহাতে, ব্লুমবাৰ্গৰ মতে, মাৰ্চৰ শেষলৈ প্ৰতি আমেৰিকান ডলাৰ কিনিবলৈ ভাৰতে খৰচ কৰিব লাগিব ৭৬.৫০টকা। উল্লেখ্য যে কেৱল ২০২১ বৰ্ষ বুলিয়েই নহয়, বিগত চাৰি বছৰ ধৰি একেৰাহে ভাৰতীয় টকাৰ অবমূল্যায়ন ঘটিছে। এই বছৰ টকাৰ এই অবমূল্যায়নৰ হাৰ ৪ শতাংশ পৰ্যন্ত হ্ৰাস পাব বুলি দাবী কৰিছে বিশেষজ্ঞ মহলে। ইফালে ভাৰতীয় বজাৰৰ পৰা বৃহৎ পৰিমাণৰ বিদেশী পুঁজিৰ বহি:প্ৰৱাহ ঘটাৰ ফলত বিদায়ী বৰ্ষটোত ব'ম্বে ষ্টক এক্সচেঞ্জৰ ছেনছেক্স সূচকাংকৰ ১০ শতাংশ পতন দেখিবলৈ পোৱা গৈছে। আমি যদি সমাপ্তিৰ দুৱাৰ-ডলিত উপস্থিত হোৱা ২০২১বৰ্ষটোলৈ উভতি চাওঁ, তেন্তে দেখা পাম, বছৰটোত সৰ্বাধিক চৰ্চিত বিষয়টোৱেই আছিল মুদ্ৰাস্ফীতি। এই মূল্যবৃদ্ধিৰ বাবে কোনোবাখিনিত মুদ্ৰাৰ অৱমূল্যায়নকো জগৰীয়া বুলি ক'ব পাৰি। কিয়নো গোটেই বছৰজুৰি




টকাৰ অৱমূল্যায়নে আমদানিকৃত মুদ্ৰাস্ফীতিৰ আশংকা বৃদ্ধি কৰাৰ লগতে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বাবে দীঘলীয়া সময়ৰ বাবে নিম্ন হাৰত সুতৰ হাৰ বজাই ৰখাটো কঠিন কৰি তুলিছে । আমদানি ব্যয় বৃদ্ধি পোৱা বাবেই ইন্ধনজাত সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে ২০২১ত সাধাৰণ মানুহৰ পকেটত প্ৰত্যক্ষ প্ৰভাৱ পেলাইছে। মন কৰিবলগীয়া, ভাৰতে দেশীয় বজাৰৰ বাবে প্ৰয়োজন হোৱা মুঠ পৰিমাণৰ ৮০ শতাংশ খাৰুৱা তেল বিদেশৰ পৰা আমদানি কৰে। বিদেশৰ পৰা সামগ্ৰী ক্ৰয় কৰিবলৈ প্ৰথমে যিহেতু টকাক ডলাৰলৈ ৰূপান্তৰিত কৰা হয়, সেয়ে ব্যয় সংকোচনৰ কোনো দিহা উলিয়াব পৰা নাই কেন্দ্ৰই। টকাৰ দুৰ্বলতাই পেট্ৰ'ল, ডিজেল আৰু অন্যান্য পেট্ৰ'লিয়ামজাত সামগ্ৰী ব্যয়বহুল কৰি তুলিছে, যি পোনপটীয়াকৈ সাধাৰণ গ্ৰাহকৰ পকেটক প্ৰভাৱিত কৰিছে।

প্ৰসংগক্ৰমে উনুকিয়াব পাৰি, কৰ'না মহামাৰীৰ দ্বিতীয় ঢৌৰ প্ৰভাৱৰ পৰা সামান্য মুক্ত হোৱাৰ পাছতে বিশ্বব্যাপী অৰ্থনীতিৰ পুনৰুদ্ধাৰ প্ৰক্ৰিয়া যি ধৰণে গতি লৈছে তাৰ লগে লগে জীৱাশ্মজাত ইন্ধন খাৰুৱা তেলৰ মূল্যও বৃদ্ধি পাইছে। ২০১৮ ৰ পাছত বিদায়ৰ মুহূৰ্তত উপস্থিত হোৱা ২০২১ বৰ্ষটোতে সৰ্বাধিক হৈছে খাৰুৱা তেলৰ মূল্য। ভাৰতৰ পেট্ৰ'লিয়াম মন্ত্ৰণালয়ে বাৰম্বাৰ আশ্বাস দি কৈছে যে বজাৰত খাৰুৱা তেলৰ যোগান বৃদ্ধি কৰিবলৈ আৰু এছিয়াৰ দেশসমূহৰ বাবে তেলৰ বিক্ৰী মূল্য হ্ৰাস কৰিবলৈ মুখ্য তেল ৰপ্তানিকাৰী দেশসমূহৰ স'তে কথা পাতি থকা হৈছে। কিন্তু এই পৰ্যন্ত তাৰ একো ফলাফল পাব পৰা নাই কেন্দ্ৰই। উল্লেখ্য যে, বিগত এটা বছৰত খাৰুৱা তেলৰ মূল্য প্ৰায় দুগুণ বাঢ়িছে ভাৰতীয় বজাৰত। ইন্ধনজাত সামগ্ৰীৰ এনে অস্বাভাৱিক মূল্যবৃদ্ধিৰ বাবে অবশ্যে কেৱল টকাৰ মূল্য হ্ৰাসকে জগৰীয়া কৰিব নোৱাৰি। ইয়াৰ কাৰণ বিশ্লেষণ কৰিবলৈ গ'লে উভতি চাব লাগিব ২০২০ৰ কৰ'না পৰিস্থিতিকো। কৰ'না মহামাৰীৰ ফলত ২০২০ত বিশ্বজুৰি ভ্ৰমণ নিষিদ্ধ কৰা হৈছিল। ফলস্বৰূপে, সেই বছৰ খাৰুৱা তেলৰ বিক্ৰী যথেষ্ট হ্ৰাস পাইছিল। এনে পৰিপ্ৰেক্ষিতত অ'পেক দেশবোৰে খাৰুৱা তেলৰ উত্তোলন আৰু সৰবৰাহ বৃহৎ পৰিমাণে হ্ৰাস কৰিবলৈ বাধ্য হৈছিল। কিন্তু কৰ'না পৰিস্থিতি নিয়ন্ত্ৰণলৈ অহাত আৰু তেলৰ চাহিদা পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাৰ পাছত যি দ্ৰুততাৰে উৎপাদন বৃদ্ধি কৰিব লাগিছিল, তাকে কৰাত অসফল হৈছে অ'পেক। শেহতীয়াকৈ নৱেম্বৰত অনুষ্ঠিত হৈ যোৱা এক বৈঠকতো আনকি অ'পেক ৰাষ্ট্ৰসমূহে খাৰুৱা তেলৰ যোগান প্ৰতিদিনে মাত্ৰ চাৰি লাখ বেৰেল বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। অ'পেক দেশৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰাও খাৰুৱা তেলৰ যোগান হ্ৰাস কৰা হৈছে। ফলস্বৰূপে বিশ্বব্যাপী অপৰিশোধিত তেলৰ দাম বৃদ্ধি পাইছে। ইফালে টকাৰ অৱমূল্যায়ন আৰু অপৰিশোধিত তেলৰ দাম বৃদ্ধিৰ সমান্তৰালভাৱে ভাৰতত ইন্ধনৰ মূল্যই অভিলেখ সৃষ্টি কৰাৰ আঁৰত বৃহৎ ভূমিকা আছে শুল্ক বৃদ্ধিৰো। যোৱা বছৰেই কেন্দ্ৰীয় চৰকাৰে প্ৰতি লিটাৰ পেট্ৰ'লত ১৩ টকা আৰু প্ৰতি লিটাৰ ডিজেলত ১৬ টকাকৈ শুল্ক বৃদ্ধি কৰিছিল। মহামাৰীৰ পাছত অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ গতি বৃদ্ধি কৰাৰ উদ্দেশ্যে চৰকাৰে এই সিদ্ধান্ত ল'বলৈ বাধ্য হৈছিল। বৰ্তমানে ভাৰতৰ বেছিভাগ ৰাজ্যৰ পেট্ৰ'ল পাম্পত চলি থকা ইন্ধনৰ মূল্যৰ প্ৰায় ৫০ শতাংশ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কোষাগাৰলৈ যায়। ইতিমধ্যে দেশৰ বহুকেইখন ৰাজ্যৰ চৰকাৰে ইন্ধনৰ মূল্য হ্ৰাস কৰিবলৈ শুল্ক হ্ৰাস কৰিছে যদিও কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে এতিয়াই শুল্ক হ্ৰাস কৰাৰ কথা বিবেচনা নকৰে বুলি স্পষ্ট ইংগিত দিছে। বৰ্তমানে চলি থকা দৰিদ্ৰ লোকসকলৰ বাবে বিনামূলীয়া ৰেছন যোগান, ৰাষ্ট্ৰীয় ক'ভিড-১৯ টিকাকৰণ কাৰ্যসূচীকে ধৰি বিভিন্ন প্ৰকল্পৰ বাবে পুঁজি যোগান ধৰাৰ অজুহাত দেখুৱাই খাৰুৱা তেলৰ ওপৰত আৰোপ কৰা শুল্ক হ্ৰাস কৰা সম্ভৱ নহয় বুলি ঘোষণা কৰিছে মন্ত্ৰণালয়ে। ফলস্বৰূপে বিদায়ী বছৰটোৰ বাকী থকা দিনকেইটাতো বাদেই, তাৰ পাছতো খুব সহজে ভাৰতত পেট্ৰ'ল আৰু ডিজেলৰ মূল্য হ্ৰাস পোৱাৰ সম্ভাৱনা নাই। কেৱল ইন্ধনৰ দাম বঢ়া বুলিয়েই নহয়, ক'বলৈ গ'লে ২০২১ বৰ্ষটো আছিল সাধাৰণ উপভোক্তাক মূল্যবৃদ্ধিয়ে কোঙা কৰা এটা বছৰ। এফালে যদি বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ জুই-ছাই দাম আনফালে আকৌ ভূতৰ ওপৰত দানহ পৰা দি নতুন বছৰৰ পৰা কাপোৰৰ দামত জিএছটি বৃদ্ধিক লৈ কেন্দ্ৰৰ সদম্ভ ঘোষণা। ভাৰতত এতিয়া পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ ১৮ শতাংশৰো ওপৰত। ইয়াৰ বিপৰীতে, যোৱা বছৰৰ তুলনাত এই বছৰ দেশত নিবনুৱাৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। নিবনুৱাৰ হাৰ প্ৰায় ১০.৪৮ শতাংশ বৃদ্ধি পাইছে ২০২১ত। দেশৰ অৰ্থনীতিবিদসকলে ভাৰতত মুদ্ৰাস্ফীতি আৰু নিবনুৱাৰ হাৰ বৃদ্ধি হোৱাক লৈ আশংকা প্ৰকাশ কৰি কেন্দ্ৰৰ ত্ৰুটিপূৰ্ণ মুদ্ৰা নীতিৰ বাবে দেশৰ বিত্তীয় পৰিস্থিতিৰ এনেদৰে অৱনতি ঘটিছে বুলি মুকলিকৈ সমালোচনা কৰা দেখা গৈছে। এনে পৰিস্থিতিত, ভাৰতীয় বজাৰত অনাগত দিনত মুদ্ৰাস্ফীতি আৰু অধিক বৃদ্ধি পাব বুলি সহজেই অনুমান কৰিব পাৰি।

# ৰিয়েল ইষ্টেট খণ্ডৰ দ্ৰুত পুনৰুদ্ধাৰ ২০২১ বৰ্ষত

**বিগত** প্ৰায় দুটা বছৰ ধৰি গোলকীয় মহামাৰী কৰ'নাই মানুহৰ জীৱন আৰু জীৱিকাৰ ওপৰত এক অবাঞ্ছিত প্ৰভাৱ পেলাইছে। যিদৰে কৰ'নাৰ সন্ত্ৰাসে বিশ্বস্বাস্থ্য প্ৰণালীক বিচলিত কৰিছে, অতিমাৰীৰ পাছত বিভিন্ন দেশৰ অৰ্থনীতিয়ে ইয়াৰ গতি আৰু ধাৰাবাহিকতা হেৰুৱাইছে। আন বহু দেশৰ দৰে ভাৰতীয় অৰ্থব্যৱস্থাও অনিশ্চিত আৰু ভঙ্গুৰ হৈ পৰিছে। ২০২০ৰ আঠ মাৰ্চত দেশত প্ৰথমজন কৰ'না ৰোগী চিনাক্ত কৰাৰ পাছত চৰকাৰে ৰোগটোৰ তাৎক্ষণিক সংক্ৰমণ বিয়পা প্ৰতিহত কৰিবলৈ সেই বছৰৰ ২৬ মাৰ্চৰ পৰা তলাবন্ধ ঘোষণা কৰিছিল। যাৰ ফলস্বৰূপে উৎপাদন উদ্যোগ, আমদানি-ৰপ্তানি সকলো ব্যাহত হৈ পৰিছিল আৰু লাখ লাখ মানুহে চাকৰি হেৰুৱাইছিল। দেশৰ অৰ্থনীতিত অন্যতম গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা ৰিয়েল ইষ্টেট খণ্ডও প্ৰায় স্থবিৰ হৈ পৰিছিল ২০২০ত। কিন্তু ক'ভিড মহামাৰীৰ ফলত প্ৰায় নিস্তেজ হৈ পৰা দেশৰ এই ৰিয়েল ইষ্টেট খণ্ডটোৰ দ্ৰুত পুনৰুদ্ধাৰ দেখা গৈছে ২০২১ত। যি সময়ত চাহিদা হ্ৰাস আৰু তাৰল্যৰ হেঁচাৰ বাবে আৱাসিক খণ্ডৰ বিক্ৰীত হ্ৰস্বৰ পৰা মধ্যকালীন মন্দাৱস্থাৰ সৃষ্টি কৰিব পাৰে বুলি বিশেষজ্ঞসকলে আশংকা ব্যক্ত কৰিছিল, তাৰ বিপৰীতে ভাৰতৰ ৰিয়েল ইষ্টেট খণ্ডই ২০২১ত এক তড়িত পুনৰুদ্ধাৰ পঞ্জীয়ন কৰি পুনৰ ন ৰূপত ঠন ধৰি উঠা পৰিলক্ষিত হৈছে।

কৰ'নাৰ প্ৰথম ঢৌৰ সময়ত অৰ্থাৎ ২০২০ বৰ্ষটো সকলোৰে বাবে এটা প্ৰত্যাহ্বানপূৰ্ণ বছৰ আছিল আৰু ৰিয়েল ইষ্টেট খণ্ডটোও ইয়াৰ ব্যতিক্ৰম নাছিল। সেই বছৰ মানুহে নিজ নিজ সঞ্চয়ৰ বেছিভাগ স্বাস্থ্য বীমা আৰু জীৱন-যাপনৰ নামতে ব্যয় কৰিছিল। নতুন আৱাসিক সম্পত্তিৰ নামত বিনিয়োগ কৰাটো আছিল সপোনৰো অগোচৰ। এনে স্থলত আৱাসিক সম্পত্তিৰ বজাৰখনৰ প্ৰতি ক্ৰেতাৰ দৃষ্টি আকৰ্ষণ কৰাটো কোনোপধ্যেই সহজ নাছিল ডেভেলপাৰসকলৰ বাবে। ২০২০ আৰু ২০২১ ত ক'ভিডৰ দুয়োটা ঢৌৱে সমগ্ৰ ভাৰতক আৱৰি ধৰাৰ পাছত, দেশখনত এনে কোনো এটা ব্যৱসায়িক খণ্ড নাই, যি সংক্ৰমণৰ সন্ত্ৰাস আৰু আৰ্থিক ক্ষতিৰ পৰা মুক্ত হ'ব পাৰিছে । কিন্তু ২০২১ত সময় অতিবাহিত হোৱাৰ লগে লগে, এই সকলোবোৰ প্ৰত্যাহ্বান নেওচি ৰিয়েল ইষ্টেট খণ্ডই লাহে লাহে পূৰ্বৰ পৰাক্ৰম লাভ কৰে।

বিশেষজ্ঞসকলে অনুভৱ কৰে যে আগন্তুক ২০২২ বৰ্ষতো ৰিয়েল ইষ্টেট খণ্ডই শক্তিশালী চাহিদা আকৰ্ষিত কৰিব আৰু দেশৰ এই আৱাসিক খণ্ডটোৱে প্ৰায় পাঁচ শতাংশ মূলধনী মূল্যৰ বৃদ্ধি দেখিবলৈ সক্ষম হ'ব। বিশেষজ্ঞসকলে লগতে এই বুলিও পূৰ্বানুমান কৰিছে যে, বাণিজ্যিক ৰিয়েল ইষ্টেট বজাৰত আগন্তুক সময়ত আৰু অধিক চাহিদা বিকাশ হোৱাৰ সম্ভাৱনা আছে। নাইট ফ্ৰেংক ইণ্ডিয়া নামৰ আগশাৰীৰ আন্তৰ্জাতিক সম্পত্তি পৰামৰ্শদাতা সংস্থাটোৰ অধ্যক্ষ তথা পৰিচালনা সঞ্চালক শিশিৰ বৈজালে কয়, 'মহামাৰী হোৱা সত্ত্বেও ৰিয়েল ইষ্টেট খণ্ডই বিদায়ী বছৰটোত এক চমক লগা প্ৰদৰ্শন কৰিছে আৰু আন বহু ব্যৱসায়িক খণ্ডতকৈ দ্ৰুত বিকাশ লাভ কৰিছে । মহামাৰীৰ ফলত হোৱা ব্যাঘাত সম্প্ৰতি ভালেখিনি হ্ৰাস পাইছে আৰু ৰিয়েল ইষ্টেট বজাৰে পৰৱৰ্তী দুইৰ পৰা তিনিটা ত্ৰিমাসিকত ইয়াৰ স্বাভাৱিক ছন্দ ঘূৰাই পাব বুলি আশা কৰা হৈছে।' অৱশ্যে, অ'মিক্ৰনৰ দৰে কৰ'নাৰ

উভতি চাওঁ ২০২১

নতুন প্ৰকাৰবোৰৰ ভাবুকিয়ে আগন্তুক নতুন বছৰৰ আৰম্ভণিতে বৃদ্ধিত কিছু ব্যাঘাত জন্মাব পাৰে বুলি আশংকা কৰে নাইট ফ্ৰেংকৰ সঞ্চালকজনে।

বিদায়ী বছৰটো ৰিয়েল ইষ্টেট উদ্যোগৰ বিজয় বছৰ আছিল বুলিয়ে ক'ব পাৰি। কিয়নো ভাৰতৰ ৰিয়েল ইষ্টেট বজাৰত সম্পত্তিৰ পঞ্জীয়নৰ সংখ্যাই বছৰটোত এক নতুন শিখৰত উপনীত হৈছে। সম্পত্তি বিক্ৰীৰ হাৰে চলিত কেলেণ্ডাৰ বৰ্ষত ২০২০ ৰ স্তৰ অতিক্ৰম কৰিছে। বজাৰ বিশেষজ্ঞসকলৰ মতে, ভাৰতৰ ৰিয়েল ইষ্টেট ব্যৱসায়ৰ এক উজ্জ্বল ভৱিষ্যৎ আছে। উৎসৱৰ বতৰত বিক্ৰী বৃদ্ধি হোৱা, ভাৰতীয় অৰ্থনীতিৰ পুনৰুদ্ধাৰ, সম্ভাৱনাপূৰ্ণ চাকৰিৰ বজাৰ আদিয়ে চলিত বছৰত ঘৰ-ফ্লেট আদিৰ চাহিদা বৃদ্ধিত সহায় কৰিছে যদিও এইক্ষেত্ৰত আটাইতকৈ বেছি অৰিহণা যোগাইছে গৃহ ঋণৰ নিম্ন সুতৰ হাৰে । আনহাতে, যোৱা এটা দশকত মূল্যাংকন কৰা যোগান আৰু চাহিদা বৃদ্ধি কৰিব পৰা কে'বাটাও কাৰকে আৱাসিক সম্পত্তিৰ মূল্যৰ ওপৰত উৰ্ধমুখী চাপ সৃষ্টি কৰা আৰম্ভ কৰিছে। ফলত ২০২১ৰ দৰেই ফ্লেট এপাৰ্টমেন্ট আদিৰ বিক্ৰীৰ গতি ২০২২তো অব্যাহত থাকিব বুলি আশা কৰা হৈছে । তদুপৰি আৱাসিক খণ্ডত প্ৰাক ক'ভিদ কালৰ চাহিদা বিভিন্ন চৰকাৰী পদক্ষেপ আৰু ডেভেলপাৰৰ উদগনিৰ ফলতো পুনৰ ঘূৰি আহিব বুলি অনুমান কৰা হৈছে। যিহেতু অধিক সংখ্যক সংস্থাই কৰ্মচাৰীসকলক কাৰ্যালয়লৈ ঘূৰাই আনিছে, বাণিজ্যিক কাৰ্যালয়ৰ স্থানৰ চাহিদাও ক্ৰমান্বয়ে বৃদ্ধি পাব বুলি আশা কৰিব পাৰি।

মহামাৰীৰ প্ৰত্যাহ্বান থকা সত্ত্বেও, ৰিয়েল ইষ্টেট খণ্ডই ২০২১ ত যিদৰে এক শক্তিশালী প্ৰত্যাৱৰ্তন কৰিছে তাৰ কাৰণ ব্যাখ্যা কৰিবলৈ গ'লে বিশেষভাৱে উল্লেখ কৰিব লাগিব ষ্টাম্প শুল্কৰ হাৰ হ্ৰাস আৰু নিম্ন হাৰৰ গৃহ ঋণৰ কথা।



সমান্তৰালভাৱে ডেভেলপাৰসকলে ক্ৰেতাক আকৃষ্ট কৰিবলৈ আগবঢ়োৱা বিভিন্ন ফ্ৰীবীজ তথা ৰেহাইৰ দৰে পদক্ষেপেও আৱাসিক সম্পত্তিৰ বৰ্ধিত চাহিদাত প্ৰয়োজনীয় অনুঘটক হিচাপে কাম কৰিছে। একে সময়তে, প্ৰতিটো ভাৰতীয় পৰিয়ালৰ বাবে নিজৰ ঘৰৰ মালিকী স্বত্বৰ প্ৰয়োজনীয়তাই সৰ্বাধিক গুৰুত্ব পাইছে ২০২১ত। বজাৰ বিশেষজ্ঞসকলৰ একাংশৰ মতে, কৰ'নাই ৰিয়েল ইষ্টেটৰ বজাৰখনক পৰোক্ষভাৱে লাভান্বিত কৰিছে বিদায়ী বছৰটোক। কিয়নো কৰ'নাই শংকিত কৰি ৰখা গ্ৰাহকে প্ৰথমাৱস্থাত নিজৰ সাঁচতীয়া টকাকেইটা স্বাস্থ্যবীমা আৰু চিকিৎসাজনিত খৰচত বাদে আন একোতে খৰচ কৰিব বিচৰা নাছিল যদিও পাছলৈ গ্ৰাহকৰ এই ধাৰণা সলনি হৈছে। মহামাৰীৰ দিনত সুৰক্ষিত আৰু নিৰাপদ আশ্ৰয়ৰ বাবে নিজাকৈ ঘৰ এটা থকাটো কিমান জৰুৰী তাক এতিয়া বুজি উঠিছে সকলোৱে। সেয়েহে আৱাসিক সম্পত্তি ক্ৰয় কৰাটোক শেহতীয়াকৈ বহু ভাৰতীয়ই প্ৰাথমিকতা বুলি জ্ঞান কৰি অগ্ৰাধিকাৰ দিছে। ইয়াৰ ফলতে যোৱা এটা বছৰত দেশৰ ৰিয়েল ইষ্টেট খণ্ডত বিনিয়োগ আৰু ক্ৰয়ৰ পৰিমাণ বৃদ্ধি পোৱা বুলি মন্তব্য কৰিছে বিশেষজ্ঞ মহলে। আনহাতে, আগন্তুক ২০২২ত এই খণ্ডটোৰ প্ৰতিষ্ঠিত ডেভেলপাৰসকলৰ বাবে নতুনকৈ মুকলি কৰা সম্পত্তিৰ চাহিদা বৃদ্ধি পাব বুলিও পূৰ্বানুমান কৰা হৈছে। পূৰ্বানুমান মতে, ডেভেলপাৰৰ বাবে ব্যয় অনুকূলিত কৰাৰ বাবেও এক লাভজনক বছৰ হ'ব পাৰে ২০২২। যদিও কেঁচামালৰ ব্যয় বৃদ্ধিয়ে সম্পত্তিৰ বেছ প্ৰাইচ বা আধাৰ মূল্য বৃদ্ধি কৰিব পাৰে, ডেভেলপাৰসকলৰ আন বহুতো আকৰ্ষণীয় অফাৰে নিশ্চিতভাৱে ক্ৰেতাসকলক আকৰ্ষিত কৰিব বুলি আশা কৰা হৈছে।




# দশকটোৰ ভিতৰতে সৰ্বনিম্ন চাহিদা গাড়ীৰ বজাৰত

**ভাৰত** হৈছে উৎসৱৰ প্ৰধান দেশ। এই উৎসৱ-পাৰ্বণ আদি ধৰ্মৰ দৰেই ব্যৱসায়ৰ বাবেও যথেষ্ট গুৰুত্বপূৰ্ণ। উৎসৱৰ বতৰত ভাৰতীয়সকলৰ বিশেষ সামগ্ৰী ক্ৰয় কৰাৰ এক পৰম্পৰা আছে। মকৰ সংক্ৰান্তি, বসন্ত পঞ্চমী, হোলী, দেৱালী, ৰক্ষাবন্ধন, গণেশ চতুৰ্থী, নৱৰাত্ৰি, ধনতেৰাছ, একাদশী আদি বিভিন্ন পাৰ্বণ বা শুভ তিথিত মূল্যৱান ধাতু, বাহন, আৱাসিক সম্পত্তি আদি ক্ৰয় কৰে ভাৰতীয়সকলে। উৎসৱৰ বতৰতে সৰ্বাধিক বিক্ৰী হয় দুচকীয়া বা চাৰিচকীয়া বাহনৰো। অক্টোবৰৰ পৰা ডিচেম্বৰলৈ বছৰৰ আন সময়ৰ তুলনাত গাড়ীৰ চাহিদা আৰু বিক্ৰী বাঢ়ে বাবেই দেশৰ অট' খণ্ডই এই সময়ত বিভিন্ন উৎসৱ বিশেষ আৰু শীতকালীন অফাৰো আগবঢ়ায়। পিছে এইবাৰ গাড়ীৰ বজাৰত পূৰ্বৰ দৰে গ্ৰাহকৰ সমাগমো নাই, বিক্ৰেতাৰ উৎসাহো নাই আৰু নাই কোনো বৃহৎ অফাৰো। ভাৰতৰ গাড়ী বজাৰৰ বাবে দশকটোৰ সবাতোকৈ দেওলগা বছৰ হিচাপে পৰিগণিত হৈছে ২০২১বৰ্ষ। অট'মোবাইল উদ্যোগৰ সংগঠন ফেডাৰেছন অৱ অট'মোবাইল ডিলাৰ এছ'চিয়েছন চমুকৈ ফাডাৰ এক প্ৰতিবেদন অনুসৰি, ২০২১ৰ উৎসৱৰ বতৰত দেশীয় বজাৰত গাড়ীৰ চাহিদা বিগত এটা দশকৰ ভিতৰত সৰ্বনিম্ন আছিল। উক্ত প্ৰতিবেদনত ফাডাই উৎসৱৰ বতৰৰ মুঠ ৪২ দিনৰ তথ্য প্ৰকাশ কৰিছে। তথ্য অনুসৰি, চলিত বছৰৰ অক্টোবৰত ২০১৯ৰ একেছোৱা সময়ৰ তুলনাত গাড়ী বিক্ৰীৰ হাৰ ৫.৩৩ শতাংশ হ্ৰাস হৈছে। আনহাতে বছৰটোত সামগ্ৰিকভাৱে বিক্ৰী হাৰ ২৬.৬৪ শতাংশ হ্ৰাস পাইছে।



### বৰ্ধিত মূল্যই গাড়ীৰ বিক্ৰীক প্ৰভাৱিত কৰিছে

২০২১ৰ আৰম্ভণিৰে পৰা কৰ'না সংকটে গাড়ী নিৰ্মাণত ব্যৱহাৰ হোৱা কেঁচা সামগ্ৰীৰ যোগানক প্ৰভাৱিত কৰাৰ ফলত কোম্পানীবোৰে অত্যধিক মূল্যত সেইবোৰ সংগ্ৰহ কৰিবলগীয়াত পৰিছে। তদুপৰি তলাবন্ধ আৰু মহামাৰীজনিত বিভিন্ন অসুবিধাৰ বাবে কৰ্মচাৰীৰো অভাৱ ঘটিছে অট'খণ্ডৰ কাৰখানাসমূহত। উপায়ান্তৰ হৈ গাড়ী নিৰ্মাণ কোম্পানীবোৰে অতিৰিক্ত ব্যয়ৰ খৰচ উলিয়াবলৈ বিভিন্ন গাড়ীৰ মডেলসমূহৰ মূল্যবৃদ্ধি কৰিছে। বিপৰীতে, গ্ৰাহকসকলে কৰ'না সংকট শেষ হোৱাৰ পাছত গাড়ীৰ এনে বৰ্ধিত মূল্য পুনৰ পুৰণি স্তৰলৈ নামি আহিব বুলি ধাৰণা কৰি গাড়ী ক্ৰয়ৰ সিদ্ধান্ত সাময়িকভাৱে স্থগিত ৰাখিছে।

### স্বাস্থ্যজনিত কাৰণত সঞ্চয়ৰ ধন ব্যয় কৰা নাই মধ্যবিত্তই

২০২১ত ভাৰতীয় গ্ৰাহকসকলে নতুন গাড়ী এখন ক্ৰয় কৰাৰ পৰিৱৰ্তে দেশত ক'ভিড-১৯ৰ সংক্ৰমণৰ ভয়াৱহতালৈ লক্ষ্য ৰাখি কৰ'নাৰ ব্যয়বহুল চিকিৎসাৰ বাবে ধনৰ প্ৰয়োজন হ'লে তৎক্ষণাত খৰচ কৰিব পৰাকৈ মজুত ৰখাতহে অধিক গুৰুত্ব দিছে। বজাৰ বিশেষজ্ঞসকলৰ মতে, মধ্যবিত্ত শ্ৰেণীয়ে সচৰাচৰ বাজেট গাড়ীৰ সন্ধানত থাকে। কিন্তু এইবাৰ বাজেট আৰু সৰু মডেলৰ চাহিদাও পূৰ্বৰ স্তৰত নাই। দৰাচলতে, মধ্যবিত্ত শ্ৰেণীৰ বেছিভাগ গ্ৰাহকে স্বাস্থ্যজনিত কাৰণত সঞ্চয় কৰি ৰখা ধন অযথা ব্যয় কৰিব বিচৰা নাই। যাৰ ফলত বিদায়ী বছৰটোত সৰু বাহনৰ বিক্ৰীও আশানুৰূপ হাৰত বৃদ্ধি হোৱা নাই।

### ছেকেণ্ড হেণ্ড গাড়ীৰ বৰ্ধিত বাণিজ্য

২০২১ত পেট্ৰ'ল আৰু ডিজেলৰ অভিলেখ মূল্যবৃদ্ধিৰ বাবে বাহনৰ চাহিদা হ্ৰাস পায় ভাৰতত। বেছিভাগ ভাৰতীয়ই সম্প্ৰতি ভাল আৰু সস্তীয়া বৈদ্যুতিক বাহনৰ বাবে অপেক্ষা কৰি আছে। তদুপৰি গ্ৰাহকে নতুন বাহন ক্ৰয় কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰি ব্যৱহৃত বা

## উভতি চাওঁ ২০২১

### উৎসৱৰ বতৰতো খালে মুখ থেকেচা

ছেকেণ্ড হেণ্ড গাড়ীৰ ফালেহে ঢাল খাইছে। আনহাতে, ইন্ধনৰ মূল্যবৃদ্ধিৰ স'তে তাল মিলাব নোৱাৰি মেট্ৰ' চহৰবোৰত যাত্ৰীয়ে ৰাজহুৱা পৰিবহণকে একমাত্ৰ সাৰথি কৰি লৈছে। ইয়াৰ ফলতো নতুন গাড়ীৰ চাহিদা হ্ৰাস পাইছে বজাৰত।

### নতুনকৈ মুকলি হৈছে খুব কম সংখ্যক মডেল

বিদায়ী বৰ্ষটোত খুব কম সংখ্যক নতুন বাহন মুকলি কৰা হৈছে ভাৰতৰ গাড়ী বজাৰত। দেশৰ সৰ্ববৃহৎ গাড়ী নিৰ্মাতা মাৰুতি চুজুকীয়ে বছৰটোৰ আৰম্ভণিতে মাত্ৰ এখন ফেচলিফ্ট মডেল মুকলি কৰিছিল, য'ত নেকি মাৰুতি গাড়ীৰ চাহিদা দেশত আটাইতকৈ বেছি। বেছিভাগ কোম্পানীয়ে কৰ'নাৰ বাবে নতুন মডেল মুক্তি দিয়া নাই বাবে গোটেই বছৰজুৰি নতুন বাহনৰ অভাৱত সামগ্ৰিক বিক্ৰী প্ৰভাৱিত হৈছে।

### অৰ্ধপৰিবাহী চিপৰ অভাৱ

২০২১ত সমগ্ৰ বিশ্বতে অৰ্ধপৰিবাহী চিপৰ অভাৱৰ বাবে অট'মোবাইল খণ্ডটো মন্দাৱস্থাৰ সন্মুখীন হৈছে। চিপ উপলব্ধ নোহোৱাৰ বাবে ভাৰততো গোটেই বছৰ ধৰি গাড়ীৰ উৎপাদন প্ৰভাৱিত হৈছে। বহুতো বিদেশী কোম্পানীয়ে আনকি ভাৰতত থকা ইউনিটবোৰ বন্ধ কৰিব লগা হৈছে, যাৰ ফলত বাহন বিতৰণৰ বাবে অপেক্ষাৰ ম্যাদ যথেষ্ট বৃদ্ধি পাইছে। ডেলিভাৰীত পলম হোৱাৰ বাবে গ্ৰাহকসকলে বুকিং বাতিল কৰিছে আৰু ইয়াৰ ফলতো বিক্ৰীৰ পৰিসংখ্যাত বিৰূপ প্ৰভাৱ পৰিছে।

### সকলো প্ৰকাৰৰ বাহনৰ বিক্ৰী প্ৰভাৱিত

এক্সিছ ছিকিউৰিটিজ প্ৰতিবেদন অনুসৰি, চলিত বছৰৰ নৱেম্বৰত দেশৰ অট'মোবাইল খণ্ডত যাত্ৰীবাহী বাহনৰ পাইকাৰী বিক্ৰী বাৰ্ষিক প্ৰায় ১৫ শতাংশ পৰ্যন্ত হ্ৰাস পাইছে। সমান্তৰালভাৱে দুচকীয়া বাহনৰো চাহিদা দুৰ্বল হৈছে বছৰটোত। বিগত বছৰৰ তুলনাত ২০২১ত ৩০-৩২ শতাংশ হ্ৰাস পাইছে দুচকীয়াৰ বিক্ৰী। আনহাতে, ট্ৰেক্টৰ বিক্ৰীৰ হাৰো বাৰ্ষিক ভিত্তিত প্ৰায় ২০ শতাংশ আৰু বাণিজ্যিক বাহনৰ বিক্ৰী প্ৰায় ৩ শতাংশ হ্ৰাস পাইছে।

### এমাহতে বৃহৎ পতন

ফেডাৰেছন অৱ অট'মোবাইল ডিলাৰ এছ'চিয়েছনৰ চমুকৈ ফাডাৰ প্ৰতিবেদন অনুসৰি, বিদায়ী বছৰটোৰ এপ্ৰিলত মাত্ৰ ১১,৮৫,৩৭৪ খন বাহন পঞ্জীয়ন কৰা হয়। য'ত নেকি মাৰ্চত এই সংখ্যা আছিল ১৬,৪৯,৬৭৮খন । অৰ্থাৎ এমাহৰ ভিতৰতে বাহনৰ বিক্ৰী ২৮.১ শতাংশ হ্ৰাস পায়। কৰ'নাৰ ফলত বেছিভাগ ৰাজ্যতে তলাবন্ধ আৰোপ কৰাৰ বাবে বাহনৰ বিক্ৰী ইমান বৃহৎ হাৰত হ্ৰাস পোৱা বুলি কোৱা হৈছে প্ৰতিবেদনত।

# শ্বেয়াৰ বজাৰত সূচকৰ দৌৰ



২০২১বৰ্ষটো কেৱল ভাৰতীয় শ্বেয়াৰ বজাৰৰ বাবেই নহয় বিশ্ববজাৰৰ বাবেও আছিল এটা অতি গুৰুত্বপূৰ্ণ বছৰ। ২০২০ ৰ মাৰ্চত কৰ'নাই পোনপ্ৰথমবাৰৰ বাবে ভাৰতক সংক্ৰমিত কৰাৰ পাছৰে পৰা ঘৰুৱা বজাৰত একেৰাহে অস্থিৰতাই বিৰাজ কৰিছে। ২০২১তো কৰ'না মহামাৰীৰ দ্বিতীয় ঢৌৱে ঘৰুৱা বজাৰত এক আলোড়নৰ সৃষ্টি কৰে যদিও শ্বেয়াৰ বজাৰৰ বিনিয়োগকাৰীসকলে বিদায়ী বছৰটোত যথেষ্ট মুনাফা আদায় কৰিবলৈ সক্ষম হয়। বছৰৰ প্ৰথম দিনটোত ব'ম্বে ষ্টক এক্সচেঞ্জৰ (বিএছই)। ছেনছেক্স সূচকে ৪৭,৮৬৮.৯৮ৰ ঘৰ স্পৰ্শ কৰাৰ বিপৰীতে নেচনেল ষ্টক এক্সচেঞ্জৰ (এনএছই)। নিফ্টী সূচকে গৈ ১৪,৮৬৮.৫০ত অৱস্থান কৰে । বছৰটোৰ অন্তিমটো মাহত, অৰ্থাৎ চলিত মাহৰ শ্বেয়াৰ বজাৰৰ পৰিসংখ্যা চালে, বিগত জানুৱাৰীৰ তুলনাত বিএছইৰ সূচক ছেনছেক্সৰ যথেষ্ট উত্থান হোৱা দেখা যায়। বৰ্তমানে এই সূচক অৱস্থান কৰিছে ৫৮,৮০০ ৰ ওচৰে-পাঁজৰে। আনহাতে, নিফ্টীৰো অৱস্থান

উভতি চাওঁ ২০২১

পূৰ্বতকৈ উন্নত বুলি ক'ব পাৰি। যোৱা জানুৱাৰীৰ ১৪,৮৬৮.৫০ৰ বিপৰীতে চলিত মাহত এই সূচকে ১৭,৫৫০ ৰ ওচৰে-পাঁজৰে ব্যৱসায় কৰি আছে। ভাৰতীয় শ্বেয়াৰ বজাৰৰ শেহতীয়া পৰিসংখ্যা অনুসৰি, বিদায়ী বৰ্ষটোত এতিয়ালৈকে ৭৬ লাখ কোটি টকা বিনিয়োগকাৰীৰ মোনাত জমা হৈছে। ২০২০ ৰ তুলনাত এই পৰিমাণ প্ৰায় ৪০ শতাংশ বৃদ্ধি পাইছে।

### ছেনছেক্স আৰু নিফ্টীৰ বৃদ্ধি

ব'ম্বে ষ্টক এক্সচেঞ্জৰ মুখ্য সূচক ছেনছেক্সত এই বছৰ ২২ শতাংশ বৃদ্ধি হৈছে। ছেনছেক্স সূচকে বছৰটোত মুঠ ১০,০০০ পইণ্ট অৰ্জন কৰিছে। যোৱা ১৯ ডিচেম্বৰত এই সূচকে সৰ্বকালৰ সৰ্বোচ্চ উচ্চতা স্পৰ্শ কৰি ৬২,২৪৫ পইণ্টত উপনীত হৈছিল। আনহাতে, নেচনেল ষ্টক এক্সচেঞ্জৰ নিফ্টীয়ে ৩,২০০ তকৈও অধিক পইণ্ট লাভ কৰিছে বছৰটোত। অৰ্থাৎ ২০২১ত নিফ্টীৰ উত্থান হৈছে ২৪ শতাংশ ।

### বিনিয়োগকাৰীক কোনটো কোম্পানীয়ে দিছে কিমান ৰিটাৰ্ণ

২০২১ত ভাৰতীয় ষ্টেট বেংকে শীৰ্ষ ১০টা কোম্পানীৰ ভিতৰত সৰ্বাধিক ৰিটাৰ্ণ দিছে বিনিয়োগকাৰীক। বছৰটোত এছবিআইৰ ৰিটাৰ্ণৰ হাৰ আছিল ৭৬ শতাংশ । একেদৰে আইচিআইচিআই বেংক, ইনফোচিছ আৰু ভাৰতী এয়াৰটেলে ক্ৰমে ৪০.৭৩ শতাংশ, ৩৮ শতাংশ আৰু ৩৭ শতাংশ ৰিটাৰ্ণ দিছে। আনহাতে, অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ এই বিশেষ বৰ্ষটোত, এফএমচিজি কোম্পানী হিন্দুস্তান ইউনিলিভাৰে তিনি তাংশৰ ঋণাত্মক ৰিটাৰ্ণ ঘূৰাই দিছে। উল্লেখ্য যে দেশৰ সৰ্ববৃহৎ কোম্পানী ৰিলায়েন্স ইণ্ডাষ্ট্ৰীয়ে ২০২১ত ২০ শতাংশ ঘূৰাই দিছে বিনিয়োগকাৰীক।

### এইকেইটা কোম্পানীৰ বজাৰ মূলধন সৰ্বাধিক বৃদ্ধি

বছৰটোত শীৰ্ষ কোম্পানীবোৰৰ ভিতৰত ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ বজাৰ মূলধন সৰ্বাধিক বৃদ্ধি পাইছে । এবছৰত আৰআইএলৰ বজাৰ মূলধন ২.৬২ লাখ কোটি টকা বৃদ্ধি পাইছে। আনহাতে, টাটা কনছালটেন্সী ছাৰ্ভিচেজ (টিচিএছ) আৰু ইনফোচিছৰ বজাৰ মূলধন ক্ৰমে ২.৫৮ লাখ কোটি টকা আৰু দুই লাখ কোটি টকাকৈ বৃদ্ধি পাইছে। একেদৰে এছবিআইৰ ১.৮৭ লাখ কোটি টকা আৰু আইচিআইচিআইৰ ১.৫১ লাখ কোটি টকা বৃদ্ধি পাইছে। বিপৰীতে, হিন্দুস্তান ইউনিলিভাৰৰ বজাৰ মূলধন ১৬,৬০০ কোটি টকা হ্ৰাস পাইছে বছৰটোত।



## ■ ৭৬ লাখ কোটি টকাৰ মুনাফা বিনিয়োগকাৰীৰ ■ এই বছৰ ৫৮ টা কোম্পানীৰ নতুন শ্বেয়াৰ তালিকাভুক্ত হ'ল বজাৰত

### আইপিঅ'ৰ বাবে বিশেষ বছৰ আছিল ২০২১

২০২১ বৰ্ষটোক আইপিঅ'ৰ বছৰ বুলি বিশেষভাৱে অভিহিত কৰিছে শ্বেয়াৰ বজাৰৰ বিশেষজ্ঞসকলে। এতিয়ালৈকে মুঠ ৫৮ টা কোম্পানীৰ আইপিঅ' (ইনিছিয়েল পাব্লিক অফাৰিং)বা নতুন শ্বেয়াৰ বজাৰত তালিকাভুক্ত কৰা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে, তালিকাভুক্ত শ্বেয়াৰৰ প্ৰায় ৬৫ শতাংশয়ে বিনিয়োগকাৰীসকলক ইতিবাচক লাভ প্ৰদান কৰিছে। ইয়াৰ ভিতৰত, ১৫টা এনে শ্বেয়াৰো আছে যি বিনিয়োগকাৰীক ১০০ শতাংশ বা ততোধিক ৰিটাৰ্ণ প্ৰদান কৰিছে। বছৰটোৰ সৰ্বাধিক চৰ্চিত আইপিঅ'সমূহ আছিল পেটিএম, মেট্ৰ' ব্ৰেণ্ড, ষ্টাৰ হেল্থ , নাইকা, জোমাটো, এমটিএআৰ টেক আৰু পাৰস ডিফেন্স।

গ্ৰন্থৰ এক স্বকীয় মাদকতা ভৰা সুবাস আছে। ডিজিটেল যুগতো গ্ৰন্থপ্ৰেমীৰ মন-মগজুত ইয়াৰ স্পৰ্শই এক ভিন্ন অনুভূতিৰ সৃষ্টি কৰে। গ্ৰন্থৰ বতৰা লৈ প্ৰতি বছৰে আহে গ্ৰন্থমেলা। এই গ্ৰন্থমেলাসমূহে প্ৰকৃতাৰ্থত গ্ৰন্থৰ প্ৰতি মানুহৰ আকৰ্ষণ বৃদ্ধি কৰেনে? গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধিত গ্ৰন্থমেলাৰ ভূমিকা কি? এই সম্পৰ্কীয় আজিৰ প্ৰতিবেদন—

*শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত—নয়ন কুমাৰ শৰ্মা, অৰূপ কলিতা*

# গ্ৰন্থমেলাই গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি কৰেনে?

## গ্ৰন্থমেলাত বৃদ্ধি পায় গ্ৰন্থৰ জনপ্ৰিয়তা



■ **অনন্ত হাজৰিকা**, প্ৰকাশক, বনলতা

**বছৰৰ** নৱেম্বৰ আৰু ডিচেম্বৰ মাহ দুটা গ্ৰন্থ উৎসৱৰ সময়। প্ৰতিবছৰে নৱেম্বৰৰ পৰাই আৰম্ভ হয় গ্ৰন্থমেলাসমূহ। ব্যস্ত হৈ পৰে বিভিন্ন গ্ৰন্থ প্ৰকাশন। সমানে ব্যস্ততা নতুন নতুন লেখক-সাহিত্যিকৰ। পাঠকো হেঁপাহেৰে বৈ থাকে নিজা প্ৰিয় বিষয়ৰ কিতাপ, প্ৰিয় লেখকৰ কিতাপ অথবা প্ৰিয় ব্যক্তিৰ নতুন কিতাপ এখন সংগ্ৰহ কৰিবলৈ। আগৰ দিনত কেৱল বাতৰি কাকতত‍ে কিতাপ এখনৰ বিজ্ঞাপন দেখা পাই পাঠকে গ্ৰন্থমেলাত ক্ৰয় কৰিবলৈ নামটো টুকি ৰাখে। আজি কালি হাতত‍ে পৃথিৱীখন। ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম আদি সামাজিক মাধ্যমৰ যোগেও প্ৰকাশ পাবলগীয়া গ্ৰন্থৰ বিষয়ে আজি-কালি বিভিন্নজনে প্ৰকাশ কৰে। একোখন গ্ৰন্থমেলাত সমাগম ঘটে গ্ৰন্থৰ অনুৰাগী, লেখক-প্ৰকাশকৰ। গ্ৰন্থমেলা এখনে গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি নিশ্চয় কৰে। পছন্দৰ কিতাপ সংগ্ৰহ কৰিবলৈ ভিৰ হয় গ্ৰন্থমেলাত। গ্ৰন্থ উৎসৱ বা গ্ৰন্থমেলা হৈছে লিখক, প্ৰকাশক আৰু পাঠকৰ মিলনভূমি। বিভিন্ন লোকৰ মাজত কিতাপকে ধৰি বিষয়বস্তু আদিৰ আলোচনা হয়। কোনো লেখক কবিৰ কিতাপ পঢ়ি অনুপ্ৰাণিত হোৱা পাঠক এগৰাকী বৈ থাকে গ্ৰন্থমেলালৈ। গ্ৰন্থমেলাতে প্ৰিয় সাহিত্যিক গৰাকীক লগ পাবলৈ অত্যন্ত হেঁপাহেৰে পাঠক এজন অপেক্ষা কৰি ৰয়। মনকৰিবলগীয়া যে প্ৰকাশক গোষ্ঠীসমূহ পাঠক আৰু লিখকৰ সংযোগ সূত্ৰ হিচাপে সহায়ক হৈ আহিছে।

গ্ৰন্থমেলাত কিতাপসমূহ সজাই থোৱা থাকে। বজাৰৰ কিতাপৰ দোকানত এই ব্যৱস্থা নাথাকে। গ্ৰন্থমেলাৰ অস্থায়ী দোকানত পাঠকে এফালৰ পৰা নিজৰ পছন্দৰ বিষয়ৰ গ্ৰন্থসমূহ চাই-চিতি ক্ৰয় কৰিব পাৰে। নিঃসন্দেহে গ্ৰন্থমেলাই গ্ৰন্থ এখনৰ জনপ্ৰিয়তা বৃদ্ধি কৰে।

কিয়নো গ্ৰন্থমেলাৰ বাকৰিৰ কুঁৱলীময় আড্ডাবাজ গধূলিবোৰত আলোচনা হয় কেৱল গ্ৰন্থৰ কথা। কাৰ গ্ৰন্থ কেনেকুৱা, কোনজনে কেনেকুৱা লিখিছে ইত্যাদি বিষয়বোৰ গ্ৰন্থমেলাৰ বাকৰিত আলোচনা হয়। লেখা-মেলাৰ স'তে জড়িত থকা ব্যক্তিসকলেও গ্ৰন্থমেলাৰ বিভিন্ন প্ৰকাশনৰ শাৰী শাৰী কিতাপৰ মাজত নিজৰ এখন কিতাপ থকাৰ সপোন দেখে। এনেদৰেই একো একোজন লেখক- কবিৰ সৃষ্টি হয়। গ্ৰন্থমেলাই নৱপ্ৰজন্মক গ্ৰন্থ প্ৰকাশৰ প্ৰতি ধাৱিত কৰে। একোখন গ্ৰন্থমেলাতে পৰৱৰ্তী বৰ্ষৰ গ্ৰন্থমেলাত নিজৰ এখন কিতাপ প্ৰকাশ কৰিবলৈ মন বান্ধে চিন্তাশীল নৱপ্ৰজন্মই। একোখন গ্ৰন্থমেলাই গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ মূল কাৰণটো হৈছে যে গ্ৰন্থমেলাৰ বাকৰিতে মানুহৰ মুখে মুখে কেৱল কিতাপৰ কথাই আলোচনা হয়। মুঠতে গ্ৰন্থমেলাই গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি কৰে।

## গ্ৰন্থমেলাই সাহিত্য চৰ্চাৰ এক পৰিৱেশ তৈয়াৰ কৰে



■ **ৰিংকু ৰয়**, সমাজকৰ্মী

১৯৮৭ত প্ৰথমবাৰলৈ অসমত গ্ৰন্থমেলা অনুষ্ঠিত হৈছিল। এটা সময়ত আমি কলকাতাৰ গ্ৰন্থমেলাৰ খবৰ পঢ়িছিলো বাতৰি কাকতত। সাহিত্যৰ বিষয়ে আলোচনা, বিখ্যাত লেখকসকলৰ গ্ৰন্থমেলালৈ আগমন আদিবোৰ ঘটনাই মনত সাংঘাতিক ধৰণে ক্ৰিয়া কৰিছিল। গ্ৰন্থমেলা বুলিলে কি আৰু কেনেকুৱা পৰিৱেশ হয় সেয়া পাছত লাহে লাহে বুজা হ'লো। জাৰ্মানীত বিশ্বৰ আটাইতকৈ ডাঙৰ গ্ৰন্থমেলাখন হয় বুলি পঢ়িবলৈ পাইছিলো। এতিয়া অসমৰ গুৱাহাটীৰ লগতে তেজপুৰ, ডিব্ৰুগড় আদি বহু ঠাইতে সৰু-বৰ গ্ৰন্থমেলা হয়। মানুহক শ্ৰেষ্ঠ বুলি চিহ্নিত কৰে জ্ঞানে। জ্ঞানৰ আধাৰ এই গ্ৰন্থ। সাহিত্যই বহু সময়ত এখন সমাজৰ চিত্ৰ বৰ্ণনা কৰে। এখন সমাজৰ পৰিচয় দাঙি ধৰে।

এখন আধুনিক সমাজ আমি সাহিত্যৰ অবিহনে ভাবিব নোৱাৰো। গ্ৰন্থৰ বিষয়ে জানিবলৈ আৰু বিচৰা এখন গ্ৰন্থ সহজে লাভ কৰিবলৈ হ'লে গ্ৰন্থমেলা অতি উপযুক্ত স্থান। এটা চৌহদৰ চাৰিসীমাৰ ভিতৰতে যিকোনো মূল্যবান গ্ৰন্থ যদিহে পাব পাৰি, সেয়া বৰ আনন্দৰ কথা। তদুপৰি সাধাৰণ মূল্যতকৈ কিছু কম মূল্যত। এতিয়া গ্ৰন্থমেলাই সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত কিবা সহায় কৰে নকৰে, মোৰ বোধেৰে ইতিবাচক বিষয়সমূহ সংখ্যাৰে জুখিলে কেতিয়াবা সঠিক মূল্যাংকন নহ'বও পাৰে। বিক্ৰী হোৱা নোহোৱাটো ব্যৱসায়ৰ বিষয়। কিন্তু গ্ৰন্থমেলাৰ পৰা যিসকলে গ্ৰন্থ এখন বাছ-বিচাৰ কৰি ক্ৰয় কৰিলে সেই পাঠকজন কোন শ্ৰেণীৰ সেয়াও এক গুৰুত্বপূৰ্ণ বিষয়। তৰুণ প্ৰজন্মৰ পাঠকে সেয়ে সাহিত্যৰ ক্ষেত্ৰত যেনেদৰে আশাৰ সঞ্চাৰ কৰে একেদৰে অখ্যাত লেখক একোজনক পাঠকৰ কাষ চপাই অনাত গ্ৰন্থমেলাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মেলাৰ অৰ্থই সকলো কিছু পৰিমাণে বহল অৰ্থত হোৱা। গতিকে গ্ৰন্থমেলা যদি সফল হয় তেতিয়া লেখক, পাঠক, প্ৰকাশক, বিক্ৰেতা সকলোৰে লাভ হয়। এনে পৰিৱেশে সাহিত্যচৰ্চাক এক নতুন গতি দিয়ে। এইটো গ্ৰন্থমেলাৰেই অৰিহণা যে আজিকালি বহু ভাল কিতাপ গুৱাহাটী গ্ৰন্থমেলাৰ প্ৰায় আগে আগেহে প্ৰকাশ পায়। সেইমতে গ্ৰন্থমেলাৰ সময়ত কিতাপৰ বিষয়ে যেনেদৰে চৰ্চা হয় তেনেদৰে কিন্তু বাকী সময়ত কম চৰ্চা হয়।

কেৱল কিতাপ কিনা বা বিক্ৰী হোৱা বুলিয়েই নহয়, গ্ৰন্থমেলাত সাহিত্য সম্পৰ্কীয় চৰ্চা-আলোচনা সমূহো বৰ মূল্যৱান হয়। এতিয়া বছৰটোৰ বেছি সময় অলাগতিয়াল আৰু সাধাৰণ আলোচনা, সভাতেই পাৰ হয়। কিন্তু গ্ৰন্থমেলাৰ আলোচনাবোৰ এইক্ষেত্ৰত ব্যতিক্ৰম হয়। ইয়াত যিহেতু ভাষা, সাহিত্যৰ চৰ্চাই হয় সেয়া সমাজ এখনৰ বাবেও বৰ উপকাৰী হ'ব পাৰে। নতুন সাহিত্য চৰ্চাকাৰীৰ বাবে এক কৰ্মশালাৰ দৰে হয় গ্ৰন্থমেলা একোখন। সাহিত্য চৰ্চা, কিতাপ পঢ়াৰ বাবে সেয়ে গ্ৰন্থমেলাই যদিহে এক পৰিৱেশ তৈয়াৰ কৰিব পাৰে তেনেহ'লে এই পৰিৱেশে সাহিত্যৰ উত্তৰণ ঘটোৱাত যথেষ্ট ভাল প্ৰভাৱো পেলাব পাৰে।

## সাহিত্য ক্ষেত্ৰক সমৃদ্ধিশালী কৰে

■ **সুমিত্ৰা বৰ্মন**, কৰ্মচাৰী



অসমৰ প্ৰখ্যাত সাহিত্যিক সত্যনাথ বৰাই কৈ গৈছে, 'গ্ৰন্থ হ'ল থূপাই থোৱা ধনৰ নিচিনা। থূপাই থোৱা ধনৰ পৰা নিজৰ ইচ্ছানুসৰি ধন ব্যৱহাৰ কৰিব পাৰি।' আজিৰ দিনত ইলেক্ট্ৰনিক মাধ্যম বা ছ'চিয়েল মিডিয়াৰ আগ্ৰাসনে গ্ৰন্থৰ আকৰ্ষণ কিছু পৰিমাণে কমাইছে যদিও গ্ৰন্থমেলাৰ আমেজ আজিও অক্ষুণ্ণ হৈ আছে। যি জ্ঞানৰ সম্পদ এখন গ্ৰন্থৰ পৰা আয়ত্ত কৰিব পাৰি সেই জ্ঞান ইলেক্ট্ৰনিক মাধ্যম বা ছ'চিয়েল মিডিয়াৰ পৰা সম্ভৱ নহয়। অসমত গ্ৰন্থৰ ইতিহাস নতুন নহয়। ১৮৪৬ত অৰুণোদয় প্ৰকাশ পোৱাৰ পৰাই আৰম্ভ হৈছিল ছপা আখৰৰ ইতিহাস। লাহে লাহে সময় সলনি হ'বলৈ ধৰিলে আৰু লগে লগে গ্ৰন্থৰ ৰূপ। ছপাশালৰ গ্ৰন্থই লাহে লাহে ডিজিটেল ৰূপত পাঠকৰ কাষ চাপিছে। মাধ্যম যিয়েই নহওঁক কিয় পাঠক কিন্তু কমা নাই। গ্ৰন্থৰ সমাদৰ আজিও অক্ষুণ্ণ হৈ আছে। এতিয়া বতৰ গ্ৰন্থমেলাৰ। শীতৰ সেমেকা সন্ধিয়া নতুন কিতাপৰ সুগন্ধৰ মাজৰ নিজৰ প্ৰিয় গ্ৰন্থখন বিচৰা আমেজ সুকীয়া। প্ৰকাশক গোষ্ঠীসকলৰ লগত বা আন গ্ৰন্থ প্ৰেমীসকলৰ লগত মত বিনিয়ৰ দ্বাৰা বা গ্ৰন্থমেলাৰ মঞ্চৰ সাহিত্য চৰ্চাৰ জৰিয়তে জ্ঞান আহৰণ কৰিব পাৰি কিন্তু ডিজিটেল মাধ্যমযোগে সেয়া সম্ভৱ নহয়। চৰকাৰে বা প্ৰকাশক পৰিষদে বা প্ৰকাশক গোষ্ঠীসমূহে গ্ৰন্থমেলাসমূহ আকৰ্ষিত ৰূপত আয়োজন কৰি নৱপ্ৰজন্মক আকৰ্ষিত কৰিবৰ বাবে চেষ্টা কৰিব লাগে।

কাৰণ গ্ৰন্থমেলাসমূহে কিতাপ পঢ়াৰ এক সুকীয়া পৰিৱেশ সৃষ্টি কৰে। সাহিত্যৰ ক্ষেত্ৰখনক এক উৎসৱমূখৰ যি পৰিৱেশৰ সৃষ্টি কৰে সেই পৰিৱেশে লেখক আৰু পাঠক সকলোকে নতুন ৰূপত উজ্জীৱিত কৰে। লেখকসকলৰ মনত লিখাৰ তাড়না আৰু পাঠকৰ মাজত পঢ়াৰ বাবে যি ধাউতি জন্মাই সিয়ে সাহিত্যক্ষেত্ৰক সমৃদ্ধিশালী কৰে।

## গ্ৰন্থমেলাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণ বৃদ্ধি কৰিব লাগিব

■ **যোগেন্দ্ৰ চন্দ্ৰ নাথ**



প্ৰত্যেক বছৰে গ্ৰন্থমেলাৰ আগমন ঘটে। অৱশ্যে ক'ভিডৰ কালছোৱাত ব্যতিক্ৰম হ'ল যদিও পুনৰ গ্ৰন্থমেলা আয়োজন কৰাটো শুভ লক্ষণ। এই গ্ৰন্থমেলাত অকল অসমীয়া ভাষাৰ গ্ৰন্থসমূহে নহয় বিভিন্ন দেশৰ ভাষাৰ গ্ৰন্থই পঢ়ুৱৈ সমাজক যোগান ধৰি আহিছে। গ্ৰন্থমেলাৰ দ্বাৰা কিছু লেখক, প্ৰকাশন গোষ্ঠী উপকৃত হোৱাটো স্বাভাৱিক আৰু মেলাত যথেষ্ট সংখ্যক কিতাপ বিক্ৰী হোৱাটোও শুভ লক্ষণ। কিন্তু ইয়াৰ লগত জড়িত উদ্দেশ্য কিমান সফল হৈছে তাক চিন্তা কৰা প্ৰয়োজন। নৱ প্ৰজন্মই যাতে পুথি অধ্যয়নৰ প্ৰতি আগ্ৰহী হয় তাৰ বাবে কৰা এনে ব্যৱস্থা সম্পূৰ্ণৰূপে সফল হোৱা দেখা নাযায়। বহু সময়ত উঠি অহা নৱ প্ৰজন্মই অসমীয়া ভাষাৰ প্ৰতি অনীহা প্ৰকাশ কৰা দেখা যায়। আনকি সিহঁতৰ কথা-বতৰাৰ মাজত দুই এটা অসমীয়া শব্দ ৰাখি তাৰ মাজত ইংৰাজী হিন্দী আদি খিচিৰি ভাষা প্ৰয়োগ কৰি বেসুৰা শুনা এটা ভাষা প্ৰকাশ কৰে। ইয়াৰ কাৰণ বিদ্যালয়ত পঢ়া মাধ্যম ইংৰাজী হোৱা বাবে। মেলাত গৈ এসোপা কিতাপ কিনি আনি নিজৰ আলমাৰি ভৰাই শুৱনি কৰা মানসিকতা এটা দেখা যায়। তাতকৈ নিজৰ সন্তানসকলক কিতাপ অধ্যয়নৰ প্ৰতি যদি আগ্ৰহী কৰি তুলিব পাৰে তাৰ বাবে অভিভাৱকসকলৰ দায়িত্ব যথেষ্ট প্ৰয়োজন। আদহীয়া তথা অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলে যথেষ্ট অধ্যয়ন কৰে। কিন্তু আমাৰ উদ্দেশ্য হ'ব লাগে নৱ প্ৰজন্মক আগ্ৰহী কৰি ভাষাটোৰ প্ৰতি অনুৰাগ সৃষ্টি কৰা। আজি অসমত বহু লেখকৰ সৃষ্টি হৈছে। প্ৰায়ে গ্ৰন্থ উন্মোচনৰ সভাবোৰ পঢ়িবলৈ পাওঁ। কিন্তু কিতাপ সৃষ্টি হ'লেই নহয় যদিহে তাক অধ্যয়ন কৰি মূল্যাংকন কৰা নাযায়। আজি অসমীয়া ভাষাটোৰ প্ৰতি বিপৰ্যয় নামি আহিছে যেন অনুমান হয়। ১৯৬০ৰ অসম চৰকাৰী ভাষা আইনখনক আওকাণ কৰি চৰকাৰেই চৰকাৰী নিৰ্দেশনা তথা অফিচ কাছাৰীত ইংৰাজী আদি ভাষাৰে চলাই থাকে। তেনে ক্ষেত্ৰত গ্ৰন্থমেলাই পঢ়ুৱৈ সৃষ্টি কৰা অৰ্থৰ সাৰ্থকতা ক'ত থাকিল। এনে মেলাৰ দ্বাৰা পঢ়ুৱৈ সৃষ্টি কৰিব লাগিলে বিদ্যালয়, কলেজ আদিৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ শিক্ষকসকলৰ দ্বাৰা অনুপ্ৰাণিত কৰাই গ্ৰন্থমেলাৰ প্ৰতি আকৰ্ষিত কৰিব নোৱাৰিলে গ্ৰন্থমেলাৰ দ্বাৰা গুণগত পঢ়ুৱৈ সৃষ্টি নহ'ব।

## গ্ৰন্থমেলাৰ উদ্দেশ্য কেৱল বাণিজ্যিক হ'ব নালাগে

■ **অপূৰ্ব নাথ**, ছাত্ৰ, কটন বিশ্ববিদ্যালয়



এটা জাতি পৃথিৱীত তেতিয়ালৈকে সগৌৰৱে জীয়াই থাকিব পাৰিব যেতিয়ালৈকে সেই জাতিটোৰ সাহিত্য- সংস্কৃতি-ভাষা আদি জীয়াই থাকিব। ভাষা অবিহনে যিদৰে এটা জাতি সুস্থ ৰূপত জীয়াই থাকিব নোৱাৰে ঠিক একেদৰে সাহিত্য অবিহনেও পৃথিৱীৰ বুকুত জাতি এটা জীয়াই থাকিব নোৱাৰে। এই সাহিত্য, ভাষা, সংস্কৃতি জীয়াই ৰখাৰ ক্ষেত্ৰত জাতিটো দায়বদ্ধ হ'ব লাগিব। গ্ৰন্থমেলাই বৌদ্ধিক উত্তৰণত সহায় কৰাৰ উপৰি জাতিটোৰ সাহিত্যৰ উত্তৰণত সহায় কৰে। সাহিত্য হৈছে এটা জাতিৰ দাপোণ স্বৰূপ। সমাজত বৰ্তি থকা আৱেগ-অনুভূতি, মৰম, আশা-আকাংক্ষা আদি বিভিন্ন দিশক সাহিত্যৰ যোগেদি প্ৰতিফলিত কৰা হয়। গ্ৰন্থমেলাৰ বৰ্তমান সময়ত যথেষ্ট সমাদৰ বৃদ্ধি হৈছে। গ্ৰন্থমেলাৰ আয়োজনও ব্যাপক হাৰত বাঢ়িছে। এয়া জাতিটোৰ সাহিত্যৰ বাবে শুভ লক্ষণ। বৰ্তমান যুগত সৰু সৰু একোটা অঞ্চলতো গ্ৰন্থমেলা অনুষ্ঠিত কৰি সাহিত্য বিকশাই তোলাত সহায় কৰিছে। গ্ৰন্থমেলাক উদ্দেশ্য কৰি আয়োজিত বিভিন্ন সাহিত্য সম্বন্ধীয় কবিতা, তৰ্ক, প্ৰবন্ধ, গল্প আদিৰ প্ৰতিযোগিতাসমূহে ছাত্ৰ-ছাত্ৰীক সাহিত্যৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে সাহিত্যৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। গ্ৰন্থমেলাত বিভিন্ন ধৰণৰ সাহিত্য সম্বন্ধীয় আলোচনা-বিলোচনা হয়; ইয়াৰ যোগেদি সাহিত্যৰ বিকাশত সহায় হয়। সদৌ শেষত গ্ৰন্থমেলাসমূহ কেৱল বাণিজ্যিক ভিত্তিত আয়োজন নকৰি অথবা গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত সংখ্যাগত দিশটোতে গুৰুত্ব প্ৰদান নকৰি গুণগত দিশটোতো একেই পৰিমাণে গুৰুত্ব দিয়া উচিত। এই গ্ৰন্থমেলাই সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব পাৰে।

## পঢ়ুৱৈ সৃষ্টিত অৰিহণা যোগায়



■ **সুভাষ বৰ্মন**

প্ৰথিতযশা সাহিত্যিক-সাংবাদিক চন্দ্ৰপ্ৰসাদ শইকীয়াই এক সাক্ষাৎ প্ৰসংগত আমাৰ আগত কৈছিল, সাহিত্য সভাই, গ্ৰন্থমেলাই কেতিয়াও সাহিত্যিকৰ জন্ম দিব নোৱাৰে, কিন্তু পঢ়ুৱৈ সৃষ্টিত অৰিহণা যোগাব পাৰে আৰু এক অনুকূল বাতাৱৰণৰ সৃষ্টি কৰিব পাৰে। গ্ৰন্থৰ সুবাস আৰু সাহচৰ্যৰ আৱেশেৰে পঢ়ুৱৈৰ জ্ঞানলিপ্সা, অনুসন্ধিৎসা আৰু আগ্ৰহক ত্বৰান্বিত কৰিব পাৰে। সৃজন প্ৰতিভাৰ বিকাশত গ্ৰন্থ অধ্যয়নে বহুলাংশে সহায় কৰা কথাটো বিনাদ্বিধাই মানি লোৱা হয়। আকাংক্ষিত গ্ৰন্থ এখনৰ অনায়াস প্ৰাপ্তিৰ বাবেই ৰসগ্ৰাহী পাঠকে গ্ৰন্থমেলালৈ গভীৰ আশা আৰু হেঁপাহেৰে অপেক্ষা কৰি থাকে। গ্ৰন্থমেলাই গ্ৰন্থৰ প্ৰচাৰ-প্ৰসাৰত সহায় কৰি অহা বাবেই লিখক, প্ৰকাশক, পঢ়ুৱৈয়ে গ্ৰন্থমেলালৈ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। তদুপৰি এই মেলাৰ বাকৰিত সমান্তৰালভাৱে চলা আলোচনা চক্ৰ বা কৰ্মশালা জাতীয় অনুষ্ঠান বা বিদ্যায়তনিক কাৰ্যক্ৰমে পঢ়ুৱৈৰ অধ্যয়নৰ মাত্ৰা আৰু পৰিসৰ বৃদ্ধিত অৰিহণা যোগোৱা কথাটো নুই কৰিব নোৱাৰি। প্ৰকাশন পৰিষদে এটা সময়ত গুৱাহাটীৰ মাজমজিয়াত অনুষ্ঠিত কৰা গ্ৰন্থমেলাৰ বাকৰিত সমবেত পঢ়ুৱৈৰ সংখ্যা প্ৰত্যক্ষ কৰি, গ্ৰন্থ বিক্ৰেতা আৰু প্ৰকাশৰ উজ্জ্বল মুখবোৰ দেখি আমি স্তম্ভিত আৰু মুগ্ধ হৈছিলো।

পঢ়ুৱৈ সৃষ্টিত অৰিহণা নোযোগোৱাহেঁতেন এনে বৃহৎ জনসমাগম নিশ্চয়কৈ নহ'লহেঁতেন। আন্তৰ্জাতিক পৰ্যায়ৰ গ্ৰন্থমেলাবোৰৰ বা-বাতৰি পঢ়ি এই ধাৰণা আমাৰ বদ্ধমূল হৈ পৰিছে যে গ্ৰন্থ-সংস্কৃতিৰ উত্তৰণ আৰু বিকাশৰ উপৰি গ্ৰন্থমেলাই পঢ়ুৱৈ সৃষ্টি কৰাত অনুঘটকৰ ভূমিকা পালন কৰি আহিছে, জ্ঞান-তৃষ্ণা নিবাৰণ কৰি আহিছে।

## গ্ৰন্থমেলাই সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়

■ **সুশীল কুমাৰ নাথ**, লেখক



অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰম্ভ হোৱা গুৱাহাটী গ্ৰন্থমেলাই অসমত গ্ৰন্থমেলা আন্দোলনৰ আৰম্ভণি কৰি এক নতুন দিগন্তৰ সূচনা কৰিলে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত উত্তৰ-পূৱ গ্ৰন্থমেলাৰ লগতে মফচলীয় চহৰসমূহত বছৰি অনুষ্ঠিত গ্ৰন্থমেলাসমূহে লেখক আৰু গ্ৰন্থপ্ৰেমী পাঠকসকলক উৎসাহিত কৰি আহিছে। বছৰি অনুষ্ঠিত হোৱা গ্ৰন্থমেলাৰ বতৰত জনপ্ৰিয় লেখকসকলৰ লগতে উদ্যমী নতুন প্ৰজন্মৰ লেখকসকলৰ অজস্ৰ গ্ৰন্থ উন্মোচনৰ বাতৰিয়েও আশাৰ বাট দেখুৱাইছে। লেখক আৰু পাঠকসকলক একেবাৰে ওচৰ চপায় আনে এই গ্ৰন্থমেলাসমূহেই। ইন্টাৰনেটৰ এই জয় জয় ময় ময় দিনত কিতাপৰ আদৰ কিছু কমিছে বুলি কিছুমানে ক'ব খোজে। কিন্তু গ্ৰন্থমেলাসমূহত গ্ৰন্থপ্ৰেমীৰ ভিৰ আৰু অভিলেখ সংখ্যক বিক্ৰী দেখি সেই অনুমান সঁচা নহয় বুলি ডাঠি ক'ব পাৰি। এই গ্ৰন্থমেলাসমূহে নিশ্চয়কৈ সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পেলাইছে।

## সমাজত বৌদ্ধিক পৰিৱেশ সৃষ্টি কৰে

■ **স্বৰ্ণ ভাজনী বৰুৱা**, লেখিকা অৱসৰপ্ৰাপ্ত অধ্যাপিকা



মনলৈ আহিছে..... সত্তৰৰ দশকত আমাৰ স্কুললৈ এখন সৰু গ্ৰন্থমেলা আনিছিল 'বৰহাট হাইস্কুল' প্ৰধান শিক্ষক মহোদয়ে। স্কুলত তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছিল গ্ৰন্থমেলাখন। জীৱনত প্ৰথম দেখিছিলো গ্ৰন্থৰ মেলা। আবেগিক হৈ পৰিছিলো কিতাপবোৰৰ মাজত সোমাই। খলপাবোৰত শাৰী শাৰীকৈ সজাই থোৱা হৈছিল ৰংচঙীয়া গ্ৰন্থসমূহ। দুখৰ বিষয় যে কিতাপ কিনিব পৰাকৈ মোৰ হাতত পইচা নাছিল। চুই চাইছিলো মাথোঁ কিতাপবোৰ। পাছপৰা অঞ্চলটোত কাহানিও কিতাপ কিনিবলৈ সুবিধা নোপোৱা ছাত্ৰ-ছাত্ৰীসকলৰ বহুজনেই অৱশ্যে এখনকৈ হ'লেও কিতাপ কিনিছিল মেলাখনত। কিতাপৰ মেলাৰ নান্দনিক দৃশ্যই মোৰ মনত এক অজান পুলক জগাইছিল। গ্ৰন্থৰ সেই চিনাকি সুবাস বৈ গ'ল মনৰ কোঁহত।

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ 'ডি ডি আৰ মহাবিদ্যালয়'ৰ ৰূপালী জয়ন্তী অনুষ্ঠানৰ প্ৰস্তাৱনা অনুষ্ঠান উপলক্ষে আয়োজন কৰা হৈছিল 'অন্বেষা গ্ৰন্থমেলা।' মহাবিদ্যালয়ৰ প্ৰৱক্তা হিচাপে মেলাখনৰ স'তে মই ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিলো। কলেজৰ অধ্যক্ষৰ লগতে শিক্ষক-ছাত্ৰসকলৰ সহযোগিতাত সুন্দৰকৈ অনুষ্ঠিত হৈছিল মেলাখন। দীঘলীয়া, বৃহৎ, প্ৰেক্ষাগৃহত সজাই থোৱা ৰং-বিৰঙৰ বেটুপাতৰ গ্ৰন্থসমূহে মোক ৰোমাঞ্চিত কৰিছিল। কেৱল মোকেই নহয়, বৃহত্তৰ চাবুৱা অঞ্চলৰ গাঁও-ভূঁইৰ হেজাৰজন মানুহক মোহিত কৰিছিল গ্ৰন্থমেলাখনে। তিনিদিনীয়া গ্ৰন্থমেলাখনলৈ দূৰ-দূৰণিৰ পৰা সোঁত বৈছিল আগ্ৰহী পাঠকৰ। জাপে জাপে কিনিছিল কিতাপ বহুজনে। বহুজন দৰ্শক হিচাপেও আহিছিল। সেইকেইদিন যেন কলেজত এটি অমল উৎসৱৰহে আয়োজন হৈছিল। মোৰ আজিও মনত পৰে এজন গাঁৱৰ শিশুৱে তেওঁৰ চুঙাত ভৰাই থোৱা সাঁচতীয়া পইচাকেইটা আনি মনে বিচৰা গ্ৰন্থ কিনিছিলহি।

শিক্ষক হিচাপে মোৰ সমন্ধ কিতাপৰ স'তেই। সদায়েই পাঠ্যক্ৰম পঢ়াওঁ ছাত্ৰ-ছাত্ৰীক। তথাপি সেই গ্ৰন্থমেলাখনে মোক দিছিল এক অনন্য অনুভৱ। কিতাপৰ মাজৰ পৰা যেন বৈ আহিছিল এক মতলীয়া গোন্ধ। হয়, গ্ৰন্থমেলাৰ আছে সুকীয়া আকৰ্ষণ। আন বিক্ৰী মেলাৰ পৰা গ্ৰন্থমেলা বহু উৰ্ধ্বত। পৃথিৱীৰ সভ্যতাৰ মহত্তম আৱিষ্কাৰ কলম আৰু কাগজৰ স'তে সম্পৰ্ক গ্ৰন্থমেলাৰ। গ্ৰন্থ মানৱৰ উৎকৰ্ষ সাধনৰ সোপান।

বৰ্তমান সময়ত গ্ৰন্থমেলাৰ নিশ্চয় প্ৰয়োজনীয়তা আছে। প্ৰতিজন মানুহৰ মন, ৰুচি-অভিৰুচি সুকীয়া। বৃহৎ গ্ৰন্থমেলা এখনত পাঠকে নিজৰ মনে বিচৰা গ্ৰন্থখন হাতত ল'ব পাৰে।

গ্ৰন্থমেলা এখনে সমাজত বৌদ্ধিক পৰিৱেশ এটা সৃষ্টি কৰাত ভূমিকা লয়। কিতাপৰ স'তে যুক্ত ব্যক্তিয়ে চিন্তা কৰে সমাজৰ মংগলৰ। তেওঁলোকে সমাজৰ ভাল-বেয়া বিচাৰ কৰাৰ শক্তি আহৰণ কৰে। সেয়ে গাঁৱে-নগৰে যিমানেই গ্ৰন্থমেলাৰ আয়োজন কৰা হয়, সিমানেই সমাজৰ মংগল।

বৌদ্ধিক আন্দোলনৰ লগতে সমাজৰ আৰ্থিক দিশটোৰ ক্ষেত্ৰতো ভূমিকা আছে গ্ৰন্থমেলাৰ। লেখক, পাঠক, প্ৰকাশক, বিতৰক সকলোৰে সমন্বয়ক এখন গ্ৰন্থমেলা। পাঠক সকলোৰে মূল। পাঠকে উৎসাহিত কৰে লেখকক, লেখকে উৎসাহিত কৰে প্ৰকাশক আৰু প্ৰকাশকে সম্বন্ধ ৰক্ষা কৰে বিতৰকৰ স'তে। এনেদৰেই বৌদ্ধিক দিশৰ লগতে গ্ৰন্থমেলাৰ যোগেদি চলি থাকে লেখক-প্ৰকাশক-বিতৰকৰ আৰ্থিক লাভালাভৰ দিশটোও। দেশৰ স্বালম্বনৰ ক্ষেত্ৰত ইয়াৰো এক গুৰুত্ব আছে। হয়, গ্ৰন্থমেলাই অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰে। দূৰ-দূৰণিৰ পৰা প্ৰকাশক আহে, বিতৰক আহে, সাহিত্যিক আহে। ইয়াত পাঠক-লেখক-দৰ্শকৰ সমাৱেশ হয়। পৰস্পৰৰ মাজত মত বিনিময় হয়। এনে পৰিৱেশে সাধাৰণজনৰ মনতো সৃষ্টি কৰে গ্ৰন্থৰ প্ৰতি আকৰ্ষণ। কাহানিও কিতাপ নিকিনা ব্যক্তি এগৰাকীও আগ্ৰহী হৈ পৰে হাতত এখন কিতাপ ল'বলৈ। গ্ৰন্থমেলা এখনৰ সাৰ্থকতাও এইখিনিতেই।

## নতুন লেখক সৃষ্টিত অৰিহণা যোগায় গ্ৰন্থমেলাই

■ **জয়ন্ত প্ৰীটম**, লেখক



এজন লেখকে কিতাপ এখন লিখাৰ পৰা প্ৰকাশ হোৱালৈকে এটা দীঘলীয়া পৰিক্ৰমাৰ মাজেদি যাত্ৰা কৰে। লেখকে কোনো এখন কিতাপ লিখি উলিওৱাৰ পাছত কিতাপখন প্ৰকাশ হৈ পাঠকৰ হাতত পৰালৈকে বহু লোকৰ শ্ৰম সেই কিতাপখনত সোমাই থাকে। আৰু পাঠকে যেতিয়া কিতাপখনক আঁকোৱালি লয়, তেতিয়া সেই শ্ৰমবোৰে সাৰ্থকতা লাভ কৰে। ইয়াৰ বিপৰীতে পাঠকে কিতাপখন আঁকোৱালি নল'লে সেই সকলোখিনি শ্ৰম পানীত পৰে। এখন কিতাপ এজন লেখকৰ সাধনাৰ ফচল। লেখকজনৰ চিন্তাধাৰা, ধ্যান-ধাৰণাৰ প্ৰতীক কিতাপখনে প্ৰকাশৰ মুখ দেখাৰ পথত লেখকৰ উপৰি প্ৰকাশক, ডি টি পি অপাৰেটৰ, প্ৰুফৰীডাৰ, বেটুপাত শিল্পী, আলংকাৰিক, মুদ্ৰক আদি বিভিন্ন লোকৰ কষ্ট, সময়, চিন্তা আদি জড়িত হৈ থাকে। এই লোকসকলৰ সামূহিক প্ৰচেষ্টাৰ অন্তত কিতাপ এখনে প্ৰকাশৰ মুখ দেখি পাঠকৰ মাজলৈ যায়। এই স্তৰত কিতাপখনৰ ব্যৱসায়িক দিশৰ প্ৰসংগ আহি পৰে। কিতাপখনে পাঠকৰ সঁহাৰি লাভ কৰি ব্যৱসায় ভাল কৰিলে লেখকৰ লগতে আন লোকসকলৰো শ্ৰম সাৰ্থক হয়। এতিয়া কথা হ'ল কিতাপ এখনক কিদৰে পাঠকৰ মাজলৈ লৈ যাব পাৰি? কিতাপ এখন পাঠকৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত কে'বাটাও দিশ জড়িত হৈ আছে। ইয়াৰ ভিতৰত প্ৰথমটো দিশ হ'ল কিতাপখনৰ প্ৰচাৰ আৰু এই প্ৰচাৰৰ ক্ষেত্ৰত আটাইতকৈ ভাল উপায় হ'ল গ্ৰন্থ পৰ্যালোচনা। অৱশ্যে আজিকালি সামাজিক মাধ্যমৰ মঞ্চখনো কিতাপৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এক উপযুক্ত মাধ্যম হৈ পৰিছে। দ্বিতীয় দিশ হ'ল, কিতাপখনৰ সহজলভ্যতা। আৰু এই ক্ষেত্ৰত আটাইতকৈ উপযুক্ত মাধ্যম হৈছে গ্ৰন্থমেলা।

গ্ৰন্থমেলা শীতকালৰ এটা বহু চৰ্চিত শব্দ গ্ৰন্থমেলাৰ আভিধানিক অৰ্থ হ'ল কিতাপ চাবলৈ আৰু কিনিবলৈ পতা প্ৰদৰ্শনী। গ্ৰন্থমেলাৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'বুক ফিয়াৰ' গ্ৰন্থমেলাৰ প্ৰথম শুভাৰম্ভণি ঘটে ত্ৰয়োদশ শতিকাৰ ইউৰোপত। ইয়াৰ পাছত আমেৰিকাৰ বিভিন্ন ঠাইত গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। অৱশ্যে সেইসময়ত গ্ৰন্থমেলাৰ পৰিৱৰ্তে গ্ৰন্থ প্ৰদৰ্শন 'বুক একজিবিছন' শব্দটোহে ব্যৱহাৰ কৰা হৈছিল আৰু এই প্ৰদৰ্শনীবোৰ গ্ৰন্থৰ একক প্ৰদৰ্শনীও নাছিল। গ্ৰন্থৰ লগতে আন আন সামগ্ৰীও এই মেলাবোৰত প্ৰদৰ্শন কৰা হৈছিল। ১৯২৭ত জাৰ্মানীৰ লিপজিগ নামে ঠাইত বিশ্বৰ প্ৰথমখন একক গ্ৰন্থমেলা অনুষ্ঠিত হয়। এইখন গ্ৰন্থমেলাক বিশ্বৰ বৌদ্ধিক ইতিহাসৰ এক স্মৰণীয় ঘটনা বুলি ধৰা হয়। ইয়াৰ প্ৰায় দুকুৰি দুবছৰৰ পাছত অৰ্থাৎ ১৯৪৯ত জাৰ্মানীৰ ফ্ৰাংকফুটত এখন বৃহৎ গ্ৰন্থমেলা অনুষ্ঠিত হয়। ভাৰতীয় গ্ৰন্থমেলাৰ ইতিহাসত 'বংগীয় পুস্তক প্ৰকাশক আৰু বিক্ৰেতা সমিতি'য়ে কলকাতাত আয়োজন কৰা গ্ৰন্থমেলাখনক ভাৰতবৰ্ষৰ প্ৰথমখন গ্ৰন্থমেলা হিচাপে চিহ্নিত কৰা হয়। এইখন গ্ৰন্থমেলাৰ পাছতে 'নেচনেল বুক ট্ৰাষ্ট অৱ ইণ্ডিয়া'ই ১৯৬৯ত বোম্বাইত প্ৰথমখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰন্থমেলা আয়োজিত কৰে। নেচনেল বুক ট্ৰাষ্টে ১৯৭৯ত ভাৰতবৰ্ষৰ ৰাজধানী চহৰ নতুন দিল্লীত গ্ৰন্থমেলা অনুষ্ঠিত কৰি জনসাধাৰণৰ মাজত ইয়াক জনপ্ৰিয় কৰাত সফল হয়। আমাৰ অসমত নেচনেল বুক ট্ৰাষ্ট আৰু অসম প্ৰকাশন পৰিষদে যুটীয়াভাৱে ১৯৭৩ত ঐতিহাসিক কটন কলেজত অসমৰ প্ৰথমখন গ্ৰন্থমেলা অনুষ্ঠিত কৰে। অসমৰ দ্বিতীয়খন গ্ৰন্থমেলা ১৯৭৮ত নগাঁৱত অনুষ্ঠিত হয়। ১৯৮৪ত অসম প্ৰকাশন পৰিষদে নেচনেল বুক ট্ৰাষ্টৰ সহযোগত গুৱাহাটীৰ জজ খেলপথাৰত এখন বৃহৎ গ্ৰন্থমেলাৰ আয়োজন কৰে। ১৯৯৮ত গুৱাহাটীত উত্তৰ-পূব গ্ৰন্থমেলাৰ শুভাৰম্ভণি ঘটোৱা হয়।

কিতাপৰ প্ৰতি সজাগতা সৃষ্টিৰ ক্ষেত্ৰত আমাৰ অসমীয়া মানুহৰ দৃষ্টিভংগী মুঠেই সন্তোষজনক নহয়। সেয়েহে অসমত গ্ৰন্থৰ ব্যৱসায়ো আশানুৰূপ নহয়। অসমত এতিয়ালৈকে এটা উল্লেখযোগ্য গ্ৰন্থবিপ্লৱৰ সূচনা হৈছে বুলি ক'ব নোৱাৰি। গ্ৰন্থৰ ব্যৱসায়ৰ লগত গ্ৰন্থবিপ্লৱৰ ঘনিষ্ঠ সম্পৰ্ক আছে। আনহাতে গ্ৰন্থ ব্যৱসায়ত সফলতা গ্ৰন্থৰ প্ৰচাৰ কৌশলৰ লগত জড়িত হৈ আছে। গ্ৰন্থমেলাই গ্ৰন্থৰ প্ৰচাৰ আৰু বিক্ৰীৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰে। গ্ৰন্থমেলাই পাঠকক তেওঁলোকৰ মনে বিচৰা কিতাপবোৰ সহজে উপলব্ধ হোৱাত সহায় কৰে। ইয়াৰ উপৰি গ্ৰন্থমেলাই নতুন নতুন লেখক সৃষ্টিত অৰিহণা যোগায়। হিন্দী ভাষাত এষাৰ কথা আছে, 'জ' দিখতা হেই ৰহী বিকতা হেই' যাৰ অৰ্থ হ'ল যিটো দেখা পোৱা যায় সেইটোৱেই বিক্ৰী হয়। গতিকে গ্ৰন্থমেলাত বিভিন্ন কিতাপবোৰৰ প্ৰদৰ্শন হয় আৰু পাঠকে সহজতে সেই কিতাপবোৰৰ মাজৰ পৰা নিজৰ পছন্দৰ কিতাপখন ক্ৰয় কৰিব পাৰে। সেয়ে মোৰ দৃষ্টিত গ্ৰন্থমেলাবোৰে পাঠক সৃষ্টি কৰাত এক যোগাত্মক ভূমিকা গ্ৰহণ কৰে বুলি ক'ব পৰা যায়।

## গ্ৰন্থমেলা গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি কৰে বুলি পোনপটীয়াকৈ ক'ব নোৱাৰি

■ **হেমন্ত মাধৱ নাথ**, ছাইণ্টিফিক এছিষ্টেণ্ট



মই ৰসায়নৰ এজন ছাত্ৰ হিচাপে ৰসায়নৰ এটা কথা মিলাব বিচাৰিছো। 'All the ores are minerals but all minerals are not ores'. অৰ্থাৎ সকলো আকৰিকেই খনিজ পদাৰ্থ কিন্তু খনিজ পদাৰ্থ মানেই আকৰিক নহয়। গ্ৰন্থমেলা এখনত বিভিন্ন বিষয়ৰ বহু লেখকৰ বহু গ্ৰন্থ একেঠাইতে পোৱা যায়। পঢ়ুৱৈসকলে সেইবাবে নিজৰ পচন্দৰ গ্ৰন্থ ক্ৰয় কৰিবলৈ গ্ৰন্থমেলালৈ যায়। কিন্তু গ্ৰন্থমেলাই এখন গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি কৰে বুলি পোনপটীয়াকৈ ক'ব্ব নোৱাৰি। এখন গ্ৰন্থ আগতীয়াকৈ জনপ্ৰিয় হ'ব লাগিব, তেতিয়াহে গ্ৰন্থমেলাত পঢ়ুৱৈয়ে গৈ গ্ৰন্থখন ক্ৰয় কৰিব। আকৌ কোনোবা জনপ্ৰিয় লেখকৰ নতুন কিবা গ্ৰন্থ প্ৰকাশ পাইছে নেকি, সেইটো বহুতে গ্ৰন্থমেলালৈ গৈ জানিব বিচাৰে। অৱশ্যে গ্ৰন্থমেলাত পঢ়ুৱৈয়ে আকৰ্ষিত হোৱাকৈ যদি বিজ্ঞাপন থাকে, তেন্তে বহুতে কিতাপখনত কি আছে বুলি ক্ৰয় কৰে। পঢ়ি ভাল পালে তেনে কিতাপ জনপ্ৰিয় হ'ব পাৰে। অৰ্থাৎ মই ভাবো, এখন গ্ৰন্থমেলাৰ আগত বা পাছতহে এখন গ্ৰন্থ জনপ্ৰিয় হয়। গ্ৰন্থমেলাত পঢ়ুৱৈয়ে ক্ৰয় কৰাৰ সুবিধাহে লাভ কৰে।

আজিকালি বহুতো গ্ৰন্থ, গ্ৰন্থমেলাত উন্মোচন কৰা দেখা যায়। আগতীয়াকৈ পঢ়ুৱৈক আকৰ্ষণ কৰিব পৰাকৈ যদি কিবা ব্যৱস্থা লোৱা যায়, তেন্তে পঢ়ুৱৈয়ে দুগুণ উৎসাহেৰে গ্ৰন্থখন আদৰি লয় যেন লাগে। তদুপৰি কিবা বঁটা লাভ কৰা গ্ৰন্থ বা লেখকৰ গ্ৰন্থৰ চাহিদা বেছি হ'ব। আকৌ কোনো জ্বলন্ত সমস্যা বা কোনো স্পৰ্শকাতৰ বিষয়ৰ ওপৰত প্ৰকাশ পোৱা গ্ৰন্থ দেখিলে গ্ৰন্থমেলাত সততে পঢ়ুৱৈয়ে ক্ৰয় কৰা দেখা যায়। অৱশ্যে তেনে কিতাপ জনপ্ৰিয় বুলি ক'ব পাৰি নে নোৱাৰি, পোনপটীয়াকৈ ক'ব নোৱাৰি।

কোনো আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱাৰ যোগেদি এখন গ্ৰন্থ জনপ্ৰিয় হ'ব পাৰে। এনেকুৱা বহুত উদাহৰণ দেখিছো। আজিকালি সামাজিক মাধ্যমেৰে এখন গ্ৰন্থ জনপ্ৰিয় হোৱাৰ সুবিধা আছে। নতুন প্ৰজন্মৰ প্ৰায় সকলো ব্যক্তি সামাজিক মাধ্যম বিশেষকৈ ফেচবুকৰ লগত জড়িত হোৱা দেখা যায়। তাত সাহিত্যৰ লগত জড়িত বহু সচেতন যুৱক-যুৱতীৰ লগতে বিভিন্ন বয়সৰ ব্যক্তিক দেখা যায়। এইসকলক আকৰ্ষিত কৰিব পাৰিলে এখন নতুন গ্ৰন্থ জনপ্ৰিয় হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে।

■ পুনৰ্নিৰ্মাণে জ্বলা-কলা খুৱাইছে অঞ্চলবাসীক ■ পৰ্যাপ্ত পানী নমৰাত সমস্যা

# ধূলিৰে ধূসৰিত শিমলীতোলা-মাটিয়া পথ

**আলোপতি, ২৫ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ অন্তৰ্গত শিমলীতোলাৰ পৰা মাটিয়ালৈ যোৱা পকী পথটো দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ থকাত পথটোৰ সাধাৰণ লোকৰ যাতায়াত যথেষ্ট কষ্টকৰ হৈ পৰিছিল। ৰাইজৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় বিধায়কৰ চেষ্টাত অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগে উক্ত পথটো পুনঃনিৰ্মাণৰ বাবে প্ৰায় ১০ কোটি ৭৫ লক্ষাধিক টকা আবণ্টন দিয়ে। এএছ-০৭-৪০৫ নম্বৰ পেকেজত বিভাগীয়ভাৱে পকী পথটোৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰে জয়ন্তী কণ্ট্ৰাক্টৰ্ছ এণ্ড ইঞ্জিনীয়াৰ লিমিটেডে। চলিত বৰ্ষত সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলম আৰু ধুবুৰীৰ সাংসদ বদৰুদ্দিন আজমলে যুটীয়াভাৱে পথটোৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰাত অঞ্চলটোৰ সৰ্বস্তৰৰ লোকে স্বস্তিৰ নিশ্বাস পেলাইছিল। সংশ্লিষ্ট ঠিকাদাৰে পকী পথটোৰ নিৰ্মাণকাৰ্য চলাই গৈছে যদিও সম্প্ৰতি প্ৰায় ১২ কিলোমিটাৰ পকী পথটোৰ নিৰ্মাণ কাৰ্যই জ্বলাকলা খুৱাইছে বসতিপ্ৰধান অঞ্চলটোৰ লগতে পথচাৰীসকলক। নগৰবেৰাৰ পৰা শিমলীতোলা-মাটিয়া হৈ গোৱালপাৰালৈ যোৱা একমাত্ৰ পথ হোৱা বাবে পথটোৰে ঘণ্টাত শ শ গাড়ী মটৰ চলাচল কৰাৰ লগতে খোজকাঢ়িও শ শ লোকে অহাযোৱা কৰা পৰিলক্ষিত হয়। পথটোৰ নিৰ্মাণকাৰ্য চলি থকাত অঞ্চলটোৰ সৰ্বস্তৰৰ লোক উপকৃত হ'ব যদিও শেহতীয়াকৈ পকী পথটোৰ নিৰ্মাণ কাৰ্যই আন এক সমস্যাৰ সৃষ্টি কৰিছে। একাংশ লোকে ব্যক্ত কৰা মতে নিৰ্মীয়মাণ পথটোত পৰ্যাপ্ত পৰিমাণে পানী নমৰাত একপ্ৰকাৰ যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়া হৈছে পথটোৰ দুয়োপাৰে বসতি কৰা লোকসকলে। যিহেতু পথটো অতি গুৰুত্বপূৰ্ণ তেনেস্থলত, নিৰ্মীয়মাণ পথটোত পৰ্যাপ্ত পৰিমাণে পানী নমৰাত মিনিটে মিনিটে চলাচল কৰা গাড়ী মটৰে ধূলিময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। শিমলীতোলাৰ পৰা মাটিয়ালৈ যোৱা পথটোৰ দুয়োটা পাৰত যিহেতু ঘন জনবসতি অঞ্চল, সেয়ে এনে ধূলিময় পৰিৱেশে যথেষ্ট লোকৰ ঘৰ-দুৱাৰ অনিষ্ট হোৱাৰ কথাও ব্যক্ত কৰিছে একাংশ লোকে। ইয়াৰ উপৰি প্ৰায় ২৪ ঘণ্টাই ধূলিময় পৰিস্থিতিৰ সৃষ্টি হৈ থকাত ঘৰৰ পৰা মানুহ ওলাই আহিব নোৱাৰা পৰিস্থিতিৰো সৃষ্টি হৈছে। এনে পৰিস্থিতিত স্থানীয় লোকৰ লগতে পথচাৰীৰ সমস্যাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি নিৰ্মীয়মাণ পকী পথটোত পৰ্যাপ্ত পানী মাৰিবলৈ একাংশ লোকে সংশ্লিষ্ট ঠিকাদাৰৰ লগতে লোকনিৰ্মাণ বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাক দাবী জনাইছে।



## মৰণফান্দত পৰিণত চাৰিলেনযুক্ত ঘাইপথ ঃ আছুৰ স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা
**কাকজান, ২৫ ডিচেম্বৰ ঃ** দীৰ্ঘদিন ধৰি কেন্দুগুৰি বাইপাছৰ পৰা জাঁজী দলঙলৈকে চাৰিলেনযুক্ত ঘাইপথ নিৰ্মাণ কাম স্থবিৰ হৈ থকাৰ ফলত পথটোৰ ওপৰত পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈ সাধাৰণ জনতা হাৰাশাস্তিৰ সন্মুখীন হৈছে। সমান্তৰালভাৱে বহুকেইটা দুৰ্ঘটনাও সংঘটিত হৈ বহুজন আঘাতপ্ৰাপ্ত হোৱাৰ লগতে বহুজনে অকালতে প্ৰাণ হেৰুৱাব লগা হৈছে। এই সমস্যা সমাধানৰ দাবীত কাকজান আঞ্চলিক ছাত্ৰ সন্থাই যোৱা ২১ ডিচেম্বৰত যোৰহাট জিলাৰ উপায়ুক্তক সভাপতি বেদান্ত ভৰালী আৰু সাধাৰণ সম্পাদক ৰূপম কুমাৰ বৰাৰ স্বাক্ষৰ সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। এই সন্দৰ্ভত আছুৰ যোৰহাট জিলাৰ উপ-সভাপতি সংকল্প গগৈয়ে কয় যে ছাত্ৰ সন্থাৰ স্পষ্ট কথা যদি অতি সোনকালে ঘাইপথৰ পুনৰ নিৰ্মাণ নকৰে তেন্তে অনাগত দিনত ৰাইজৰ সহযোগত গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব।

## শিমলুগুৰিত শিক্ষয়িত্ৰীদ্বয়ক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**শিমলুগুৰি, ২৫ ডিচেম্বৰ ঃ** শিমলুগুৰি ৰেল জংছনৰ সমীপৰ পাহিতা মজলীয়া বিদ্যালয়ত যোৱা ২৪ ডিচেম্বৰত দুগৰাকী শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা জনায় বিদ্যালয় কৰ্তৃপক্ষই। পাহিতা মজলীয়া বিদ্যালয়ত শিক্ষকতাৰ জীৱন আৰম্ভ কৰি একেখন বিদ্যালয়তে শিক্ষকতাৰ পৰা অৱসৰ গ্ৰহণ কৰা বিজ্ঞান শিক্ষয়িত্ৰী ৰেজিয়া বেগম আৰু জয়ন্তী বুঢ়াগোহাঁইক বিদ্যালয় কৰ্তৃপক্ষই এখন মানপত্ৰ, শৰাই আদিৰে বিদায় সম্ভাষণ জনায়। স্থানীয় সমাজকৰ্মী স্বপ্না বৰশইকীয়াৰ সভাপতিত্বত আৰু পাহিতা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় কুমাৰ গগৈয়ে আঁত ধৰা বিদায় সম্বৰ্ধনা অনুষ্ঠানত সদ্য অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী দুগৰাকীক বিদ্যালয় কৰ্তৃপক্ষৰ লগতে স্থানীয় ৰাইজ, বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়েও বিভিন্ন উপহাৰেৰে বিদায় সম্ভাষণ জনায়। সভাত উপস্থিত থাকে নাজিৰা শিক্ষাখণ্ডৰ মুখ্য গাণিনিক বিষয়া দিপ্তী বড়া বৰুৱা, শিমলুগুৰি সমল কেন্দ্ৰৰ চি আৰ চি উপাসনা শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকদ্বয় শৰৎ চন্দ্ৰ ফুকন, দেৱপ্ৰভা শইকীয়া অৱসৰপ্ৰাপ্তসহ শিক্ষক গোলাপ গগৈ, লোহিত গগৈ, হাতীমুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দিব্যজ্যোতি বড়া, 'দৈনিক অগ্ৰদূত' কাকতৰ স্থানীয় সংবাদদাতা পংকজ শইকীয়া। সুদীৰ্ঘ কাল শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা জয়ন্তী বুঢ়াগোহাঁয়ে ১৯৯৯ত যোগদান কৰি ২০১৯ৰ নৱেম্বৰত আৰু বিজ্ঞান শিক্ষয়িত্ৰী ৰেজিয়া বেগমে ১৯৯২ত চাকৰিত যোগদান কৰি ২০১৯ৰ মে'ত অৱসৰ গ্ৰহণ কৰিছিল যদিও ক'ভিডকালীন পৰিস্থিতিৰ বাবে তেওঁলোকৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান পলমকৈ কৰে বিদ্যালয় কৰ্তৃপক্ষই।

## বাগানপাৰাত বন জুই

অগ্ৰদূত বাৰ্তা
**বাগানপাৰা, ২৫ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলত দুৰ্বৃত্তৰ অগ্নিসংযোগ, জুইত জাহ যায় এটা বৃহৎ অঞ্চলৰ গছ। জিলাখনৰ বাতাবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত সুৱণখাটা সংৰক্ষিত বনাঞ্চলত দুৰ্বৃত্তই অগ্নিসংযোগ কৰাৰ ফলত প্ৰায় চাৰি বিঘাৰো অধিক বনাঞ্চল ধ্বংস হয়। বনাঞ্চলত অগ্নিসংযোগ কৰা কাৰ্যক গৰিহণা দিছে স্থানীয় স্বেচ্ছাসেৱী সংগঠনে। উল্লেখ্য যে জিলাখনৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত সুৱণখাটা সংৰক্ষিত বনাঞ্চলখন হৈছে ময়ূৰ, বনৰীয়া কুকুৰা, মেথোনৰ উপৰি বন গাহৰিৰ আৱাসস্থলী। পিছে এইখন সংৰক্ষিত বনাঞ্চলতে যোৱা ২৪ ডিচেম্বৰত দুৰ্বৃত্তই অগ্নিসংযোগ কৰাৰ মুহূৰ্ততে জুইৰ লেলিহান শিখাই আৱৰি ধৰে এটা বৃহৎ অঞ্চল। জুইত জাহ যায় বনাঞ্চলখনৰ এটা বৃহৎ অঞ্চল। জুয়ে বনাঞ্চলখনৰ আৱৰি ধৰাত সৃষ্টি হয় এক হাহাকাৰময় পৰিৱেশৰ। শুকান হৈ থকা অঞ্চলটোক জুয়ে আৱৰি ধৰাৰ খবৰ পাই মানাহ চৌকী ইক' টুৰিজিম ছ'চাইটিৰ সদস্যসকলে ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুৱাবলৈ চেষ্টা চলাই যদিও এটা বৃহৎ অঞ্চলৰ গছ-বন পুৰি ছাই হয়। অৱশ্যে কোনে বনাঞ্চলখনত অগ্নিসংযোগ কৰিলে সেয়া স্পষ্ট নহ'লেও অচিৰে লোকজনক বিচাৰি উলিয়াব বুলি স্বেচ্ছাসেৱী সংগঠনটোৱে জানিব দিয়ে। সংগঠনটোৱে উপ-সভাপতি দীৰ্ঘ তামাঙে জিলা বন বিভাগকো অঞ্চলটো পৰিদৰ্শন কৰিবলৈ আহ্বান জনায়।

## বৈধ চালানহীন আৰু অতিৰিক্ত ওজন পৰিবাহী শিল-বালি কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য

■ বন-পৰিবহণ বিভাগক মেনেজ কৰি চলিছে ৰাজহ ফাকি

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ২৫ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ বিভিন্ন অঞ্চলৰ কুৰৱীৰ লগতে সোণকোষ নদী আৰু উপনৈসমূহৰ পৰা এক্সকেভেটৰেৰে শিল-বালি খান্দি প্ৰতি দিনে-নিশা শতাধিক শিল-বালি বোজাই কৰি ট্ৰেক্টৰ, ট্ৰাক আৰু ডাম্পাৰ শ্ৰীৰামপুৰ হৈ ধুবুৰী জিলাৰ বিভিন্ন স্থানত আৰু ভাৰত-বাংলাদেশ সীমান্তলৈ যাতায়াত কৰি আছে। ইয়াৰে অধিকাংশ গাড়ীত নাথাকে শিল-বালিৰ বৈধ চালান আৰু ওজনৰ কোনো নথিপত্ৰ। জানিব পৰা মতে, বন আৰু পৰিবহণ বিভাগৰ একাংশ বিষয়া- কৰ্মচাৰীক মেনেজ কৰি শিল-বালিৰ অসাধু ব্যৱসায়ীসকলে ৰাজহ ফাকিৰে চলাইছে এই কাৰবাৰ। মাজে সময়ে আৰক্ষী, বন আৰু পৰিবহণ বিভাগে শিল-বালিৰ ডাম্পাৰ আটক কৰে যদিও পাছত ধনৰ লেনদেন কৰি বা সামান্য জৰিমনা আদায় কৰি এৰি দিয়ে। বন আৰু পৰিবহণ বিভাগৰ এনে সোপা ঢিলা ভূমিকা আৰু একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ বাবে শিল-বালিৰ অবৈধ বেহাক কেন্দ্ৰ কৰি গঢ়ি উঠিছে বৃহৎ ছিণ্ডিকেট। ৰাজহ ফাকিৰে চলি থকা এই ব্যৱসায়ৰ লগত ৰাজনৈতিক দিশত ক্ষমতাশালী একাংশ ব্যক্তি জড়িত হৈ পৰাত শিল-বালিৰ ট্ৰাক, ডাম্পাৰৰ অবাধ চলাচলৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদো নুশুনা হৈছে। ৰাজহ ফাকিৰে শিল-বালিৰ সৰবৰাহ হৈ থকাৰ বাতৰিও একাধিকবাৰ প্ৰকাশিত হোৱাৰ পাছতো অসাধু ব্যৱসায়ীসকলৰ দৌৰাত্ম্য হ্ৰাস পোৱা নাই বৰঞ্চ দিনক দিনে এই বেহাত পশ্চিমবংগৰ একাংশ ব্যৱসায়ীও জড়িত হৈ বন আৰু পৰিবহণ বিভাগৰ প্ৰাপ্য ৰাজহৰ অবাধ লুণ্ঠন অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত কচুগাঁও বন সংমণ্ডল বিষয়া আৰু কোকৰাঝাৰ জিলা পৰিবহণ বিষয়াই ভৱিষ্যতে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্যণীয়।

## শংকৰদেৱ মহাবিদ্যালয়ত আটাইকেইটা আছু সমৰ্থিত প্ৰাৰ্থী জয়ী

অগ্ৰদূত বাৰ্তা
**বান্দৰদেৱা, ২৫ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী পথালি পাহাৰৰ শংকৰদেৱ মহাবিদ্যালয়ৰ আজি অনুষ্ঠিত ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সভাপতি, সাধাৰণ সম্পাদকে ধৰি আটাইকেইটা পদত সদৌ অসম ছাত্ৰ সন্থাৰ সমৰ্থিত প্ৰাৰ্থী বিজয়ী হয়। নিৰ্বাচনত মানৱ শইকীয়া সভাপতি, উজ্জ্বল দাস সম্পাদক, উপ-সভাপতি কৰণ দাস, সহকাৰী সম্পাদক দিব্য দাস, সাংস্কৃতিক সম্পাদক আলোচনী সম্পাদিকা বন্দনা শৰ্মা, সমাজ সেৱা ধনৰাজ চুতীয়া, সাহিত্য সম্পাদক ৰিপুন দাস, উৎসৱ শৰ্মা সম্পাদক, তনি কুমাৰ তামুলী, ক্ৰীড়া সম্পাদক মানস প্ৰতিম বৰুৱা আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা আকাশ্ৰী গগৈ বিজয়ী হয়। আজিৰ এই বিজয়ৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক পুলক বৰা, ৰাজ্যিক কাৰ্যনিৰ্বাহক ধনমণি দত্ত, সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি পংকজ ভৰালী, খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চন্দন হাজৰিকা আৰু সম্পাদক দিব্যজ্যোতি বৰুৱাই শুভেচ্ছা জ্ঞাপন কৰে।

## বৰপথাৰ আৰক্ষীৰ জালত তিনি গভাইত চোৰ ঃ উদ্ধাৰ চুৰি সামগ্ৰী



**বৰপথাৰ, ২৫ ডিচেম্বৰ ঃ** ধনশিৰি মহকুমাৰ বৰপথাৰৰ বিভিন্ন অঞ্চলত বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ। কেতিয়াবা যদি মটৰ চাইকেল চুৰি, কেতিয়াবা আকৌ গৰু-ছাগলী, হাঁহ-কুকুৰা, টিউবেল, পানী মটৰ আদি চুৰি। কালি বৰপথাৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে তিনিজনকৈ গভাইত চোৰক। উল্লেখ্য যে যোৱা ২২ ডিচেম্বৰৰ নিশা বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত পাভজান গাঁৱৰ বাসিন্দা দীপেন গোহাঁইৰ ঘৰৰ পৰা এটা পানী মটৰ চুৰি হোৱাৰ পাছত তেওঁ বৰপথাৰ আৰক্ষীক উক্ত চুৰি কাৰ্যৰ বিষয়ে অভিযোগ দিয়ে। ইয়াৰ পাছতেই বৰপথাৰ আৰক্ষীয়ে তদন্ত কৰি চুৰি কাৰ্যৰ লগত জড়িত তিনিজনকৈ চোৰক আটক কৰিবলৈ সক্ষম হয়। বৰপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰেমেশ্বৰ শইকীয়াৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে পাভজান, অঞ্চলত দীৰ্ঘদিনৰ পৰা বিভিন্ন ধৰণে চুৰি কাৰ্য কৰি উপদ্ৰৱ চলাই থকা চোৰকেইজনক আটক কৰে। আটকাধীন চোৰকেইজন হৈছে ক্ৰমে বাৰমুখীয়া গাঁৱৰ অনিল দত্ত (৪০), পাভজান গাঁৱৰ কৃষ্ণ বুঢ়াগোহাঁই (৪১) আৰু পিংকু তামুলী (৩৭)। আনহাতে, ধৃত চোৰ কেইজনৰ পৰা আৰক্ষীয়ে দীপেন গোহাঁইৰ গৃহৰ পৰা চুৰি হোৱা এটা পানী মটৰ, এটা প্ৰায় ৫০ হেজাৰ টকাৰ মূল্যৰ চাবমাৰচিবল পানী মটৰৰ লগতে বহুকেইপদ চুৰি সামগ্ৰী উদ্ধাৰ কৰে। প্ৰণিধানযোগ্য যে বৰপথাৰস্থিত পাভজানত নতুনকৈ নিৰ্মাণ হৈ থকা এখন বিদ্যালয়ৰ পৰা কিছুদিনৰ আগেয়ে উদ্ধাৰ হোৱা চাবমাৰচিবল পানী মটৰটো চুৰি হৈছিল। ইপিনে, বৰপথাৰ আৰক্ষীয়ে ধৃত চোৰ কেইজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ অধীনত ১৮৪/২০২১ এক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

## লখিমপুৰৰ এল টি কে কলেজত এন এছ এছৰ কৰ্মশালা

বিশেষ সংবাদদাতা
**লখিমপুৰ, ২৫ ডিচেম্বৰ ঃ** লখিমপুৰৰ অন্যতম অগ্ৰণী বিদ্যায়তনিক অনুষ্ঠান লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত তথা স্বাস্থ্য সজাগতা কোষৰ সহযোগত কালি 'যুৱ স্বাস্থ্য শাৰীৰিক প্ৰত্যাহ্বান আৰু ইয়াৰ সমাধান' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক তথা এন এছ এছৰ কাৰ্যপৰিক্ৰমা বিষয়া দেৱজ্যোতি চেতিয়াই আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াই উদ্বোধনী ভাষণত যুৱ স্বাস্থ্যৰ গুৰুত্বৰ দিশসমূহক আলোকপাত কৰে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি ডাঃ অমিয়া মেটাৰনিটি এণ্ড ইনফাৰটিলিট ৰিছাৰ্চ চেন্টাৰৰ স্ত্ৰীৰোগ বিভাগৰ বিশিষ্ট চিকিৎসক ডাঃ অমিয়াই যুৱ স্বাস্থ্যৰ গুৰুত্ব আৰু বিভিন্ন প্ৰত্যাহ্বান সম্পৰ্কে বৈদ্যুতিন মাধ্যম আৰু বক্তব্যৰে বিশ্লেষণ কৰি ছাত্ৰ সমাজৰ চিত্তাকৰ্ষণ কৰে। খাদ্য বিশেষজ্ঞ তথা বিশিষ্ট শৰীৰচৰ্চাবিদ জ্যোতিৰঞ্জন শইকীয়াই বিভিন্ন খাদ্যৰ গুণ আৰু গুৰুত্বৰ বিষয়ে অৱগত কৰি ছাত্ৰ সমাজক খাদ্য সচেতন হ'বলৈ আহ্বান জনাই কৰ্মশালাখনত ভাষণ দিয়ে। ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনত মহাবিদ্যালয়ৰ বিদ্যুৎ চুতীয়া, ড° ৰূপালী গোস্বামী, মৰমী গোহাঁই, লিচামণি বৰুৱা গগৈ, মানস প্ৰতীপ বৰা, ৰিংকু দত্ত, চিৰঞ্জীৱ চাওলেক, আদি অধ্যাপক অধ্যাপিকা সকলৰ উপৰি ডাঃ অমিয়ৰ সহকাৰী মাখন জ্যোতি দাস আদিয়ে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগায়। ৰাষ্ট্ৰীয় সংগীতেৰে সামৰণি পৰা কৰ্মশালাৰ শেষত শালগৰ শৰাই আগবঢ়ায় ছাত্ৰ-একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক নাজিউদ্দিন আলীয়ে।

## নগৰবেৰাত হেলমেট-অনুজ্ঞাপত্ৰবিহীন মটৰ চাইকেল চালকৰ বিৰুদ্ধে কঠোৰ আৰক্ষী

**আলোপতি, ২৫ ডিচেম্বৰ ঃ** 'কাৰোবাৰ হেলমেট নিলে চোৰে, কাৰোবাৰ থাকিও নিপিন্ধিলে।' কামৰূপ জিলাৰ নগৰবেৰাত কালি আৰক্ষীয়ে হেলমেট নিপিন্ধা, চালকৰ অনুজ্ঞাপত্ৰ নথকা মটৰ চাইকেল চালকৰ বিৰুদ্ধে চলোৱা অভিযানত শুনা গ'ল এই মন্তব্য। উল্লেখ্য যে কালি নগৰবেৰা বজাৰৰ পকী দলঙত অকস্মাতে আৰক্ষীয়ে তালাচী চলোৱাত যথেষ্ট সংখ্যক মটৰ চাইকেল চালকে আৰক্ষীৰ কঠোৰ স্থিতিৰ বাবে জৰিমনা আদায় দিবলৈ বাধ্য হোৱা পৰিলক্ষিত হৈছে। আৰক্ষীৰ তালাচীৰ সময়ছোৱাত একাংশৰ ওজৰ-আপত্তি আছিল মনকৰিবলগীয়া। কোনোবাই ক'লে, 'মোৰ হেলমেট মটৰ চাইকেলৰ পৰা চুৰি কৰি নিলে, কোনোবাই আকৌ থকাৰ পাছতো নিপিন্ধিলে।' কিন্তু এনে যুক্তি নামানিলে আৰক্ষীয়ে। সেয়ে ইজনৰ পাছত সিজনে আদায় দিলে এহেজাৰ টকাকৈ জৰিমনা। ইপিনে আৰক্ষীৰ কঠোৰ স্থিতিৰ পৰা সাৰি নগ'ল নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰৱক্তাও। এগৰাকী প্ৰৱক্তাই হেলমেট নিপিন্ধাকৈ মটৰ চাইকেল লৈ মহাবিদ্যালয়লৈ গৈ থকা অৱস্থাত আৰক্ষীয়ে আদায় কৰিলে জৰিমনা। মুঠৰ ওপৰত নগৰবেৰা আৰক্ষীয়ে কোনো ওজৰ-অপত্তি লৈ গুৰুত্ব নিদিলে। ছয়গাঁও আৰক্ষী চক্ৰৰ চক্ৰ বিষয়াৰ নেতৃত্বত আজি এই অভিযান চলায় আৰক্ষীয়ে। সংবাদ মাধ্যমৰ আগত আৰক্ষী বিষয়াজনে কয় যে সৰ্বসাধাৰণ লোকৰ তুলনাত কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলে মুঠেও হেলমেট পৰিধান নকৰা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত তেওঁ অভিভাৱকৰ লগতে কলেজ কৰ্তৃপক্ষক সচেতন হ'বলৈ আহ্বান জনায়। নিজৰ সন্তানক হেলমেট পৰিধান কৰিবলৈ কোৱাৰ বাবে অভিভাৱকসকলক আহ্বান জনোৱাৰ লগতে মহাবিদ্যালয়লৈ মটৰ চাইকেল লৈ অহা ছাত্ৰ-ছাত্ৰীসকলক হেলমেট পৰিধান বাধ্যতামূলক কৰিবলৈ কলেজ কৰ্তৃপক্ষক অনুৰোধ জনায়। নিজৰ জীৱনৰ মূল্য বুজি সকলোকে হেলমেট পৰিধান কৰিবলৈ আহ্বান জনায় আৰক্ষী বিষয়াজনে।

## গৰুভাষা জলসিঞ্চন সংমণ্ডল কাৰ্যালয় স্থানান্তৰৰ নিৰ্দেশ বাতিলক আদৰণি

অগ্ৰদূত বাৰ্তা
**গৰুভাষা, ২৫ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ গৰুভাষাস্থিত চম্পাৱতী জলসিঞ্চন সংমণ্ডল কাৰ্যালয়টো নিয়াৰিকৈ কাম-কাজ চলি থকাৰ সময়তে অসমৰ ৰাজ্যপালে যোৱা ২১ ছেপ্টেম্বৰত আই জি এন (ই)২২১/২০২১/১৫ নম্বৰ এক অধিসূচনা জাৰি কৰি গৰুভাষাস্থিত চম্পাৱতী জলসিঞ্চন সংমণ্ডল কাৰ্যালয়টো ৩১ নম্বৰ চিদলী জনজাতীয় সমষ্টিৰ চিদলী সুন্দৰী জনসিঞ্চন সংমণ্ডললৈ স্থানান্তৰণ কৰাত গৰুভাষা অঞ্চলৰ এবছু, বড়ো সাহিত্য সভা, ইউ পিপি এল, বি পি এফ, জনজাতি সংঘ, গৰুভাষা বজাৰ কমিটীৰ উপৰি বুদ্ধিজীৱী, কৃষক ৰাইজ আৰু সচেতন মহলে তীব্ৰ প্ৰতিবাদ জনাইছিল। কাৰ্যালয়টো পূৰ্বৰ ঠাইত ৰখাৰ বাবে অসম চৰকাৰ, অসম চৰকাৰৰ জলসিঞ্চন মন্ত্ৰী, চিদলী সমষ্টিৰ বিধায়ক আৰু বিটি আৰৰ মুখ্য কাৰ্যবাহী সদস্যক স্মাৰকপত্ৰ যোগে দাবী জনাইছিল। দল-সংগঠনৰ দাবী প্ৰতি সঁহাৰি জনাই অসম চৰকাৰৰ জলসিঞ্চন সচিবৰ এক অধিসূচনা নম্বৰ আই জি এন (ই) ২২১/২০২১/১৯-এত ২৪ ডিচেম্বৰ ২০২১ মৰ্মে পূৰ্বৰ অধিসূচনা বাতিল কৰি ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চিদলী সুন্দৰী জলসিঞ্চন সংমণ্ডল কাৰ্যালয় পৰিৱৰ্তে পূৰ্বৰ গৰুভাষাত কাৰ্যালয় বাহাল ৰখাৰ বাবে জাৰি কৰা নিৰ্দেশক আদৰণি জনাইছে অঞ্চলৰ বিভিন্ন দল-সংগঠন আৰু ৰাইজে।

## জাতীয় সাংস্কৃতিক বৰভেটি অসমৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**পশ্চিম যোৰহাট, ২৫ ডিচেম্বৰ ঃ** অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীৰে জাতীয় সাংস্কৃতিক বৰভেটি অসমে চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰিছে। বৰ অসমৰ বৰভেটিত প্ৰতিষ্ঠিত বৃহত্তৰ অসমৰ লোক সংস্কৃতিৰ জলধাৰাটি পাহাৰ, ভৈয়াম তথা ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ জাতি-জনগোষ্ঠীসমূহৰ মাজত সমন্বয়ৰ সেতু গঢ়ি তোলাৰ মানসেৰে গঢ় লোৱা জাতীয় সাংস্কৃতিক বৰভেটি অসমৰ উদ্যোগত যোৰহাট জিলা সমিতি সহযোগত অহা ২১ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে জিলা পুথিভঁৰালত আয়োজন কৰিছে বুলি সংবাদমেলত জানিবলৈ দিয়ে উদ্যোক্তামণ্ডলীয়ে। যোৱা ২৪ ডিচেম্বৰত যোৰহাট জিলা প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা এখন সংবাদমেলত কেন্দ্ৰীয় সমিতিৰ সভাপতি বিহুৰাম কলিতা, কাৰ্যকৰী সভাপতি কুমুদ নাথ, প্ৰধান সম্পাদক পুলু দত্তৰ লগতে উদ্‌যাপন সমিতিৰ সভাপতি ৰূপক দত্ত, কাৰ্যকৰী সভাপতি আৰু সম্পাদক জীৱন চন্দ্ৰ হাজৰিকাকে মুখ্য কৰি সমূহ কৰ্মকৰ্তা উপস্থিত থাকে। সংবাদমেলৰ জৰিয়তে কাৰ্যসূচীত যোৰহাটবাসী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

## প্ৰতিখন ডাম্পাৰৰ পৰা ১৫-১৮ হেজাৰ, ট্ৰাকৰ পৰা ৪৫-৫০ হেজাৰকৈ টকা সংগ্ৰহ

■ অবৈধ কয়লা সৰবৰাহ-ছিণ্ডিকেট বন্ধৰ দাবীত তিনিচুকীয়াত জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান যুৱ কংগ্ৰেছৰ

অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ২৫ ডিচেম্বৰ ঃ** শূন্য সহনশীলতাৰ চৰকাৰৰ কথা কোৱা ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শাসনভাৰৰ মাজতে বন্ধ ঘোষণা কৰা কয়লাৰ পুনৰ আৰম্ভ হৈছে অবৈধ বেহা। মাৰ্ঘেৰিটা-খাৰচাঙৰ পৰা তিনিচুকীয়া জিলাৰ মাজেৰে আৰক্ষী-প্ৰশাসন-বনবিভাগৰ চকুৰ সন্মুখেৰে এতিয়া প্ৰতি নিশাই একাংশ কয়লা মাফিয়াই সৰকাই নিছে শ শ চোৰাং কয়লাভৰ্তি ট্ৰাক-ট্ৰেইলাৰ। অবৈধ কয়লা সৰবৰাহ আৰু ছিণ্ডিকেট বন্ধৰ দাবীত যোৱা ২৪ ডিচেম্বৰত জিলা উপায়ুক্তক তিনিচুকীয়া জিলা যুৱ কংগ্ৰেছে এখন স্মাৰকপত্ৰ প্ৰদান কৰে। তিনিচুকীয়া জিলা যুৱ কংগ্ৰেছৰ সভাপতি শিৱনাথ চেতিয়াৰ স্বাক্ষৰিত স্মাৰকপত্ৰখনৰ জৰিয়তে অভিযোগ কৰে যে উজনি অসমৰ বিশেষকৈ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত মাৰ্ঘেৰিটা, বৰগোলাই, লিডু, নামটক, চেলেকি, আৱাধৰা, টিপং আদি অঞ্চলত কেইজনমান মাফিয়াই সংৰক্ষিত বনাঞ্চল ধ্বংস কৰি কয়লাৰ অবৈধ ছিণ্ডিকেট চলাই আহিছে। ২০২০ৰ তিনি জুনত উত্তৰ-পূৰ্ব কয়লা ক্ষেত্ৰৰ ফালৰ পৰা কয়লা খনন আৰু পৰিবহণ সম্পূৰ্ণৰূপে বন্ধ কৰি ৰখাৰ পাছতো কেইজনমান কয়লা মাফিয়াই বনবিভাগ আৰু স্থানীয় আৰক্ষী প্ৰশাসনক সম্পূৰ্ণৰূপে মেনেজ কৰি নিশা আন্ধাৰৰ সুযোগ গ্ৰহণ কৰি চলিত মাহৰ আৰম্ভণিৰ পৰা ৰাজ্যখনৰ বিভিন্ন জিলালৈ চোৰাং কয়লা সৰবৰাহ কৰি আহিছে। সেই মাফিয়াসকলে ছিণ্ডিকেটৰ বাবদ প্ৰতিখন ডাম্পাৰৰ পৰা ১৫-১৮ হেজাৰ আৰু ট্ৰাকৰ পৰা ৪৫-৫০ হেজাৰকৈ টকা সংগ্ৰহ কৰি ছিণ্ডিকেট চলাই থকাৰ বিষয়ে সৰ্বত্ৰে চৰ্চিত। আনহাতে, ছিণ্ডিকেটৰ লগত জড়িত সেই মাফিয়াসকলৰ এখন ১৯ জনীয়া কয়লা চোৰৰ তালিকাৰ সৈতে ২০১৯ৰ ১২ মাৰ্চত খনি আৰু ভূতত্ত্ব বিভাগে তিনিচুকীয়া জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ অভিযোগ দাখিল কৰিছিল যদিও সেই সময়ত উক্ত মাফিয়াসকলৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। বৰ্তমান সেই একেই কেইজন মাফিয়াই পুনৰ কয়লাৰ ছিণ্ডিকেট চলাই আহিছে যদিও বৰ্তমানলৈকে প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইতিমধ্যে যোৱা ২৩ ডিচেম্বৰত অসম বিধানসভাৰ অধিবেশনত ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে অতি স্পষ্টভাৱে মাৰ্ঘেৰিটাৰ কয়লা ছিণ্ডিকেট বন্ধ কৰাৰ কথা ঘোষণা কৰিছে। গতিকে অতিশীঘ্ৰে মাৰ্ঘেৰিটাৰ কয়লা ছিণ্ডিকেট বন্ধ কৰাৰ লগতে ছিণ্ডিকেটৰ লগত জড়িত মাফিয়াসকলৰ ওপৰত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। স্মাৰকপত্ৰ প্ৰদানৰ সময়ত সভাপতিজনৰ সৈতে উপস্থিত থাকে চাবুৱা সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰাজু চাহু, তিনিচুকীয়া জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰণৱ বৰুৱাকে ধৰি কে'বাগৰাকীও কৰ্মী।



## অসম মানৱ কল্যাণ ফাউণ্ডেছনৰ বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ

অগ্ৰদূত বাৰ্তা,
**শালবাৰী, ২৫ ডিচেম্বৰ ঃ** অসম মানৱ কল্যাণ ফাউণ্ডেছনৰ বাগ্‌সা জিলা কমিটীৰ উদ্যোগত যোৱা ২১ ডিচেম্বৰত শালবাৰী মহকুমাৰ অন্তৰ্গত ৰৌমাৰী গাঁৱৰ পৰা হুদুখাটালৈ যোৱা পথৰ কাষে কাষে গছপুলি ৰোপণ কাৰ্যসূচী হাতত লোৱা হয়। উক্ত কাৰ্যসূচীত উপস্থিত থাকে জিলা কমিটীৰ উপ সভাপতি বনজিৎ দাস, কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক আৰু জিলা কমিটীৰ উপদেষ্টা মৌচম নাথ আৰু আন সদস্যৰ লগতে স্থানীয় ৰৌমাৰী গাঁৱৰ ৰাইজ। কেন্দ্ৰীয় কমিটীৰ প্ৰচাৰ সম্পাদক আৰু জিলা সমিতিৰ উপদেষ্টা মৌচম নাথে জানিব দিয়া মতে কেন্দ্ৰীয় কমিটীৰ তৰফৰ পৰা সমগ্ৰ অসমতে একলাখ বৃক্ষৰোপণৰ কাৰ্যসূচী হাতত লোৱা হৈছে। সেই মৰ্মে বাগ্‌সা জিলাতো বৃক্ষৰোপণৰ কাম আৰম্ভ কৰা হয়।

## নগাঁৱত ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিত্ৰ শিল্পৰ শিবিৰ

বিশেষ সংবাদদাতা
**নগাঁও, ২৫ ডিচেম্বৰ ঃ** সৰ্বভাৰতীয় সংগীত আৰু সাংস্কৃতিক পৰিষদৰ উদ্যোগত আৰু নগাঁৱত আৰ্ট ভিলেজৰ সহযোগত যোৱা ২৪ ডিচেম্বৰৰ পৰা দুদিনীয়াকৈ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিত্ৰকলা আৰু ভাস্কৰ্যৰ লগতে আলোচনাচক্ৰ অনুষ্ঠিত হয়। আৰ্ট ভিলেজত অনুষ্ঠিত এই কাৰ্যসূচী এগছি বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে নগাঁও মহাবিদ্যালয়ৰ (অট'নমাচ) অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। অনুষ্ঠানক আৰম্ভণিতে বড়ো, কাৰ্বি, তিৱা আৰু জনজাতীয় নৃত্যৰ লগতে বিহু পৰিৱেশন কৰা হয়। নগাঁও জিলাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই চিত্ৰকলা শিবিৰ আৰু শিল্পকলাক লৈ আলোচনাচক্ৰত অংশগ্ৰহণ কৰে অসমৰ লগতে পশ্চিমবংগ, নতুন দিল্লী, তামিলনাডু, মহাৰাষ্ট্ৰ, কৰ্ণাটক আদিৰ ৬০জন চিত্ৰকৰ আৰু ভাস্কৰে। কাৰ্যসূচীত অসমৰ শিৱপ্ৰসাদ মাৰাৰ, আফতাৰ আলী, সুজিত দাস আৰু কলকাতাৰ বিনয় দলে, ইন্দ্ৰজিৎ নাৰায়ণ, সুশান্ত সৰকাৰ, ত্ৰিপুৰাৰ জয়দীপ ভট্টাচাৰ্য, কৰ্ণাটকৰ শিমুল ভদিয়া, নতুন দিল্লীৰ মধু বাসুদেৱন, উত্তৰ প্ৰদেশৰ দীনেশ মজুমদাৰ, মহাৰাষ্ট্ৰাৰ সোমা মিত্ৰ, আমেৰিকাৰ কস্তুৰী চেটাৰ্জী আদি বিশিষ্ট শিল্পীয়ে অংশগ্ৰহণ কৰে। সৰ্বভাৰতীয় সংগীত আৰু সাংস্কৃতিক পৰিষদৰ সহকাৰী সম্পাদক শান্তনু সেনগুপ্ত, আৰ্ট ভিলেজৰ সচিব সুজিত দাস আৰু জ্যোতি একাডেমীৰ সাংস্কৃতিক সম্পাদক তথা জ্যোতি আৰ্ট স্কুলৰ চেণ্টাৰ হুল্ডাৰ মানৱজ্যোতি বৰাই আঁত ধৰা আৰম্ভণি অনুষ্ঠানত লেখক ভীষ্মদুৰ্লভ মহন্ত, শিশুবন্ধু দুলাল বৰা, কবি খগেন শইকীয়া উপস্থিত থাকে। কলকাতাৰ প্ৰখ্যাত চিত্ৰশিল্পী সুশান্ত সৰকাৰে অনুষ্ঠানত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এখন চিত্ৰ অংকন কৰে। বিভিন্ন চিত্ৰশিল্পীয়ে তেওঁলোকৰ চিত্ৰশৈলীৰে অনুষ্ঠানটোক অনন্য মাত্ৰা প্ৰদান কৰে।

## চৰকাৰী বিদ্যালয়ত ৰিমছ এপে সমস্যাৰ সৃষ্টি কৰিব

অগ্ৰদূত বাৰ্তা
**চিনামৰা, ২৪ ডিচেম্বৰ ঃ** যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বিবাৰ্ষিক অধিৱেশন যোৱা ২১ ডিচেম্বৰত যোৰহাটৰ আতলীয়া গাঁওস্থিত সন্মিলনী ভৱনত অনুষ্ঠিত হয়। সমিতিৰ বৰ্তমানৰ সভাপতি পূৰ্ণেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মুকুল বেজবৰুৱাই। তেওঁ বিগত দুটা বছৰৰ আয়-ব্যয়ৰ খতিয়ানো দাঙি ধৰে। যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি প্ৰাঞ্জল বৰা, সম্পাদক ত্ৰিদীপ বৰুৱা, উপ-সভানেত্ৰী মিনতি পেগুৱে বক্তব্য প্ৰদান কৰে। তিনিওগৰাকী ব্যক্তিকে যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই সভাতে আগন্তুক দুবছৰৰ বাবে পূৰ্ণেশ্বৰ বৰাক সভাপতি, কুলধৰ শইকীয়া আৰু ৰুণুমী ভাগৱতীক উপ-সভাপতি, চন্দনজ্যোতি শৰ্মাক সম্পাদক, বিনয় শইকীয়া আৰু ৰাণা মহন্তক সহকাৰী সম্পাদকৰূপে লৈ নতুন সমিতি গঠন কৰা হয়।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
যোৰহাট, ২৬ ডিচেম্বৰ, দেওবাৰ, ২০২১ পৃষ্ঠা ১১

# মহিলাৰ হৃদৰোগ কিয় বেছি হয়

**যিসকল মহিলাই দীৰ্ঘদিন ধৰি ধূমপান কৰে তেওঁলোকৰ শৰীৰত এইবিধ হৰম'নৰ নিঃসৰণৰ পৰিমাণ হ্ৰাস পাব পাৰে। আনহাতে, ডায়েবেটিছত আক্ৰান্ত মহিলাৰো ইষ্ট্ৰোজেনৰ পৰিমাণ হ্ৰাস পায়।**

**প্ৰকৃতিগত** নিয়মৰ মাজেদিয়ে এক নিৰ্দিষ্ট বয়সৰ পাছত আৰম্ভ হয় মাহেকীয়া বন্ধ হোৱা প্ৰক্ৰিয়া বা মেন'পজ। এই অৱস্থাৰ সময়ত মহিলাৰ শাৰীৰিক পৰিৱৰ্তন হয় । কিয়নো মেন'পজ সময় মানেই শৰীৰত কিছুমান বিশেষ হৰম'নৰ উনৈশ-বিশ। অৰ্থাৎ এনে ধৰণৰ হৰম'নৰ কোনো ঔষধ বৃদ্ধি পায় যদিও আন এবিধৰ নিঃসৰণ আকৌ হ্ৰাস পাবলৈ ধৰে। সাধাৰণতে মেন'পজৰ পাছত ইষ্ট্ৰোজেন হৰম'ন নিঃসৰিত কম পৰিমাণে হয়। ডিম্বাশয়ৰ পৰা নিঃসৰিত এইবিধ হৰম'নে হৃদৰোগ প্ৰতিৰোধ কৰাত সহায় কৰে। তদুপৰি ইষ্ট্ৰোজেনে গোনাডোট্ৰ'পিন নিঃসৰণত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। ইষ্ট্ৰোজেন হ'ল ছেক্স হৰম'নৰ অন্তৰ্ভুক্ত হৰম'ন যিয়ে মহিলাৰ উৰ্বৰা প্ৰক্ৰিয়াৰ বিকাশ বা গতিশীল কৰাৰ লগতে নিয়মীয়া কৰে।



ইয়ে স্তনৰ আকাৰ বৃদ্ধিৰ ক্ষেত্ৰতো সহায়ক। যোনিৰ বেৰৰ ঘনত্ব আৰু তেলজাতীয় পদাৰ্থ সতেজ কৰি ৰখাত সহায় কৰে। প্ৰতিগৰাকী মহিলাৰ ক্ষেত্ৰত ইয়াৰ পৰিমাণ সমানে নাথাকে। কিছুমানৰ শৰীৰত বেছি আৰু কিছুমানত কম থাকে। যিসকল মহিলাই দীৰ্ঘদিন ধৰি ধূমপান কৰে তেওঁলোকৰ শৰীৰত এইবিধ হৰম'নৰ নিঃসৰণৰ পৰিমাণ হ্ৰাস পাব পাৰে। আনহাতে, ডায়েবেটিছত আক্ৰান্ত মহিলাৰো ইষ্ট্ৰোজেনৰ পৰিমাণ হ্ৰাস পায়। সেয়েহে মেন'পজৰ পাছত মহিলাৰ হৃদৰোগ হোৱাৰ আশংকা থাকে। হাৰ্টএটেক, হাৰ্ট ফেইলিউৰৰ পৰা আৰম্ভ কৰি আন সমস্যায়ো গা কৰি উঠিব পাৰে। সেইবাবে মহিলাসকলে এনে সমস্যা বা ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ সৰুৰে পৰাই সতৰ্ককতা অৱলম্বন কৰা উচিত। শৈশৱৰ পৰাই সুষম, পুষ্টিকৰ খাদ্য খোৱাৰ অভ্যাস গঢ়ি তুলিব লাগে। বিশেষকৈ বয়স বৃদ্ধিৰ লগে লগে যাতে হৰম'নৰ পৰিমাণ হঠাতে হ্ৰাস নাপায় তাৰ বাবে পুষ্টিকৰ আহাৰৰ তালিকা প্ৰস্তুত কৰা উচিত।

এই খিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে মেন'পজৰ বাবে হৃদৰোগ নহয়। মেন'পজৰ সময়ত কিছুমান কাৰকৰ বাবেহে এনে আশংকা বৃদ্ধি পায়। ইষ্ট্ৰোজেনে ৰক্তবাহী নলীৰ ভিতৰভাগৰ বেৰৰ তৰপ সঠিক কৰি ৰখাত সহায় কৰে। তদুপৰি ৰক্তবাহী নলীসমূহ শিথিল কৰি ৰখাতো ইতিবাচক ভূমিকা গ্ৰহণ কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। আমেৰিকান হাৰ্ট এছ'চিয়েছনৰ গৱেষকসকলে হৃদৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত এইবিধ হৰম'নৰ ইতিবাচক ভূমিকা থকা বুলি কিছু তথ্য লাভ কৰিছে। যদিহে সঠিক আহাৰ গ্ৰহণৰ লগতে সুস্থ জীৱন-যাপন কৰে তেতিয়াহ'লে সহজে হৃদৰোগ হ'ব নোৱাৰে। তদুপৰি যিসকল মহিলাৰ পৰিয়ালত এনে সমস্যা থকাৰ ইতিহাস আছে তেওঁলোকৰ বেছিকৈ আক্ৰান্ত হোৱাৰ আশংকা থাকে। মহিলাসকলে নিয়মীয়াকৈ ব্যায়াম কৰিলেও সুফল লাভ কৰিব পাৰে। নিয়মীয়াকৈ নহ'লেও সপ্তাহত অন্ততঃ চাৰি-পাঁচ দিন ব্যায়াম কৰিব লাগে।

এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ সতেজ শাক-পাচলি, ফলমূল, কম চৰ্বিযুক্ত দুগ্ধজাত খাদ্য, মুৰ্গী, মাছ আদি নিয়মীয়াকৈ খালে সুফল লাভ কৰিব পাৰি। তদুপৰি ৰেড মীট. শৰ্কৰা জাতীয় খাদ্যও সীমিত পৰিমাণে খোৱা উচিত।

মহিলাসকলৰ প্ৰায়ভাগেই মেন'পজৰ সম্পৰ্কে সতৰ্ক নহয়। প্ৰকৃতিগতভাৱে মহিলাৰ জীৱনলৈ নিৰ্দিষ্ট সময়ত আৰম্ভ হয় বুলি ভাবে। আনকি লক্ষণসমূহ ফুটি উঠিলেও সেইবোৰত গুৰুত্ব প্ৰদান নকৰে। মাতৃয়ে নিজৰ কন্যা সন্তানক সৰুৰে পৰা শিকাব লাগে।

**আজিকালি সৰু সৰু ল'ৰা-ছোৱালীয়ে খাদ্য গ্ৰহণৰ সময়ত টিভি, ম'বাইল, গুগল আদিত ব্যস্ত হৈ থাকে। এনেদৰে খাদ্য খোৱাৰ ফলত খাদ্যৰ পুষ্টিগুণে যিমান উপকাৰ সাধন কৰিব লাগিছিল সিমান নোহোৱা বাবে বিভিন্ন সমস্যাই গা কৰি উঠিবলৈ ধৰিছে। সাধাৰণতে এনেবোৰ সমস্যা বয়স বৃদ্ধিৰ লগে লগে হোৱা দেখা যায় যদিও এতিয়া শৈশৱতেই আৰম্ভ হৈছে। ই এক চিন্তাৰ বিষয়।**

# সুস্বাস্থ্যৰ বাবে ইতিবাচক মনোভাবৰ প্ৰয়োজন



**উপযুক্ত** আহাৰ, নিদ্ৰাৰ লগতে মানসিক প্ৰশান্তিয়ে এগৰাকী ব্যক্তিৰ স্বাস্থ্যৰ মূলধন। তিনিওটা বিষয় পৰস্পৰৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত। উপযুক্ত আহাৰ সময়মতে গ্ৰহণ কৰাটো স্বাস্থ্য ৰক্ষাৰ প্ৰথম পৰ্যায়। দ্বিতীয় পৰ্যায় হ'ল সুন্দৰ টোপনি। এই দুয়োটাৰ মাজত তেতিয়াহে ভাৰসাম্য ৰক্ষা হ'ব যেতিয়া মানসিক ভাৰসাম্য ৰক্ষা হয়। এই তিনিওটাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো উজু কাম নহয়। ইতিবাচক মনোভাবৰ গৰাকীয়ে স্বাস্থ্য আৰু টোপনিৰ মাজত ভাৰসাম্য ৰক্ষা কৰিব লাগে। যিকোনো বিষয়তে ভাৰসাম্যই মূল কথা। উদাহৰণ স্বৰূপে শৰীৰৰ বাবে প্ৰয়োজনীয় খাদ্য আৰু কেল'ৰি বা শক্তিৰ দৈনিক ব্যয়ৰ মাজত থাকিবলীয়া বিষয়টোকে উল্লেখ কৰিব পাৰি। যদি দুয়োটাৰ মাজত ভাৰসাম্য ৰক্ষা নহয় তেতিয়া হ'লে সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো অসম্ভৱ। সেয়েহে কোৱা হয় অসুস্থ মনে কেতিয়াও সুখী হোৱাৰ পথত আগুৱাই নিব নোৱাৰে। অসুস্থক অসুখী মনত সদায় নেতিবাচক চিন্তা-ভাৱনাইহে স্থান লাভ কৰে। যিমানেই নেতিবাচক চিন্তাই মনত বাহ লয় সিমানেই খাদ্যগ্ৰহণ, জিৰণি আৰু শৰীৰে পুষ্টি লাভৰ মাজত ভাৰসাম্যহীন অৱস্থাৰ সৃষ্টি হয়। যেতিয়া আমি খাদ্য গ্ৰহণ কৰো তাৰ পৰা লাভ কৰা পুষ্টিৰে শৰীৰৰ অংগ-প্ৰত্যংগই কৰ্ম সম্পাদন কৰিব পাৰে। উপযুক্তভাৱে সঠিক সময় পুষ্টি লাভ নকৰিলে তাৰ প্ৰভাৱ যে কেৱল শৰীৰৰ ওপৰতেই পৰে তেনে নহয়, সমান্তৰালকৈ মনৰ ওপৰতো পৰা দেখা যায়। সেইবাবে মনটোক প্ৰথমে স্থিৰ কৰিব লাগিব। মন আৰু অংগ-প্ৰত্যংগই কিমান কাম সম্পাদন কৰে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত সংকেতৰে। কেন্দ্ৰীয় স্নায়ুতন্ত্ৰই যেতিয়া সংকেত প্ৰেৰণ কৰে তেতিয়া নিৰ্দিষ্ট অংগ-

**নয়ন কুমাৰ শৰ্মা**

প্ৰত্যংগই সেই নিৰ্দেশমতেই কাৰ্য সম্পাদন কৰে।

আজিকালি সৰু সৰু ল'ৰা-ছোৱালীয়ে খাদ্য গ্ৰহণৰ সময়ত টিভি, ম'বাইল, গুগল আদিত ব্যস্ত হৈ থাকে। এনেদৰে খাদ্য খোৱাৰ ফলত খাদ্যৰ পুষ্টিগুণে যিমান উপকাৰ সাধন কৰিব লাগিছিল সিমান নোহোৱা বাবে বিভিন্ন সমস্যাই গা কৰি উঠিবলৈ ধৰিছে। সাধাৰণতে এনেবোৰ সমস্যা বয়স বৃদ্ধিৰ লগে লগে হোৱা দেখা যায় যদিও এতিয়া শৈশৱতেই আৰম্ভ হৈছে। ই এক চিন্তাৰ বিষয়। শিশুটিয়ে যেতিয়া খোৱা আৰু টিভি, ম'বাইল চোৱা একেলগে কৰে তেতিয়া খোৱা আৰু টি ভি ম'বাইল চোৱা একেলগে কৰে তেতিয়া খাদ্য খায় তৃপ্তি লাভ বা সোৱাদ অনুভৱ কৰাতকৈ ম'বাইল আদিততহে অধিক গুৰুত্ব দিয়ে। আমাৰ প্ৰায়ভাগ কামৰ স'তে হৰম'নৰ সম্পৰ্ক আছে। মনটো ভাল লগাৰ লগে লগে যিবিধ হৰম'ন উৎপন্ন হ'ব, সেয়া পিছে দুখ মনেৰে থাকিলে নহয়। যেতিয়া খাবলৈ মন যায় তেতিয়া কিছুমান বিশেষ ধৰণৰ হৰম'ন নিঃসৰণ হয়। সোৱাদ লগা খাদ্য খোৱাৰ লগে লগে যিবিধ হৰম'ন নিঃসৰণ হয় তাৰ দ্বাৰা হজমশক্তি স্বাভাৱিক হয়। হজম স্বাভাৱিক মানে শৌচ-প্ৰস্ৰাৱ আদি নিয়মীয়াকৈ হোৱাত সহায়ক। বহুতৰ শৌচ-প্ৰস্ৰাৱ স্বাভাৱিক পৰিমাণে নোহোৱাৰ ফলত বহুতো ৰোগে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। কেৱল সেয়াই নহয় যদিহে শৌচ-প্ৰস্ৰাৱ ভালদৰে নহয় তেতিয়া টোপনিত ব্যাঘাত জন্মে। দিনটো অস্বস্তিৰে অতিবাহিত কৰিবলগীয়া হয়। তদুপৰি যিসকলৰ এই দুয়োবিধ নিয়মীয়াকৈ নহয় তেওঁলোকৰ স্বাস্থ্যও সহজে ভাগি পৰে। সৰুৰে পৰাই যদি এইবোৰ বিষয়ত গুৰুত্ব দিবলৈ পিতৃ-মাতৃ অথবা অভিভাৱকে নিশিকায় তেতিয়াহ'লে বয়স বৃদ্ধিৰ লগে লগে সমস্যাই জটিল ৰূপ ধাৰণ কৰিবৰবলৈ লয়। সেইবাবে সুস্বাস্থ্যৰ বাবে সকলোৱে ইতিবাচক চিন্তা কৰিলে শৰীৰত যিবোৰ হৰম'ন নিঃসৰণ হয় সেইবোৰৰ ভিতৰত অন্যতম হ'ল ছেৰোট'নিন, ডোপামিন, অক্সিটোচিন আৰু এন্তৰফিন অন্যতম। এইবোৰ হৰম'নে মনটোত আনন্দৰ ভাব জগাই তোলাৰ লগতে দিনটোৰ বাবে উৎফুল্লিত কৰি ৰাখে। সেই বাবে দিনটোৰ আৰম্ভণি সুন্দৰভাৱে কৰিবলৈ সকলোৱে ইতিবাচক চিন্তাৰে আগবঢ়া উচিত। পুৱাই উঠি যদি কাৰোবাৰ কৰ্কশ কথা শুনিবলগীয়া হয় তেতিয়াহ'লে মনটো বেয়া লাগে। মন বেয়া লাগিলে হাইপেথেলামাছে স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব নোৱাৰে। মন বেয়া লগাৰ উপৰি সূৰ্যৰ পোহৰ শৰীৰত নপৰা আৰু মস্তিষ্কত সৃষ্টি হোৱা কিছুমান ৰাসায়নিকে হাইপোথেলামাছক স্বাভাৱিকভাৱে কাৰ্য সম্পাদনত বাধা দিয়ে। এনে হ'লে ছেৰোট'নিন হৰম'ন নিঃসৰণত ব্যাঘাত জন্মে। গতিকে এনেবোৰ বিষয়ত যদি দৈনন্দিন জীৱন-যাপনত অলপ সময়ো গুৰুত্ব দিয়া হয় তেতিয়াও সুফল পোৱা যায়।

কিছুমান ব্যক্তিয়ে সদায় নেতিবাচক মনোভাৱ লৈয়ে আগবাঢ়ে। অৰ্থাৎ পুৱাৰ পৰা নিশালৈকে যিকোনো বিষয়তে কেৱল নেতিবাচক মনোভাৱ। এনে লোকৰ আশে-পাশে থকা ব্যক্তিসকলেও লাহে লাহে নেতিবাচক মনোভাৱ গ্ৰহণ কৰিবলৈ ধৰে। সদায় নেতিবাচক মনোভাৱ সম্পন্ন লোকৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।

**সুস্বাস্থ্যৰ বাবে সকলোৱে ইতিবাচক চিন্তা কৰিলে শৰীৰত যিবোৰ হৰম'ন নিঃসৰণ হয় সেইবোৰৰ ভিতৰত অন্যতম হ'ল ছেৰোট'নিন, ডোপামিন, অক্সিটোচিন আৰু এন্তৰফিন অন্যতম।**



*ফোন ঃ ৯৮৬৪০-৪৮৯৬৯*

# ৰোগীৰ বাবে চেনি নে গুড় মিঠাই ভাল



**চেনি** আৰু গুড় মিঠাইত থকা শৰ্কৰাৰ মাজত কিবা পাৰ্থক্য আছে জানো? প্ৰায়ভাগ লোকেই চেনিতকৈ মিঠাই শৰীৰৰ বাবে উপকাৰী বুলি ভাবে। সেইবাবে বহুতেই বিশেষকৈ ডায়েবেটিছত আক্ৰান্ত লোকসকলে চেনিৰ পৰিৱৰ্তে গুড় মিঠাই খায়। গুড় মিঠাইত শৰ্কৰা কম থাকে বুলি ভাবে। চেনি মানেই শৰ্কৰা। অথচ গুড় মিঠাইত চেনিতকৈ কোনো গুণেই কম শৰ্কৰা নাথাকে। ডায়েবেটিছত আক্ৰান্ত লোকৰ বাবে শৰ্কৰা নিয়ন্ত্ৰণ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ। এয়া চেনিতেই অথবা গুড় মিঠাইতে হওক কোনো কথা নাই। ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ চেনিৰ পৰিৱৰ্তে গুড় মিঠাই খোৱাৰ মানসিকতা সলনি কৰিব লাগিব। কাৰণ এনে কৰাৰ ফলত কিছুমান ৰোগীৰ শৰ্কৰা ইমানেই বৃদ্ধি পায় যে ইয়াক নিয়ন্ত্ৰণ কৰাটো প্ৰত্যাহ্বান স্বৰূপ হয়। এগৰাকী ডায়েবেটিছত আক্ৰান্ত ৰোগীয়ে দিনটোৰ ভিতৰত কিমান শৰ্কৰা, কেলৰি গ্ৰহণ কৰিব পাৰে সেই সম্পৰ্কে জানি থোৱাটো তেনেই গুৰুত্বপূৰ্ণ বিষয়। প্ৰয়োজনতকৈ কেতিয়াও বেছি চেনি, মিঠাই নাখাব। এই ক্ষেত্ৰত চিকিৎসক, পুষ্টি বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

# কেলৰিৰ পৰিমাণ বেছি হ'ব নালাগে

**এগৰাকী** সুস্থ ব্যক্তিৰ দৈনন্দিন কাৰ্য পৰিচালনাৰ বাবে প্ৰয়োজন নিৰ্দিষ্ট পৰিমাণৰ কেলৰিৰ। এই পৰিমাণ কম বেছি হোৱা মানেই বিপদ। সাধাৰণতে কেলৰি গ্ৰহণ বিষয়টো নিৰ্ভৰ কৰে লোকজনৰ দৈনন্দিন কৰ্মপদ্ধতিৰ ওপৰত। এজন কঠোৰ পৰিশ্ৰম কৰা লোকৰ বাবে যিমান কেলৰি দৈনিক প্ৰয়োজন, আন এজন কম পৰিশ্ৰম কৰা লোকক কমকৈ লাগিব। কিছুমান লোকে দিনৰ দিনটো বহি থাকিও কামত ব্যস্ত হৈ দীৰ্ঘসময় পৰিশ্ৰম কৰে। বিশেষকৈ কম্পিউটাৰ, লিখা-মেলা কৰা লোকসকলে দীৰ্ঘসময় ধৰি একে ঠাইতে বহি থাকি পাছত আকৌ নিশা দুপৰত টোপনি যায়। এনে ধৰণৰ পৰিশ্ৰমৰ ক্ষেত্ৰত বেছি কেলৰিৰ প্ৰয়োজন নহয়। এজন সুস্থ ব্যক্তিৰ বাবে দৈনিক ১৬০০-১৭০০ কিলো কেলৰিৰ প্ৰয়োজন। আনহাতে, মেদবহুল লোকৰ বাবে ১২০০ কিলো কেলৰিয়েই যথেষ্ট। যদি ডায়েবেটিছত আক্ৰান্ত ব্যক্তি এজনে শৰ্কৰা নিয়ন্ত্ৰণত থকাৰ পাছত এদিন এটা মিঠাই খায় তেতিয়াহ'লে তেওঁ ভাত বা ৰুটি কমকৈ খাব লাগিব। অৰ্থাৎ এবিধ খোৱাৰ বাবে আন এবিধ কম পৰিমাণে খালে শৰীৰত কেলৰিৰ পৰিমাণ নিয়ন্ত্ৰণত থাকিব। সেইবাবে কৃত্ৰিম চেনি বা মিঠাইৰ ক্ষেত্ৰতো সকলোৱে সাৱধান হ'ব লাগিব। কিছুমানে আকৌ কৃত্ৰিম চেনি খোৱাৰ মাজতে চেনি বা সৰল শৰ্কৰাও খায়। ফলত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি পায়। মনত ৰখা উচিত যে শৰ্কৰা এদিনতে বৃদ্ধি পায় যদিও সেই পৰিমাণৰ শৰ্কৰাক নিয়ন্ত্ৰণ কৰিবলৈ কে'বাদিনৰ প্ৰয়োজন হয়। এগৰাকী ব্যক্তিয়ে নিতৌ কেলৰি গ্ৰহণ কৰা বিষয়টো বয়স, লিংগ, জীৱনশৈলী আৰু স্বাস্থ্যৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে এগৰাকী সুস্থ পুৰুষক নিতৌ ২৫০০ কেলৰিৰ প্ৰয়োজনৰ বিপৰীতে মহিলাক ২০০০ কেলৰিৰ প্ৰয়োজন। পুৱাৰ আহাৰ যদি সঠিক আৰু উপযুক্ত পৰিমাণে গ্ৰহণ কৰে তেতিয়াহ'লে দিনটোৰ বাবে প্ৰয়োজনীয় কেলৰি লাভ কৰাটো সম্ভৱ। দিনটোৰ ভিতৰত গ্ৰহণ কৰা কেলৰি আৰু ব্যয়ৰ মাজত যদি ভাৰসাম্য ৰক্ষা নহয় তেতিয়াহ'লে শৰীৰৰ ওজন বৃদ্ধি পাবলৈ ধৰে। যিসকল লোকে গ্ৰহণ কৰা কেলৰি আৰু কামৰ দ্বাৰা ব্যয় হোৱা কেলৰিৰ মাজত ভাৰসাম্য ৰক্ষা কৰে তেওঁলোকৰ বিশেষ সমস্যাই গা কৰি নুঠে। সদায় ভাৰসাম্য ৰক্ষা কৰিবলৈ চেষ্টা কৰে। দৈনন্দিন জীৱন-যাপনত দেখা যায় যে প্ৰায়ভাগ লোকেই এনেবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিব নোখোজে। এনেবোৰ বিষয়তো ৰাইজক সজাগ কৰাৰ প্ৰয়োজন আছে। আজিকালি ডায়েবেটিছ, হৃদৰোগ, কৰ্কটৰোগ আদিৰ ওপৰত সজাগতা সৃষ্টি কৰা হৈছে। এনে ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে কি কি কৰিব লাগিব, কেনে ধৰণৰ সতৰ্কতা অৱলম্বন কৰিব লাগিব সেই বিষয়ে প্ৰচাৰ কৰাৰ নামতে ব্যাপক প্ৰচাৰ চলোৱা হৈছে। পিছে যদি এগৰাকী ব্যক্তিয়ে উপযুক্তভাৱে কেলৰি গ্ৰহণ কৰা আদি বিষয়ত গুৰুত্ব প্ৰদান কৰে তেতিয়াহ'লে বহুতো ৰোগৰ পৰা হাত সাৰিব পাৰিব। সুস্বাস্থ্যৰো অধিকাৰী হ'ব পাৰিব। সেইবাবে সকলোৱে এনে ধৰণৰ সৰু সৰু কথাত গুৰুত্ব প্ৰদান কৰা উচিত।

মেন'পজৰ সময়ত যদিহে কিছুমান বিশেষ লক্ষণ ফুটি উঠে



তেতিয়াহ'লে শীঘ্ৰে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

- শ্বাস-প্ৰশ্বাস চুটি হ'লে আওকাণ নকৰিব।
- যদিহে হঠাৎ বুকুৰ বিষ বা বুকুখন হেঁচা মাৰি ধৰাৰ দৰে হ'লেও অৱহেলা নকৰাটোৱে মংগলজনক।
- উচ্চ ৰক্তচাপজনিত সমস্যাৰ বাবে মূৰৰ বিষ আৰম্ভ হ'ব পাৰে।
- মূৰ গধুৰ ভাব বা আচন্দ্ৰাই কৰিলেও গুৰুত্ব দিব লাগে।
- সঘনাই হনুৰ বিষ হ'লেও অৱহেলা কৰিব নালাগে।
- যদিহে ভৰি ফুলি উঠে তেতিয়াও গুৰুত্ব দিয়ক।
- চিৎ হৈ শোৱাৰ সময়ত যদি অসুবিধা হৈছে তেতিয়া বিষয়টো চিকিৎসকৰ স'তে আলোচনা কৰিব লাগে।

# শৰীৰৰ বাবে কিমান উপকাৰী কণী

**বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে ফাৰ্মৰ কণীৰ পুষ্টি মূল্য কম। দেখাত বেছি বগা আৰু কুহুমো কম হালধীয়া হয়। তদুপৰি হাঁহৰ কণীৰ তুলনাত (ঘৰত পোহা) ইয়াৰ আকাৰ সৰু বাবে ইয়াৰ পুষ্টি মূল্য কম বুলি ভবা লোকৰ সংখ্যাই বেছি। পিছে কথাটো তেনেকুৱা নহয়। বৰঞ্চ কিছু কিছু ক্ষেত্ৰত ফাৰ্মৰ কণীটোহে অধিক সুৰক্ষিত**

**প্ৰায়ভাগ** লোকেই কম-বেছি পৰিমাণে কণী খায়। পৃথিৱীৰ বেছিভাগ দেশতেই কণীৰ প্ৰচলন আছে। বিশ্বৰ সৰ্বাধিক লোকেই কণী খায়। কাৰণ ইয়াক নিৰামিষ আহাৰ হিচাপে স্বীকৃতি দিয়া হয় বাবে আমিষ-নিৰামিষভোজী সকলোৱে খায়। এইবিধ খাদ্যত শৰীৰৰ বাবে প্ৰয়োজনীয় প্ৰায়বোৰ উপাদানেই থাকে। ভিটামিনৰ পৰা আৰম্ভ কৰি খনিজ পদাৰ্থলৈকে সকলোবোৰেই পোৱা যায়। প্ৰাণীজ প্ৰ'টিনৰ উৎস বুলি ক'লে কণীৰ তুলনা আন কাৰো স'তে নহয়। কণীত বিভিন্ন ধৰণৰ উপাদান থাকিলেও এইবোৰ শৰীৰৰ বাবে উপকাৰ সাধন কৰাৰ ক্ষেত্ৰত



বিভিন্ন অধ্যয়নত ব্ৰতী গৱেষকসকলে ভিন্ন মত পোষণ কৰিছে। কিছুমানে যদি কণী নিয়মীয়াকৈ খাব লাগে বুলি কয়, আন কিছুমানে আকৌ এই ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিবলৈ সতৰ্ক কৰি দিছে। বেছিকৈ কণী খালেও বিপদ ঘনীভূত হ'ব পাৰে। বিভিন্ন দেশত চলোৱা অধ্যয়নে এই বিষয়ে উল্লেখ কৰিছে। অৱশ্যে অপকাৰৰ বিষয়ে উল্লেখ কৰাৰ লগতে ইয়াৰ পৰা লাভ কৰা উপকাৰৰ কথাও উল্লেখ কৰিব লাগিব। কণী যিসকলে খায় তেওঁলোকৰ মনত এটা ভ্ৰান্ত ধাৰণা আছে যে ইয়াৰ কুহুম বা হালধীয়া অংশতহে বেছি পুষ্টি থাকে। বগা অংশৰ বিশেষ পুষ্টি নাথাকে বুলি সিমান গুৰুত্ব নিদিয়ে। আনহাতে, কেতিয়াবা কুহুমটোৰো ৰং গাঢ় হালধীয়া নহ'বও পাৰে। কুহুম হালধীয়া হোৱা বিষয়টো নিৰ্ভৰ কৰে খোৱা খাদ্যৰ ওপৰত। এলাৰ্জী আদিৰ সমস্যা নাথাকিলে নিয়মীয়াকৈ শিশুসকলক কণী খুৱাব লাগে। কাৰণ শিশুৰ শাৰীৰিক বিকাশৰ বাবে প্ৰয়োজনীয় প্ৰায়বোৰ উপাদান থাকে। হাঁহে অথবা মুৰ্গীয়ে যদি কেৰোটিনযুক্ত আৰু ভিটামিন 'এ' যুক্ত খাদ্য বেছি খায় তেতিয়াহ'লে কুহুমটো বেছি হালধীয়া হ'ব। যদিহে এনে ধৰণৰ খাদ্য কম পৰিমাণে গ্ৰহণ কৰে তেতিয়াহ'লে ইয়াৰ বৰণ বগা হ'ব।



সাধাৰণতে এটা ৬০ গ্ৰাম ওজনৰ কণীত প্ৰ'টিন আৰু চৰ্বিৰ পৰিমাণ ছয়গ্ৰাম বাবে হজমৰ ক্ষেত্ৰত কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নহয়। ইয়াত ৩০ মিলিগ্ৰাম কেলছিয়াম ১.৫ মিলিগ্ৰাম আয়ৰণ, ৩৫ গ্ৰাম পানী, কলেষ্টৰেল সাতশ মিলিগ্ৰাম, বিটাকেৰোটিন আদি থাকে। ইউনিভাৰ্চিটি অৱ ছাৰেৰ পুষ্টি বিশেষজ্ঞ অধ্যাপক ডাঃ ব্ৰুছ গ্ৰিফিন আৰু ব্ৰিটেইনৰ ডাঃ জুলিয়েট গ্ৰেই এই বুলি উল্লেখ কৰিছে যে নিয়মীয়াকৈ কণী খালে হৃদৰোগ হোৱাৰ আশংকা হ্ৰাস পায়। কণীৰ কুহুমত ক'লেষ্টৰল থাকে যদিও এই ডায়েটৰী ক'লেষ্টেৰেল শোষণ প্ৰক্ৰিয়া শোষণ কৰি বিভিন্ন ধৰণৰ কামত ব্যৱহাৰ কৰা হয়। যদি কণীৰ কেৱল প্ৰ'টিন খিনিকে খায় তেতিয়াহ'লে ইয়াত থকা ৯৯ শতাংশ দস্তা লাভ কৰাটো সম্ভৱ নহয়।

কিছুমানৰ আকৌ কণী খোৱাৰ পাছতে এলাৰ্জী আদিৰ সমস্যাই গা কৰি উঠে। যদিহে এনে সমস্যা থাকে তেন্তে শীঘ্ৰে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। কাৰণ যিমানেই সমস্যা পুৰণি হ'ব সিমানেই জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে।

### এটা সিজোৱা কণীত কি কি থাকে

সিজাই খোৱা কণী, অমলেট কৰা আৰু দম কৰি খোৱা কণীত বিভিন্ন ধৰণৰ উপাদান পোৱা যায়। ইয়াত কে'বাবিধ ভিটামিন থাকে। এটা সিজোৱা কণীত ভিটামিন 'এ' ছয় শতাংশ, ভিটামিন বি$_{৫}$ থাকে সাত শতাংশ, ফ'লেট পাঁচ শতাংশ ভিটামিন বি$_{১২}$ ন শতাংশ, ভিটামিন বি$_{২}$ ১৫ শতাংশ, ফ'ছফৰাছ ন শতাংশ, ছেলেনিয়াম ২২ শতাংশ থাকে। আনকি অ'মেগাত-৩ বেষ্ট পোৱা যায়।

### কিছুমান ধাৰণা আৰু গৱেষণা



কণী সম্পৰ্কে বহুতৰ মনত ভিন্ন ধাৰণা আছে। কিছুমানে ভাবে যে কণী খালেই ক'লেষ্টেৰল বৃদ্ধি পায়। হৃদৰোগৰ সমস্যায়ো গা কৰি উঠে বুলি ভাবে। সমান্তৰালভাৱে ষ্ট্ৰ'কৰ সম্ভাৱনীয়তাও বৃদ্ধি পায়। কিছুমান গৱেষণাত গৱেষকে লাভ কৰা তথ্যমতে ডায়েবেটিছত আক্ৰান্ত লোকসকলৰ হৃদৰোগ বৃদ্ধিৰ আশংকা থাকে। অৱশ্যে এনে গৱেষণাৰ তথ্যও সম্পূৰ্ণৰূপে শুদ্ধ বুলি ক'ব নোৱাৰি। যদিও এই অধ্যয়নত শংকা বৃদ্ধি হয় বুলি কোৱা হৈছে। এয়া পৰিসংখ্যাৰ ওপৰতহে ভিত্তি কৰা হৈছে। যিসকল ডায়েবেটিছত আক্ৰান্তই নিয়মীয়াকৈ বেছি কণী খায় তেওঁলোকক স্বাস্থ্য সচেতন নহয় বুলি ক'লেহে বেছি ভাল হ'ব।

### প্ৰ'টিনৰ উৎস বুলি কয়

সুস্বাস্থ্যৰ বাবে অন্যতম উপাদানসমূহৰ ভিতৰত প্ৰ'টিনো তালিকাভুক্ত পেশী গঠনৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ। এটা কণীত ছয় গ্ৰাম প্ৰ'টিন পোৱা যায়। উপযুক্ত পৰিমাণে এমিনো এচিডো উপলব্ধ। এইবিধ উপাদান প্ৰচুৰ পৰিমাণে গ্ৰহণ কৰিলে শৰীৰৰ ওজন বৃদ্ধি নহয়। তদুপৰি ৰক্তচাপ হ্ৰাস কৰে বুলি কোৱা হয়।

### আধা সিজা কণী কেতিয়াও নাখাব

বহুতো লোকে 'হাফ বয়ল' বা আধা সিজা কণী খায়। এনেদৰে খালে বেছি উপকাৰ লাভ কৰে বুলি বিশ্বাস কৰে। কিছুমান লোকে আকৌ কেঁচাই খায়। কেঁচা কণী খালে বেছিকৈ উপকাৰ বা পুষ্টি লাভ কৰে বুলি বিশ্বাস কৰে যদিও বহুতেই জ্ঞাত নহয় যে এনেদৰে কণী খোৱাৰ ফলত অপকাৰ হোৱাৰহে আশংকা থাকে। গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে কণীৰ বাকলিত অসংখ্য ক্ষুদ্ৰ ছিদ্ৰ থাকে আৰু সেইবোৰেৰে শৰীৰৰ অপকাৰী বেক্টেৰিয়া আদিয়ে প্ৰৱেশ কৰে আৰু তেনে কেঁচা কণী খোৱাৰ পাছত বিভিন্ন উপসৰ্গই দেখা দিব পাৰে। সেইবাবে যদি কণীৰ বাকলিটো লেতেৰা থাকিলে সেয়া ভালদৰে পৰিষ্কাৰ কৰি লৈহে সিজাব লাগে। লেতেৰা কণী খালে পেটৰ অসুখৰ উপৰি ছালমোনেলা সংক্ৰমণ হোৱাৰো শংকা নুই কৰিব নোৱাৰি।

### ফাৰ্মৰ কণীৰো সমান পুষ্টি মূল্য

বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে ফাৰ্মৰ কণীৰ পুষ্টি মূল্য কম। দেখাত বেছি বগা আৰু কুহুমো কম হালধীয়া হয়। তদুপৰি হাঁহৰ কণীৰ তুলনাত (ঘৰত পোহা) ইয়াৰ আকাৰ সৰু বাবে ইয়াৰ পুষ্টি মূল্য কম বুলি ভবা লোকৰ সংখ্যাই বেছি। পিছে কথাটো তেনেকুৱা নহয়। বৰঞ্চ কিছু কিছু ক্ষেত্ৰত ফাৰ্মৰ কণীটোহে অধিক সুৰক্ষিত। পলট্ৰিৰ কণী এই কাৰণে ভাল বুলি কোৱা হয় যে ইয়াত হাঁহ বা মুৰ্গীক স্বাস্থ্যসন্মতভাৱে খাদ্যৰ যোগান ধৰা হয়। নিয়মীয়াকৈ ভিটামিনযুক্ত খাদ্য দিয়াৰ উপৰি ৰোগ-প্ৰতিৰোধৰ বাবে বিভিন্ন ব্যৱস্থাও গ্ৰহণ কৰা হয়।

# কেবিনেট সিদ্ধান্তৰ পাছতো অনিশ্চয়তাত ১,৬৫৩ পৌৰ কৰ্মচাৰী

■ ডেভলুচন ফাণ্ড মুকলি, চাকৰি চৰকাৰীকৰণ দাবী ■ জানুৱাৰীত গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ পৌৰ নিকায় কৰ্মচাৰী সন্থাৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৫ ডিচেম্বৰ ঃ** ৰাজ্যৰ পৌৰ নিকায়ৰ ১,৬৫৩ জন কৰ্মচাৰীৰ চাকৰি অহা জানুৱাৰীত চৰকাৰীকৰণ নহ'লে সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাই ৰাজ্যজুৰি তীব্ৰ গণতান্ত্ৰিক আন্দোলন আৰম্ভ কৰিব। আজি গুৱাহাটীৰ সিদ্ধিনাথ শৰ্মা ভৱনত সন্থাৰ এক কাৰ্যনিৰ্বাহক সভাত সন্থাই এই সিদ্ধান্ত গ্ৰহণ কৰে। সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাৰ সভাপতি সুনীল কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভাত ৰাজ্যৰ ১,৬৫৩জন পৌৰ নিকায় কৰ্মচাৰীৰ চাকৰি চৰকাৰীকৰণ সন্দৰ্ভত যোৱা ১০ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰৰ কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰি যোৱা পহিলা মে'ত যাৱতীয় কাৰ্যব্যৱস্থাৰ বাবে চৰকাৰী অধিসূচনা জাৰি কৰাৰ পাছতো আজি পৰ্যন্ত কাৰ্যব্যৱস্থা গ্ৰহণ নকৰাত সভাই ক্ষোভ প্ৰকাশ কৰে। ইয়াৰ উপৰি পৌৰ কৰ্মচাৰীসকলে নিয়মিতভাৱে নিজৰ দায়িত্ব পালন কৰাৰ পাছতো আজিলৈ নিয়মিত দৰমহা নোপোৱাত হাহাকাৰ সৃষ্টি হৈছে। এইসকল কৰ্মচাৰীৰ চাকৰি চৰকাৰী নোহোৱাত সংগৃহীত কৰৰ টকাৰে দৰমহা দিয়াটো সম্ভৱ নোহোৱাত সম্প্ৰতি কৰ্মচাৰীসকল হতাশ হৈ পৰিছে। ইফালে চৰকাৰে আগবঢ়োৱা অহা ডেভলুচন ফাণ্ড আশ্চৰ্যকভাৱে বন্ধ কৰি ৰখাত কৰ্মচাৰীসকলৰ মাজত হতাশাৰ ছবি পৰিস্ফুট হৈ পৰিছে। উল্লেখ্য যে পৌৰ সভাৰ সংগৃহীত কৰেৰে কৰ্মচাৰীসকলক দৰমহা দিয়াটো সম্ভৱ নোহোৱাৰ উপৰি ডেভলুচন ফাণ্ড দীৰ্ঘদিন ধৰি বন্ধ কৰি ৰখাত দীৰ্ঘদিন ধৰি কৰ্মচাৰীসকল প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত হৈ আহিছে। তদুপৰি আগন্তুক ভোগালী বিহুৰ আগে আগে যদি এই ফাণ্ড মুকলি কৰি নিদিয়ে তেতিয়া কৰ্মচাৰীসকলৰ বাবে চৰম দুখজনক পৰিস্থিতি আহি পৰিব বুলি সভাই আক্ষেপ প্ৰকাশ কৰে। সেয়ে সভাই চলিত মাহতে ডেভলুচন ফাণ্ড মুকলি কৰি দি পৰিয়ালসমূহক শান্তিৰে ভোগালী বিহু উপভোগ কৰাৰ সুযোগ দিবলৈ অনুৰোধ জনাইছে। পৌৰ সভাসমূহলৈ ৰাজ্য চৰকাৰে ব্যৱসায়িক অনুজ্ঞাপত্ৰৰ বাবে অনলাইন যোগে যি নিৰ্দেশ তথা পদক্ষেপ গ্ৰহণ কৰিছে এই সিদ্ধান্তক সভাই আদৰণি জনায়। ইতিমধ্যে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া অনলাইন পঞ্জীয়ন মাচুল পৌৰ সভাই আদায় কৰি থকা মাচুলতকৈ বহুগুণে কম। পৌৰসভাসমূহে সংগ্ৰহ কৰা ট্ৰেড লাইচেঞ্চৰ বিপৰীতে ৰাজহৰ পৰিমাণ একেবাৰে নিম্নগামী হোৱা পৰিলক্ষিত হৈছে বুলিও সভাই প্ৰকাশ কৰে। সেয়ে সভাই সংশ্লিষ্ট বিষয়টো বিভাগীয় মন্ত্ৰীক পুনৰ বিবেচনা কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আবেদন জনায়। ইফালে সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাৰ কেন্দ্ৰীয় অধিবেশন অহা সাত, আঠ আৰু ন জানুৱাৰীত শিৱসাগৰত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও অনিবাৰ্য কাৰণবশতঃ অহা ১২ আৰু ১৩ ফেব্ৰুৱাৰীত গোলাঘাট আৰু যোৰহাট মাণ্ডলিক সমিতিৰ উদ্যোগত বোকাখাত পৌৰসভা কাৰ্যালয়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই উপলক্ষে আজিৰ সভাতে এখন আহ্বায়ক সমিতি গঠন কৰা হৈছে।

## মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ দ্বিবাৰ্ষিক অধিবেশন সম্পন্ন

■ মুখপত্ৰ আৰু গ্ৰন্থ উন্মোচন ঃ বিশেষ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৫ ডিচেম্বৰ ঃ** মাজুলী জিলা লেখিকা সমাৰোহ, সমিতিৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশনখন কমলাবাৰী শাখা লেখিকা সমাৰোহ সমিতিৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে কমলাবাৰী একাডেমীত অনুষ্ঠিত হয়। সেই উদ্দেশ্যে পুৱা জিলাৰ পতাকা উত্তোলন কৰে সভাপতি মিনতি শইকীয়াই আৰু শাখাৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতিসকলে। বৃক্ষৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰে মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি লোহিত বৰাই। বন্তি প্ৰজ্বলন কৰে অৱসৰ প্ৰাপ্ত শিক্ষক হিতেশ্বৰ বৰা আৰু বলি বৰুৱাই। স্মৃতি তৰ্পণ কৰে শিক্ষক ভৰত শইকীয়া আৰু সমাৰোহৰ উপদেষ্টা ভানু নাথে। দুপৰীয়া মিনতি শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভাপতি সুবৰ্ণ শইকীয়া বৰদলৈয়ে। 'মহিলাৰ বৌদ্ধিক উত্তৰণত লেখিকা, সমাৰোহ সমিতিৰ ভূমিকা' শীৰ্ষক নিৰ্দ্দিষ্ট বিষয়ত বক্তব্য প্ৰদান কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদক থুনু কলিতাই। সন্মানীয় অতিথিৰ আসনৰ পৰা মাজুলী জিলা উপায়ুক্ত পুলক মহন্তই অসমৰ সমাজ জীৱনত মহিলাসকলৰ অৱদান তথা মাজুলীৰ মহিলাসকলৰ স্বাৱলম্বী জীৱন যাত্ৰাৰ প্ৰসংশা কৰি বৰ্তমান চৰকাৰে লোৱা কল্যাণমূলক আঁচনিত মহিলা সমাজৰ সহযোগিতা কামনা কৰে। মুখ্য অতিথিৰ আসনৰ পৰা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথে ৰক্ষণশীল সমাজৰ পৰা নাৰীসকলৰ মুক্তি পথ প্ৰশস্ত কৰি তথ্যপূৰ্ণ সাহিত্য ৰচনা কৰাৰ আহ্বান জনায়। ৰেখা বৰা বৰুৱাই সম্পাদনা কৰা সমিতিৰ মুখপত্ৰ 'শাল্মলী'ৰ দ্বিতীয় সংখ্যা উদ্বোধন কৰি মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাই বৰ্তমান সময়ত অসমীয়া ভাষাৰ যি সংকট আহিছে তাৰ বাবে মহিলাসকলক অধিক সচেতন হ'বলৈ আহ্বান জনায়। এই সভাতে স্বপ্না পায়েঙৰ কবিতা পুথি 'হৃদয়ৰ ব্যথা', স্মৃতি ৰেখা দত্তই সম্পাদনা কৰা প্ৰবন্ধ সংকলন 'জ্ঞানোদয়', ৰেখা বৰাৰ প্ৰবন্ধ সংকলন 'প্ৰবন্ধৰ স্পন্দন', কৌশল্যা বায়ন হাজৰিকাৰ লোকগীতৰ সংকলন 'নাযায় যমুনাৰ দলে' উন্মোচন কৰা হয়। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে ক্ৰমে ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নব কুমাৰ গাম, মাজুলী লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী মৃদুলা কাকতি হাজৰিকা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সদস্যা মিনতি দলে, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আৰতী বৰা, মাজুলী জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা, মাজুলী জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সভাপতি প্ৰশান্ত দোলাকাষৰীয়া, নামনি মাজুলী লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভাপতি ক্ষীৰদা দত্ত বৰুৱা আদি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে। সভাত লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভাপতি মাধবী দাস আৰু আদৰ্শবান মহিলা বিনু ওজাক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। লেখিকাসকলৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনত অভ্যৰ্থনা সমিতিৰ হৈ আদৰণি ভাষণ আগবঢ়ায় সভাপতি সুভদ্ৰা শইকীয়া বৰাই আৰু অনুষ্ঠানটোৰ আঁত ধৰে মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদক লখিমী শইকীয়া বৰাই।



## বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ডেৰশ বছৰীয়া জয়ন্তী

### ৰাজ্যিক ভিত্তিত কুইজ প্ৰতিযোগিতা সম্পন্ন

বিশেষ সংবাদদাতা

**বৰপেটা, ২৫ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ এখন প্ৰাচীনতম শিক্ষানুষ্ঠান চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে গৌৰৱোজ্জ্বল ১৫০টা বছৰ অতিক্ৰম কৰিলে। ১৮৭১ত স্থাপিত এই বিদ্যালয়খনৰ ১৫০ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠান বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। অহা বৰ্ষৰ ফেব্ৰুৱাৰীত সামৰণি অনুষ্ঠানৰ মূল কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে আজি এখন ৰাজ্যিক ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। দিনৰ ১১ বজাৰ পৰা বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এই কুইজ প্ৰতিযোগিতাখনত ৰাজ্যখনৰ ৫০টা দলে অংশগ্ৰহণ কৰে। ইয়াৰ পৰা ছটা দলক চূড়ান্ত পৰ্যায়লৈ বাছনি কৰা হয়। ৩৫ হেজাৰ টকাৰ নগদ ধনৰ পুৰস্কাৰ ধাৰ্য কৰা এই কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে গুৱাহাটীৰ বিশ্বায়ন ভট্টাচাৰ্য আৰু কপিঞ্জল চৌধুৰীয়ে। তেওঁলোকক নগদ পোন্ধৰ হেজাৰ টকা পুৰস্কাৰ আগবঢ়োৱা হয়। দ্বিতীয় স্থান লাভ কৰা গুৱাহাটীৰ সন্দীপন গোস্বামী আৰু সুদৰ্শন গোস্বামীলৈ আগবঢ়োৱা হয় ১০ হেজাৰ টকাৰ নগদ ধনৰ পুৰস্কাৰ। তৃতীয় স্থান লাভ কৰি নগদ পাঁচ হেজাৰ টকাৰ পুৰস্কাৰ লাভ কৰে গুৱাহাটীৰেই দিলীপ কুমাৰ শৰ্মা আৰু ৰক্তিম ৰঞ্জন বৈশ্যই। অসমৰ আগশাৰীৰ কুইজ মাষ্টাৰ চিৰঞ্জীৱ গামে পৰিচালনা কৰা এই কুইজ প্ৰতিযোগিতাখনত চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ স্থান প্ৰাপ্ত দলসমূহলৈ নগদ এহেজাৰ টকাকৈ পুৰস্কাৰ আগবঢ়োৱা হয়।

## প্ৰাক্তন এনডিএফবি নেতা জি বিদাইৰ মাতৃৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৫ ডিচেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰী মহকুমাৰ অক্সিগুৰি গাঁৱৰ সৰবৰহী মহিলা, বাথৌ ধৰ্মৰ সেৱিকা থুনলে গয়াৰী (৯১)ৰ আজি পুৱতি নিশা নিজ বাসগৃহত বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত প্ৰাক্তন এনডিএফবি নেতা বিষ্ণু গয়াৰী ওৰফে জি বিদায়ইকে ধৰি ছয় পুত্ৰ আৰু তিনি বিবাহিতা কন্যাৰ লগতে বহু গুণমুগ্ধক ইহসংসাত এৰি যায়। থুনলে গয়াৰীৰ মৃত্যুত নিখিল বাথৌ মহাসভাৰ হৈ সাধাৰণ সম্পাদক বসন্ত স্বৰ্গীয়াৰীৰ লগতে বিভিন্ন দল-সংগঠন, ৰাইজে গভীৰ শোক প্ৰকাশ কৰিছে।

## এবছৰে সম্পূৰ্ণ নহ'ল সানেকুছি বৰগাছা সংযোগী পথ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৫ ডিচেম্বৰ ঃ** আধাৰশিলাৰ এটা বছৰ উকলি যোৱাৰ পাছতো এটি পথ সম্পূৰ্ণ নোহোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে লোক নিৰ্মাণ বিভাগৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত সানেকুছিৰ পৰা বৰগাছালৈ যোৱা পথটো সম্পূৰ্ণ এটা বছৰ অতিক্ৰম কৰাৰ পাছতো আজি পৰ্যন্ত পথটো সম্পূৰ্ণকৰণ নহ'ল। এইক্ষেত্ৰত বিভাগৰ লগত যোগাযোগ কৰাত বাৰিষা সময়ত পথৰ কামত জটিলতা থকাৰ কথা উল্লেখ কৰি ৰাইজক পতিয়ন নিয়াই। বিগত ২০২০ৰ ২০ নৱেম্বৰত বৰক্ষেত্ৰী সমষ্টিৰ তদানীন্তন বিধায়ক নাৰায়ণ ডেকাই আধাৰশিলাৰে পথটোৰ পকীকৰণৰ আৰম্ভ কৰিছিল। সেইদিনা আধাৰশিলা অনুষ্ঠানত লোক নিৰ্মাণ বিভাগৰ নলবাৰীস্থ বিষয়া-কৰ্মচাৰীসকলৰ লগতে স্থানীয় ৰাইজে সহযোগ কৰিছিল। অৱশ্যেই পথটোত কোনো তথ্যফলক নোহোৱাত পথটোৰ ক্ষেত্ৰত আবণ্টিত ধনৰ পৰিমাণ জানিব পৰা হোৱা নাই। আনহাতে, বিধায়কে আধাৰশিলা কৰা



আধাৰশিলাৰ ফলকখনো অন্তৰ্ধান হোৱাত পথটোৰ কোনো তথ্যই জানিব পৰা অৱস্থাত বৰ্তমান নাই। মনকৰিবলগীয়া যে পথটো প্ৰথম পৰ্যায়ত ঠিকাদাৰে বিভাগীয় প্ৰাক্কলন অনুযায়ী কৰা দেখা গৈছিল; কিন্তু ইয়াৰ পাছৰ পৰ্যায়ত পথটো নিৰ্মাণ শৈলীত বিসংগতি থকাৰ অভিযোগ ৰাইজে কৰিছে। অৱশ্য ইয়াৰ অন্তৰালত অন্য কিবা ৰহস্য থকা বুলি একাংশ ৰাইজে সাংবাদিকৰ আগত ব্যক্ত কৰে। বিশেষকৈ বিগত জুলাইত কাৰ্পেটিং কৰা অৱস্থাত একাংশ ৰাইজে চকলা-চকলে এৰুৱাই সামান্য কাৰ্পেটিং কৰাৰ অভিযোগ কৰে। ৰাইজৰ অভিযোগৰ পাছতে বিভাগীয়ভাৱে পথটো পৰ্যবেক্ষণ কৰি ঠিকাদাৰক বিভাগীয় প্ৰাক্কলন অনুযায়ী কাম কৰাৰ নিৰ্দেশ দিয়ে। তদুপৰি ৰাইজে কলা-চকলে এৰুৱা পথৰ বাতৰি একাংশ সংবাদ মাধ্যমত সবিস্তাৰে প্ৰকাশো হৈছিল। ইয়াৰ পাছত ঠিকাদাৰে পথটোৰ কাম সম্পূৰ্ণ নকৰি বৰ্তমানলৈ বহি আছে। অৱশ্যে বৰ্তমান পুনৰ কাম আৰম্ভ কৰাৰ লক্ষণ দেখা গৈছে যদিও ৰাইজে খৰালি কালতে পথটোৰ কাম সম্পূৰ্ণ কৰাৰ দাবী জনাইছে। উল্লেখ কৰিবলগীয়া কথা যে বৰক্ষেত্ৰী, হাজো আৰু নলবাৰী সমষ্টিক সংযোগ কৰা পথটো বছৰ বছৰ ধৰি কদৰ্যময় অৱস্থাত আছিল। পথটোৰ কদৰ্যতাৰ বৰ্ণনা কৰি 'দৈনিক অগ্ৰদূত'কে ধৰি বেছিভাগ বাতৰি কাকততে সবিস্তাৰে বাতৰি প্ৰকাশ হোৱাৰ পাছত প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনৰ কাৰ্যকালত পথটো সামান্য মেৰামতি কৰি সিংহভাগ ধন ঠিকাদাৰে গোগ্ৰাসে হজম কৰিছিল। ফলত পথটো পথচাৰীৰ বাবে উপযুক্ত হোৱা নাছিল। এই সম্পৰ্কে 'দৈনিক অগ্ৰদূত'ত সবিস্তাৰে প্ৰচাৰ হোৱাত বৰক্ষেত্ৰী প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাৰ প্ৰবল হেঁচাত বিভাগীয়ভাৱে পথটো পকীকৰণৰ আঁচনি প্ৰস্তুত কৰে। এই সম্পৰ্কত বৰ্তমানৰ দায়িত্বপ্ৰাপ্ত ঠিকাদাৰজনেও অক্লান্ত পৰিশ্ৰম কৰি ইয়াক কাৰ্যকৰী কৰাত অৰিহণা যোগোৱা বুলি ৰাইজে ব্যক্ত কৰিছে। মুঠৰ ওপৰত ঠিকাদাৰজনে পূৰ্বৰ দৰে বাকী কামখিনি সম্পূৰ্ণ কৰাৰ বাবে ভুক্তভোগী ৰাইজে দাবী জনোৱাৰ লগতে বিভাগীয় বিষয়া-কৰ্মচাৰীকো ইতিবাচক ভূমিকা লোৱাৰ বাবে আহ্বান জনাইছে স্থানীয় ৰাইজে।

## কঠিয়াতলিত আৰক্ষীৰ পথ সুৰক্ষা অভিযান

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৫ ডিচেম্বৰ ঃ** ইংৰাজী নৱবৰ্ষৰ প্ৰাক্কক্ষণত বিশেষ সতৰ্কতাৰ উদ্দেশ্য পথ সুৰক্ষাৰ বাবে আজি পুৱা কঠিয়াতলি আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হেমচন্দ্ৰ মহন্তৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত অভিযান চলায়। অভিযান কালত চাৰিচকীয়া বাহনত চিটাবেল্ট পৰিধান নকৰা, দুচকীয়া বাহনত চালক আৰু আৰোহী উভয়ে হেলমেট পৰিধান নকৰা লোকক জৰিমনা বিহে। অভিযানত চিটবেল্ট পৰিধান নকৰা আৰু হেলমেট পৰিধান নকৰা লোকৰ পৰা প্ৰায় ১৫ হেজাৰ টকা জৰিমনা হিচাপে আদায় কৰে।

## অসম নাট্য সন্মিলনৰ অধিবেশনৰ কাৰ্যসূচীত তথ্যগত বিসংগতি

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ ডিচেম্বৰ ঃ** ৬০ সংখ্যক অসম নাট্য সন্মিলনৰ নগাঁও অধিবেশন ২০২২ অহা ২১, ২২, ২৩ আৰু ২৪ জানুৱাৰীত নগাঁও চহৰৰ কলঙৰ বাকৰিত অনুষ্ঠিত হ'ব। কিন্তু লক্ষ্যণীয় কথা যে এই অধিবেশনৰ কাৰ্যসূচীত থকা দুটা বিশেষ ভুল তথ্যক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে কাৰ্যসূচীখনত উল্লেখ আছে যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ১৪৫৬তে সৃষ্টি কৰা 'চিহ্নযাত্ৰা'ৰ জৰিয়তে নগাঁও জিলাৰ পৰাই আৰম্ভ হৈছিল নিজস্ব শৈলীৰে অসমীয়া নাটকৰ এক সুদৃঢ় যাত্ৰা। কিন্তু লক্ষ্যণীয় কথা যে ১৪৪৯ত জন্মগ্ৰহণ কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ১৪৫৬ত মাত্ৰ সাত বছৰহে বয়স হৈছিল। সেই সময়ছোৱাত তেওঁ চিহ্নযাত্ৰা নাট অনুষ্ঠিত কৰাটো প্ৰায় অসম্ভৱ আছিল। গুৰুজনাই ১৪৬৯তহে চিহ্নযাত্ৰা ভাওনা কৰিছিল বুলি বিভিন্ন গ্ৰন্থত উল্লেখ আছে। একেখন কাৰ্যসূচীতে আন এক বিশেষ ভুল সন্নিবিষ্ট আছে। কাৰ্যসূচীত উল্লেখ আছে যে ১৯৭০ত উপস্থাপন হোৱা প্ৰথমখন অসমীয়া মৌলিক নাট নাট্যকাৰ ৰুদ্ৰৰাম বৰদলৈৰ বঙাল-বঙালনী। কিন্তু ১৮৭০-৭১তে বঙাল-বঙালনী নাটকখন নগাঁও চহৰৰ হয়বৰগাঁওস্থিত বীণাপাণি নাট্য মন্দিৰত মঞ্চস্থ হৈছিল। নাটকখনৰ নাট্যকাৰ ৰুদ্ৰৰাম বৰদলৈৰ ১৮৯৯ত মৃত্যু হৈছিল। তাৎপৰ্যপূৰ্ণ যে অসমৰ নাট্যক্ষেত্ৰখনক সংগঠিত কৰাৰ ক্ষেত্ৰত বিশেষ অৰিহণা থকা অসম নাট্য সন্মিলনৰ কাৰ্যসূচীত এনেধৰণৰ তথ্যগত বিভ্ৰান্তি থকা কাৰ্যক সহজভাৱে ল'ব পৰা নাই নগাঁৱৰ সচেতন ৰাইজে। বিশিষ্ট সমাজকৰ্মী মুকুট চন্দ্ৰ ভূঞাই এই প্ৰসংগত কয়, 'এই তথ্যগত বিভ্ৰান্তি দেখিয়েই ইতিমধ্যে আমি অসম নাট্য সন্মিলনৰ বহু কেইজন বিশিষ্ট ব্যক্তিৰ লগত যোগাযোগ কৰিছো। তেওঁলোকে এই তথ্যগত বিভ্ৰান্তিৰ শুধৰণি দিয়া উচিত। কাৰণ অসম নাট্য সন্মিলনৰ দৰে এটা প্ৰতিষ্ঠিত সংগঠনৰ কাৰ্যসূচীত এনেধৰণৰ গুৰুত্বপূৰ্ণ তথ্যগত বিসংগতি স্বাভাৱিকতে দৃষ্টিকটু হয়।'

## ঠেকেৰাগুৰিৰ পৰা বাগৰি পৰ্যন্ত বিভিন্ন স্থানত তালাচী চলিব ঃ এছ পি মিশ্ৰ

■ নগাঁৱত সুৰা সেৱন কৰা চালকৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ ডিচেম্বৰ ঃ** সুৰাপান কৰি গাড়ী চলালে তেনে চালকৰ অনুজ্ঞাপত্ৰ বাতিল হোৱাৰ লগতে ১০ হেজাৰ টকাও জৰিমনা হ'ব। এই সকীয়নি নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ। নৱবৰ্ষৰ আনন্দ উল্লাসৰ মাজত যাতে কোনো সুৰামত্ত চালকৰ বাবেই জিলাখনত দুৰ্ঘটনা সংঘটিত নহয় তাৰ প্ৰতি অতি সন্তম হৈ পৰিছে নগাঁও আৰক্ষী। নৱবৰ্ষত দুৰ্ঘটনা ৰোধৰ প্ৰচেষ্টাৰ অংশৰূপে কালি নগাঁৱৰ বৰঘাত বাইপাচ আৰু হয়বৰগাঁও অঞ্চলত সুৰাপান কৰা চালকৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখে আনন্দ মিশ্ৰ বাহিনীয়ে। আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই সাংবাদিকৰ আগত কয়, 'নগাঁও জিলাৰ ঠেকেৰাগুৰিৰ পৰা বাগৰি পৰ্যন্ত বিভিন্ন স্থানত যানবাহনৰ তালাচী চলিব। সুৰাপান কৰি গাড়ী চলোৱা কোনো চালক সাৰি যাব নোৱাৰিব। সুৰা সেৱনকাৰী চালকৰ বাবে যাতে নৱবৰ্ষৰ সময়ত জিলাখনত কোনো পথ দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে নগাঁও আৰক্ষীয়ে এই তালাচী অভিযান আৰম্ভ কৰিছে। মদ্যপান কৰি গাড়ী চলালে প্ৰথমে গাড়ীখন জব্দ কৰা হ'ব, ১০ হেজাৰ টকা জৰিমনা বিহা হ'ব, আনকি চালকৰ অনুজ্ঞাপত্ৰ পৰ্যন্ত বাতিল হ'ব। নৱবৰ্ষত পথৰ দাঁতিত থকা ধাবা, দোকানসমূহত যাতে সুৰা বিক্ৰী কৰিব নোৱাৰে, তাত গৈ যাতে কোনো চালকে মদ খাব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও আৰক্ষীয়ে তীক্ষ্ণ নজৰ ৰাখিব।

## অমঞ্জুৰিকৃত কলেজ শিক্ষকৰ পদ নিয়মীয়াকৰণৰ দাবী

■ সদৌ অসম অমঞ্জুৰিকৃত কলেজ শিক্ষক সন্থাৰ মুখ্যমন্ত্ৰী-শিক্ষামন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ২৫ ডিচেম্বৰ ঃ** অসমৰ বিভিন্ন কলেজৰ অমঞ্জুৰিকৃত বিভাগসমূহত কৰ্মৰত অমঞ্জুৰিকৃত কলেজ শিক্ষকসকলৰ পদসমূহ নিয়মীয়াকৰণৰ দাবীত সদৌ অসম অমঞ্জুৰিকৃত কলেজ শিক্ষক সন্থাই যোৱা ২৪ ডিচেম্বৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক সাক্ষাৎ কৰি বেলেগে বেলেগে দুখন স্মাৰকপত্ৰ প্ৰদান কৰে। সদৌ অসম অমঞ্জুৰিকৃত কলেজ শিক্ষক সন্থাৰ সভাপতি পিনাকী ৰায় আৰু সাধাৰণ সম্পাদক নিপন নাথ দেৱশৰ্মা স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰে যে অসমৰ প্ৰায় ১৫০ খন মহাবিদ্যালয়ৰ অমঞ্জুৰিপ্ৰাপ্ত বিভিন্ন বিভাগত অমঞ্জুৰিকৃত কলেজ শিক্ষকসকলে ১০ৰ পৰা ১২ বছৰৰ অধিক কাল ধৰি নিয়মীয়া কলেজ শিক্ষকসকলৰ দৰে বিনা দৰমহাৰে শিক্ষাৰ্থীসকলক নিয়মীয়াভাৱে পাঠদান কৰি আহিছে। অমঞ্জুৰিকৃত কলেজ শিক্ষকসকলে নিয়মীয়াভাৱে পাঠদান কৰাৰ উপৰি চৰকাৰী বিভিন্ন কাম-কাজ যেনে গুণোৎসৱ, নিৰ্বাচনৰ বিভিন্ন দায়িত্ব আদি নিয়মীয়া শিক্ষকসকলৰ দৰে পালন কৰি আহিছে। কিন্তু উক্ত অমঞ্জুৰিকৃত কলেজ শিক্ষকসকলৰ বিষয়ত কলেজ কৰ্তৃপক্ষ নাইবা বিভাগীয় কৰ্তৃপক্ষৰ কোনো ধৰণৰ গুৰুত্ব নাই। ইয়াৰ ফলত দীৰ্ঘদিন ধৰি বিনা দৰমহাৰে কৰ্তব্য পালন কৰি অহা কলেজ শিক্ষকসকলৰ অৱস্থা বৰ্তমান পানীত হাঁহ নচৰা অৱস্থাৰ দৰে হৈ পৰিছে। উল্লেখ্য যে ইউ জি চি'ৰ মূল্যায়নৰ সময়ত নাইবা চৰকাৰৰ নতুন শিক্ষা নীতিৰ প্ৰসাৰৰ সময়ত কলেজসমূহত বিভিন্ন বিষয় বা বিভিন্ন বিভাগ খুলি অমঞ্জুৰিকৃত কলেজ শিক্ষকসকলক নিযুক্তি দিয়া হৈছিল। গতিকে উক্ত অমঞ্জুৰিপ্ৰাপ্ত বিভাগসমূহ মঞ্জুৰিকৃত কৰাৰ লগতে অমঞ্জুৰিকৃত কলেজ শিক্ষকসকলৰ পদসমূহ অতি শীঘ্ৰে নিয়মীয়াকৰণৰ দাবীত সদৌ অসম অমঞ্জুৰীকৃত কলেজ শিক্ষক সন্থাৰ এটা সঁজাতী দলে অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক সাক্ষাৎ কৰি এখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰে।

## জয়ন্তী প্ৰকাশনে উন্মোচন কৰিলে সাতখনকৈ গ্ৰন্থ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৫ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ প্ৰেছ ক্লাবত আজি তিনিচুকীয়াৰ জয়ন্তী প্ৰকাশনে সাতখনকৈ গ্ৰন্থ উন্মোচন কৰে। লেখক মমী বৰাৰ গ্ৰন্থ 'কপৌ খুদ চাউল খাহি' উন্মোচন কৰে ড° সান্ত্বনা শইকীয়াই। লেখক ফুল চাংমাই বৰাৰ গ্ৰন্থ 'উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহাসিক ৰমণীসকল' উন্মোচন কৰে ৰাতুল শৰ্মাই। লেখক অঞ্জু শাণ্ডিল্যৰ গ্ৰন্থ 'পঞ্চমী' উন্মোচন কৰে প্ৰশান্ত কুমাৰ মহন্তই। ড° নমিতা বৰুৱাৰ গ্ৰন্থ 'নয়নতৰা' উন্মোচন কৰে শান্তিছায়া শইকীয়াই। প্ৰণতি দেৱী শৰ্মাৰ গ্ৰন্থ 'সাধনাই সফলতাৰ সোপান' উন্মোচন কৰে প্ৰশান্ত কুমাৰ ভট্টাচাৰ্যই। প্ৰণতি শৰ্মা দেৱীৰ আন এখন গ্ৰন্থ 'মৰুদেশৰ মৃগনাভি' উন্মোচন কৰে দিলীপ তাঁতীয়ে আৰু জুমি বৰুৱাৰ গ্ৰন্থ 'বুৰঞ্জীৰ ৰহঘৰা' উন্মোচন কৰে সাংবাদিক প্ৰদীপ বৰাই। ড° পবিত্ৰ প্ৰাণ গোস্বামীয়ে সঞ্চালনা কৰা সভাৰ আঁত ধৰে গোবিন কুমাৰ খাউণ্ডে। জয়ন্তী প্ৰকাশনৰ স্বত্বাধিকাৰী ববিতা শৰ্মা বৰদলৈ, মৌচাক মামা শান্তনু তামুলী, ডাঃ নৰোত্তম সোণোৱাল উপস্থিত থকা সভাত ব্যক্তিসকলে বৰ্তমান সময়ত কিতাপ আৰু পঢ়ুৱৈৰ সংখ্যা হ্ৰাস হোৱা সন্দৰ্ভত মত প্ৰকাশ কৰে। তেওঁলোকে কয় যে মাতৃভাষা জনাটো সকলোৰে বাবে খুবেই আৰশ্যক। কৃষ্টি-সংস্কৃতি সকলো নিজৰ মাতৃভাষা জানিলেহে ৰক্ষা কৰিব পাৰিব বুলি কয়।

## নকছাৰীত সন্ত্ৰাস সৃষ্টি কৰা নাহৰফুটুকী ট্ৰেংকুলাইজড

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৫ ডিচেম্বৰ ঃ** মৰিয়নি বনাঞ্চলৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত আৰু মৰঙীয়াল খণ্ড বন বিষয়া কাৰ্যালয়ৰ অধীনস্থ নকছাৰীৰ বিভিন্ন অঞ্চলত বিগত প্ৰায় কুৰি দিনে সন্ত্ৰাস চলাই বহুকেইজন লোকক আহত কৰা নাহৰফুটুকীটো অৱশেষত জালত পৰে। কালি বুধবৰীয়া অঞ্চলত সাতজনকৈ লোকক আক্ৰমণ কৰি আহত কৰাৰ পাছত আজি বন বিভাগে নাহৰফুটুকীটো ট্ৰেংকুলাইজ কৰাৰ ব্যৱস্থা কৰে। সেইমতে কাজিৰঙাৰ বন্যজীৱৰ পুনৰ সংস্থাপন কেন্দ্ৰৰ পৰা অহা চিকিৎসকৰ এটা দলে আজি দুপৰীয়া নাহৰফুটুকীটোক ট্ৰেংকুলাইজ কৰিবলৈ সক্ষম হয়। মৰিয়নিৰ বনাঞ্চলিক বিষয়া অনিমেষ কলিতাৰ নেতৃত্বত যোৱা বন বিভাগৰ দলটোৱে বুধবৰীয়া মিৰিজান গাঁৱত নাহৰফুটুকীটোৰ সন্ধান লাভ কৰে। মুখৰ লগতে ভৰিত আঘাতপ্ৰাপ্ত নাহৰফুটুকীটো কিছু সময় একে স্থানতে থকা প্ৰত্যক্ষ কৰি সেই স্থানতে ট্ৰেংকুলাইজ কৰে বন বিভাগৰ দলটোৱে। পাছত অচেতন নাহৰফুটুকীটোক উদ্ধাৰ কৰি নাহৰফুটুকীটোক কাজিৰঙাৰ বন্যজীৱৰ চিকিৎসা আৰু পুনৰ সংস্থাপন কেন্দ্ৰলৈ লৈ যোৱা হয়। চিকিৎসাৰ অন্তত সুস্থ হৈ উঠিলে কাজিৰঙাত মুকলি কৰি দিয়া হ'ব বুলিও বন বিভাগৰ সূত্ৰত প্ৰকাশ। ধৃত নাহৰফুটুকীটো মতা আছিল। বন বিভাগৰ সূত্ৰৰ মতে, কালি বুধবৰীয়াত সাতজনকৈ মানুহক আক্ৰমণ কৰাৰ সময়ত ৰাইজৰ আক্ৰমণত নাহৰফুটুকীটোও কিছু আঘাত প্ৰাপ্ত হৈছিল। উল্লেখ্য যে নকছাৰীৰ তিৰুৱাল, এৰা গাঁও, মৰাণ গাঁও, বুধবৰীয়া, কাকজান চাহ বাগিচা, বলিমৰা, দহোটীয়া, নগাডেৰা আদি বৃহৎ অঞ্চলত নাহৰফুটুকীটোৱে সন্ত্ৰাস চলাই আহিছিল। ১৫জনৰো অধিক লোকক আক্ৰমণ কৰি আহত কৰাৰ লগতে বহুসংখ্যক পশুধনও বধ কৰি ভক্ষণ কৰিছিল। ৰাতি বাদেই নাহৰফুটুকীৰ সন্ত্ৰাসত দিনৰ ভাগতেই ওলাব নোৱাৰা এক অৱস্থাৰ সৃষ্টি হৈছিল। বন বিভাগে পিঞ্জৰা পাতিছিল যদিও কৰায়ত্ত কৰিব পৰা নাছিল; কিন্তু অৱশেষত আজি সন্ত্ৰাস সৃষ্টিকাৰী নাহৰফুটুকীটোক ধৰিবলৈ সক্ষম হয়। ফলত এক বৃহৎ অঞ্চলৰ জনসাধাৰণে স্বস্তিৰ নিশ্বাস পেলাইছে। বন বিভাগৰ সূত্ৰৰ মতে একেটা নাহৰফুটুকীয়েই এই অঞ্চলসমূহত সন্ত্ৰাস চলাইছিল। কিন্তু একাংশ ৰাইজৰ মতে কমেও দুটা নাহৰফুটুকীয়ে সন্ত্ৰাস চলাই আহিছে। এটা নাহৰফুটুকী কৰায়ত্ত হোৱাৰ লগে লগে সমগ্ৰ বিষয়টো পোহৰলৈ অহাৰ সম্ভাৱনা আছে বুলি স্থানীয় ৰাইজে মতপোষণ কৰিছে।

## বিশিষ্ট শিক্ষাবিদ-কোচ ৰাজবংশী নেতা কৃষ্ণ মোহন অধিকাৰীৰ দেহাৱসান

অগ্ৰদূত বাৰ্তা



**দোতমা, ২৫ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ শক্তি আশ্ৰম খুকচীৰ বাসিন্দা, বিশিষ্ট শিক্ষাবিদ, লেখক, কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰভাৱশালী নেতা কৃষ্ণ মোহন অধিকাৰীৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। শিক্ষাবিদজনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। কালি পুৱা মৃত্যুৰ খবৰটো বিয়পি পৰাৰ লগে লগে বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দৰ লগতে গুণমুগ্ধই অধিকাৰীৰ ঘৰত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইপিনে শক্তি আশ্ৰম বজাৰৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ ৰাখি শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ উপৰি কোচ ৰাজবংশী সাহিত্য সভাৰ মুখ্য কাৰ্যালয়ত অধিকাৰীৰ নশ্বৰদেহ সমদলৰ কৰি লৈ আহে। লগতে কোচ ৰাজবংশী সাহিত্য সভাৰ পতাকা তিনিদিন অৰ্ধনমিত কৰি ৰখাৰ সিদ্ধান্ত লয় সাহিত্য সভাই। ইয়াৰ লগতে শক্তি আশ্ৰমস্থিত আক্ৰাছুৰ কাৰ্যালয়, স্বামী যোগানন্দগিৰি মহাবিদ্যালয়ৰ উপৰি শক্তি আশ্ৰম উচ্চ মাধ্যমিক আৰু কাৰিকৰী বিদ্যালয়তো শ্ৰদ্ধাঞ্জলি নিবেদন কৰে শিক্ষাবিদজনৰ নশ্বৰদেহত। শ্ৰদ্ধাঞ্জলি নিবেদন কৰি কোচ-ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে কয় যে অধিকাৰীৰ মৃত্যুত কোচ ৰাজবংশী জাতিৰ অপূৰণীয় ক্ষতি হ'ল। কোচ ৰাজবংশী জাতি-জনগোষ্ঠীয়ে এজন অভিভাৱকক হেৰুৱালে। সেই অধিকাৰীৰ স্মৃতি ৰক্ষাৰ্থে আদ্যশ্ৰদ্ধাৰ দিনতে স্মৃতি ৰক্ষাৰ্থে এখন স্মৃতিগ্ৰন্থও ছপা কৰাৰ বাবে ৰঘুনাথ চৌধুৰীক মুখ্য সম্পাদক, বিজয় বৈষ্ণৱ, জাহাংগীৰ হুছেইন, মনিন্দ্ৰ দাসক লৈ এখন স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি গঠন কৰে। আক্ৰাছুৰ কাৰ্যালয়ত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কেএচিৰ ইএম কৰ্মেশ্বৰ ৰায়ৰ লগতে আক্ৰাছু কৰ্মকৰ্তা, চিলাৰায় সেনা, কোচ-ৰাজবংশী মহিলা সমিতি, শংকৰদেৱ শিশু নিকেতন শিক্ষক-শিক্ষয়িত্ৰীসকলো জাতীয় গামোচা, পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে।

■ নগাঁও কলা মন্দিৰত সদৌ অসম ভিত্তিত একাংকিকা নাট প্ৰতিযোগিতা আৰম্ভ

## নাটক জীৱনৰ চাংঘৰ শিল্পীসকল হিমালয়ৰ দৰে উচ্চ

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ ডিচেম্বৰ ঃ** 'নাটক জীৱনৰ চাংঘৰ। চাংঘৰ এটা সম্পূৰ্ণ থলুৱা মাটি শিল্পৰে নিৰ্মাণ কৰা হয়। যাৰ সম্বন্ধ মাটি আৰু শিপাৰ লগত সংপৃক্ত। ঠিক সেইদৰে নাটকেও শিপাৰ লগত সংপৃক্ত হৈ আছে।' এই মন্তব্য বিশিষ্ট নাট্যকাৰ-পৰিচালক ৰফিকুল হুছেইনৰ। ঐতিহ্যমণ্ডিত নগাঁও কলা মন্দিৰ প্ৰেক্ষাগৃহত কালিৰ পৰা আৰম্ভ হোৱা তিনিদিনীয়া সদৌ অসম ভিত্তিক একাংকিকা নাট প্ৰতিযোগিতা উদ্বোধন কৰি নাট্যকাৰজনে এই মন্তব্য কৰি কয়, 'শিল্পীসকল হিমালয়ৰ দৰে উচ্চ। যেনেকৈ হিমালয় পৰ্বত সবাতোকৈ উচ্চ ঠিক সেইদৰে শিল্পীসকলো সমাজৰ সকলো স্তৰৰ লোকতকৈ উচ্চ স্থান দখল কৰি আহিছে।' তেওঁ পুনৰ কয় যে আধুনিক নাট্য যাত্ৰাত নগাঁৱে এক উল্লেখনীয় বৰঙণি আগবঢ়াই আহিছে। ভাষণ প্ৰসংগত তেওঁ সাহিত্যাচাৰ্য মহিম বৰা, শিল্পী প্ৰণৱ বৰুৱা, পাৰবিন চুলতানাৰ লগতে নগাঁৱৰ শিল্প-সাহিত্যৰ লগত জড়িতসকলৰ নাম আৰু কৰ্মৰাজিৰ বিষয়ে উল্লেখ কৰে। তিনিদিনীয়াকৈ আয়োজিত সদৌ অসম ভিত্তিত অনুষ্ঠিত একাংকিকা নাট প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত নগাঁও কলা মন্দিৰৰ সভাপতি তথা চিকিৎসক কেশৱানন্দ, উপ-সভাপতি সৌৰভ বৰা, সাধাৰণ সম্পাদক কিশোৰ দাস, বিশিষ্ট নাট পৰিচালক অভিনেতা পুণ্যদা বৰা, বিশিষ্ট নাট্যকাৰ অজিত বৰঠাকুৰ, বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি, গল্পকাৰ তথা সাপ্তাহিক কলংপাৰ কাকতৰ মুখ্য সম্পাদক গুৰমাইল সিং সহ অন্যান্য ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁতধৰে ডলি বৰাই। কালি উদ্বোধনী অনুষ্ঠানৰ নাটসমূহ হৈছে ৰংগমঞ্চ নগাঁৱৰ নিবেদন যন্ত্ৰণা, সাৰথি নাট্যগোষ্ঠীৰ বোকাখাতৰ নিবেদন দ্যা চুইং, জ্যোতি শিল্প নগাঁৱৰ নিবেদন ত্ৰাহি দেৱ দামোদৰ, ওকা ড্ৰামা ৱৰ্কছ শিৱসাগৰৰ নিবেদন ৰজা জহদ্বগৰ মঞ্চস্থ হয়। আনহাতে আজি প্ৰায় ১০খন নাট মঞ্চস্থ হোৱাৰ উপৰি দেওবাৰে প্ৰতিযোগিতাখনৰ সামৰণি আৰু বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন হ'ব।




# ‘দুৰ্গা-দ্য ৱেৰিয়ৰ’ৰ সম্পাদনা সম্পূৰ্ণ

**নাট্যকাৰ,** পৰিচালক, অভিনেতা কিশোৰৰ তহবিলদাৰৰ পৰিচালনাৰে প্ৰথমখন পূৰ্ণদৈৰ্ঘৰ অসমীয়া ছবি ‘দুৰ্গা-দ্য ৱেৰিয়ৰ’ৰ সম্পাদনা সম্পূৰ্ণ হৈছে। তহবিলদাৰ প্ৰডাকছনৰ বেনাৰত নিৰ্মিত ছবিখনৰ প্ৰযোজনা ডাঃ উৎপল তহবিলদাৰৰ। কাহিনী, চিত্ৰনাট্য, সংলাপ কিশোৰ তহবিলদাৰৰ। চিত্ৰগ্ৰহণ সুমন দুৱৰাৰ, সম্পাদনা দেবাংকৰ বৰগোহাঁইৰ, সংগীত ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত সংগীত শিল্পী তৰালী শৰ্মাৰ, ছাউণ্ড ডিজাইন ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত ছাউণ্ড ডিজাইনাৰ দেৱজিৎ গায়নৰ, ডিআই মুম্বাইৰ ৰাজেশ কুমাৰ যাদৱৰ, কলা নিৰ্দেশক ত্ৰিদিপ তালুকদাৰ আৰু অংকুৰ পাটগিৰিৰ। নাম ভূমিকাত অভিনয় কৰিছে অপেছাদাৰী মঞ্চৰ বলিষ্ঠ অভিনেত্ৰী বৰপেটাৰ দীপা দাসে।

অপেছাদাৰী মঞ্চৰ অক্ষেন্দ্ৰ দাসৰ লগতে অভিনয় কৰিছে নাটক ধাৰাবাহিক-চিনেমাৰ জনপ্ৰিয় অভিনেতা সিদ্ধাৰ্থ শৰ্মা (কে কে), জয়ন্ত দাস, মহেন্দ্ৰ দাস, ঈশান হাজৰিকা, কবিন দাস, অসীমকৃষ্ণ বৰুৱা, অমন তহবিলদাৰ, ছৈয়দ আলম, দীপাংকৰ তালুকদাৰ, হৰ্ষ দাস, জয়ন্ত দাস, জুৰি দেৱী, ৰুমি ভূএগ্ৰা আদিৰ লগতে নৱগঠিত বজালী জিলাৰ প্ৰায় পাঁচশ ন-পুৰণি অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিছে।

**ভূপেশ খাটনিয়াৰ**



# জনপ্ৰিয় তথা সুদৰ্শন চৰিত্ৰাভিনেতা দিলীপ বৰুৱা

শিৱসাগৰত জন্ম তেওঁৰ। জন্ম ঠাইত প্ৰথম নাটকৰ বীজ সিঁচা শিল্পীজনৰ পাছলৈ উচ্চ শিক্ষা আৰু কৰ্মৰ তাগিদাত গুৱাহাটী মহানগৰীলৈ প্ৰত্যাৱৰ্তন। বৰ্তমান তেওঁ গুৱাহাটীৰ স্থায়ী বাসিন্দা। তেওঁ হ'ল অসমৰ টিভিৰ দৰ্শকৰ চিৰ পৰিচিত চৰিত্ৰাভিনেতা দিলীপ বৰুৱা। সমান্তৰালভাৱে অসমীয়া চলচ্চিত্ৰ আৰু গুৱাহাটী মহানগৰকেন্দ্ৰিক অপেছাদাৰী নাট্যানুষ্ঠানৰ এজন প্ৰতিষ্ঠিত, জনপ্ৰিয় আৰু সাৱলীল অভিনেতা। এইজন অভিনেতাই ছাত্ৰাৱস্থাতে প্ৰথম অভিনয় কৰা দুৰ্গেশ্বৰ বৰঠাকুৰৰ ‘বিহুগুটিৰ বিলৈ’ নাটখনৰ পাছত পৰৱৰ্তী সময়ত বিভিন্ন নাটকত অভিনয় কৰি প্ৰশংসা লাভ কৰিছিল। ছাত্ৰাৱস্থাতেই সেউজ কোঁৱৰ পৰাগধৰ চলিহাৰ ‘চাৰি হেজাৰ বছৰৰ অসম’ নামৰ নাটকত কৰা অভিনয় দেখি সেউজ কোঁৱৰ চলিহাই প্ৰশংসা কৰাৰ লগতে আশীৰ্বাদ কৰিছিল ভৱিষ্যতে এজন সুদক্ষ অভিনেতা শিল্পী হ'ব বুলি। স্কুলীয়া জীৱনতে তেনেদৰে উৎসাহিত হৈ পঢ়াৰ সমান্তৰালকৈ নাটক আৰু অভিনয়কো সাধনাৰ সমলৰূপে লৈ আগবাঢ়ে তেওঁ। শিৱসাগৰতে হাইস্কুলীয়া জীৱন সাং কৰা বৰুৱাই শ্বিলঙৰ এন্থনী কলেজ আৰু শিৱসাগৰ মহাবিদ্যালয়ৰ পৰা স্নাতক হয়। তাৰ পাছতেই উচ্চ শিক্ষাৰ বাবে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহে আৰু গুৱাহাটীৰ নাট্য সংগঠনৰ স'তে জড়িত হৈ ‘কেপ্টেইন হোৱা’ নামৰ নাটকখনত কৰা অভিনয়ৰ বাবে সকলোৰে দৃষ্টিত পৰে তেওঁ। পৰৱৰ্তী সময়ত গুৱাহাটীৰ দীপক সংঘৰ জৰিয়তে বহুকেইখন নাটকত অভিনয় কৰে। সেই সময়ত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘ৰূপালীম’ আৰু নটসূৰ্য ফণী শৰ্মাৰ ‘কিয়’ নাটকত তেওঁৰ অভিনয়ৰ দক্ষতাত দৰ্শক মুগ্ধ হৈ পৰিছিল। একাদিক্ৰমে সত্যপ্ৰসাদ বৰুৱা পৰিচালিত ‘মাউছ ট্ৰেপ’ৰ উপৰি সত্যপ্ৰসাদ বৰুৱাৰ আন কে'বাখনো নাটকত, গিৰীশ চৌধুৰীৰ ‘চকৰী’ নাটকতো তেওঁৰ অভিনয়ৰ পাৰদৰ্শিতা ব্যাপকভাৱে প্ৰসাৰিত হয়। সেই তেতিয়াই ‘পিয়লি ফুকন’ আৰু ‘ঔৰংজেব’ নাটকত মূল চৰিত্ৰৰ অভিনয়ৰে দিলীপ বৰুৱা গুৱাহাটীৰ অপেছাদাৰী নাট্য ক্ষেত্ৰৰ দৰ্শকৰ প্ৰিয়ভাজন হৈ পৰে। সেই সময়ত আকাশবাণী কেন্দ্ৰৰ নাটকৰো এজন নিয়মীয়া শিল্পী হৈ পৰে তেওঁ। গুৱাহাটী মহানগৰীৰ অভিজাত সামাজিক-সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপা নিউ আৰ্ট প্লেয়াৰৰ স'তে চাৰি বছৰৰো অধিককাল জড়িত হৈ নাট্যচৰ্চা কৰা বৰুৱা অসম নাট্য সন্মিলনতো সক্ৰিয়। বৰ্তমানলৈ তিনিশৰো অধিক নাটকত অভিনয় কৰা শিল্পীজনৰ অপেছাদাৰী মঞ্চৰ উল্লেখযোগ্য নাটক কেইখন হ'ল- ৰান্ধনী বেলিৰ ৰং, চহৰত এজাক বাদুলি, লাচিত বৰফুকন, মগৰীবৰ আজান, চামেলি মেমচাহাব, মৃত্যুঞ্জয়, খামোচ, আই, সাঁকো, ফুৰকি মোৰাচিন, টঙীঘৰ, জৰৌৰোৱা পৰজা আদি। দিলীপ বৰুৱাই ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ‘কোলাহল’ৰ যোগেদি অসমীয়া চলচ্চিত্ৰ জগতত খোজ পেলায়। তাৰ পাছত তেওঁ ব্ৰজেন বৰাৰ ‘ৰঙানদী’, দাৰা আহমেদৰ ‘দেৱতা’, পুলক গগৈৰ ‘মৰম নদীৰ গাভৰু ঘাট, গোপাল বৰঠাকুৰৰ ‘শেষ উপহাৰ’, মুনীন বৰুৱাৰ ‘দীনবন্ধু’, তৌফিক ৰহমানৰ ‘এই মৰম তোমাৰ বাবে, প্ৰবীণ বৰাৰ ‘প্ৰেম ভৰা চকুলো’ মঞ্জু বৰাৰ ‘জয়মতী’, ‘আই ক'ত নাই’, এম কাপ্পানৰ ‘বৰলাৰ ঘৰ’ আদি ছবিত চৰিত্ৰাভিনেতা হিচাপে গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰে। ৯০ৰ দশকত গুৱাহাটী দূৰদৰ্শনযোগে সম্প্ৰচাৰিত অতিকৈ জনপ্ৰিয় ধাৰাবাহিক জন্‌ছ মহলীয়াৰ ‘কালৰত্ন’, ‘প্ৰতিঘাত’, ‘অনেক ফুলৰ সুৰভি’, দাৰা আহমেদৰ ‘জীৱন ধাৰা’, গোপাল বৰঠাকুৰৰ ‘অনুৰণন’, ‘আশ্ৰয়’, জয়ন্ত নাথৰ ‘হাঁহিৰে চকুলো ঢাকি’, জয়ন্ত দাসৰ পৰিচালনাত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ৰচনাৰে ‘আগন্তুক’, সঞ্চিতা তালুকদাৰৰ ‘সোণালী সপোন’ত দিলীপ বৰুৱাই বিভিন্ন গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰি অসমবাসীৰ ঘৰে ঘৰে চিনাকি মুখ হৈ পৰিছিল।

**জিতু ৰায়মেধি**

# লখিমপুৰত ‘তলিগ’ৰ মুক্তি

**মি**চিং ভাষাত ‘তলিগ’ মানে হ'ল ত্যাগ। এনে ত্যাগৰ প্ৰতিফলনেৰে এক নিটোল কাহিনীক উপজীব্য কৰি মিচিং ভাষাত নিৰ্মাণ কৰা ছবি ‘তলিগ’ৰ আজি মুক্তি দিয়া হয় লখিমপুৰ জিলা পুথিভঁৰালত। এম টি ফিল্মছৰ বেনাৰত নিৰ্মিত ছবিখন বন্তি প্ৰজ্বলন তথা ফিটা কাটি উদ্বোধন কৰে ললিত পায়েঙে। এম টি ফিল্মছৰ বেনাৰত প্ৰথমবাৰৰ বাবে নিৰ্মাণ কৰা তথা আজি মুক্তি দিয়া এই ছবিখনৰ পৰিচালক ৰাজু মেদক। কাহিনী-চিত্ৰনাট্য ভাস্কৰজিৎ নৰহৰ। মিনাৰম টাইডে প্ৰযোজনা কৰা ছবিখনৰ সংগীত এছ এন পেগুৰ। কণ্ঠদান কৰিছে জেমছ এছ দাসে, কিশোৰ কুমাৰ টাইড আৰু সঞ্জীৱ মিগমে। ন-পুৰণি তথা একাংশ প্ৰতিষ্ঠিত শিল্পীৰ অভিনয়েৰে প্ৰেম, ৰোমাঞ্চৰে ভৰপূৰ সকলোৰে উপভোগ্য মনোৰঞ্জনধৰ্মী এই ছবিখনে সমাজৰ বাবে শুভ বাৰ্তাও প্ৰেৰণ কৰিছে। ছবিখন আজি প্ৰেক্ষাগৃহত বহু দৰ্শকে উপভোগ কৰে। প্ৰযোজক আৰু পৰিচালকে জনোৱা মতে, ছবিখন পৰ্যায়ক্ৰমে গাঁৱে-ভূঞে প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হ'ব। কৰ'নাকালে ভাঙি পেলোৱা অৰ্থনৈতিক কাঠামোৰ মাজতে গাঁঠিৰ ধন ভাঙি দুটা বছৰৰ শ্ৰমৰ অন্তত এই ছবিখন ৰাইজক উপহাৰ দিয়া বুলি কয় প্ৰযোজকজনে। তেওঁ ছবিখন আদৰি ল'বলৈ ৰাইজলৈ আহ্বান জনায়।

**জীৱন গোস্বামী**

# অজিত ৰাজবংশীৰ ‘প'ষ্টেল ডায়েৰী’ৰ গল্প নাট সমাৰোহ

## ব্যতিক্ৰমী চিন্তা-চৰ্চাই মুহিলে নলবাৰীৰ ৰাইজক

**‘দৈনিক অগ্ৰদূত’** কাকতৰ দেওবৰীয়া পৰিপূৰকা ‘শ্ৰীময়ী’ৰ ধাৰাবাহিক স্তম্ভ ‘প'ষ্টেল ডায়েৰী’ ইতিমধ্যে গ্ৰন্থ আকাৰে প্ৰকাশিত হৈছে। প্ৰকাশৰ পাছৰে পাছৰে পৰা চৰ্চিত হৈ থকা আৰু ইতিমধ্যে তিনিটা সংস্কৰণ প্ৰকাশ পোৱা গুৱাহাটীৰ ‘অসম পাব্লিছিং কোম্পানী’য়ে প্ৰকাশ কৰা গল্পকাৰ অজিত ৰাজবংশীৰ ‘প'ষ্টেল ডায়েৰী’ৰ নিৰ্বাচিত গল্পৰ আধাৰত অলপতে নলবাৰী নাট্যমন্দিৰ প্ৰাংগণত অনুষ্ঠিত হৈ যায় দুদিনীয়া গল্প নাট সমাৰোহ ‘মুক্তাংগন ২০২১’। নলবাৰীৰ ‘ন-পুৰণি শিল্পী সমাজ’ তথা ৰংগতীৰ্থ, কাজিপাৰাৰ উদ্যোগত অনুষ্ঠিত এই গল্প নাট সমাৰোহৰ পৰিকল্পনা আৰু পৰিচালনা বিশিষ্ট নাট্য পৰিচালক ধ্ৰুৱ বৰ্মনৰ। সংগীত পৰিচালনা কৰিছে অমৰজ্যোতি দত্তই। অনুষ্ঠানৰ আৰম্ভণিতে অজিত ৰাজবংশী



ৰচিত আৰু দীপক দাসৰ সুৰেৰে সজোৱা ‘ডাকঘৰ ডাকঘৰ’ সংগীতটো পৰিৱেশন কৰে উদীয়মান শিল্পী জেছিকা ৰাজে। বিশাল বিক্ৰম চৌধুৰী, জিণ্টুমণি কলিতা আৰু প্ৰবাল ৰাজবংশীৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানটোত অভিনয় কৰে ক্ৰমে ফণীধৰ ডেকা, হিৰু তালুকদাৰ, মুকুল শৰ্মা, মুকুট বৈশ্য, বৰ্ণালী বাশ্যাস, কস্তুৰী ডেকা, ৰাজনীশ শ্ৰীধৰ, নৈঋত শৰ্মা, আকাশ ভৰদ্বাজ, নিস্কামনা অসমীয়া, প্ৰজ্ঞান শৰ্মা, সৌৰভ শৰ্মা, দিয়া ওলেম্যান, পংকজ আৰু অংকুৰে। অনুষ্ঠানৰ ৰূপসজ্জা ৰঞ্জন তালুকদাৰৰ। দুয়োটা দিনতে দৰ্শকৰ বিপুল সঁহাৰিয়ে বাৰুকৈয়ে আপ্লুত কৰে সকলোকে। নলবাৰীৰ শিল্পীসকলক সকলোৱে একেমুখে প্ৰশংসা কৰে এনে গল্প নাটৰ ব্যতিক্ৰমী নাট্যকাৰ্যৰ বাবে। ‘প'ষ্টেল ডায়েৰী’ৰ লিখক গল্পকাৰ অজিত ৰাজবংশীয়ে সকলোৱে শলাগ লৈ কয় যে ‘প'ষ্টেল ডায়েৰী’ৰ গল্পৰ এনে দুদিনীয়াকৈ বিশাল নাট্যসমাৰোহ সম্ভৱ হৈছে একমাত্ৰ বিশিষ্ট নাট্যকাৰ-পৰিচালক ধ্ৰুৱ বৰ্মনৰ আশাসুধীয়া প্ৰচেষ্টাত। অচিৰেই চতুৰ্থ সংস্কৰণ প্ৰকাশ পাবলগীয়া ‘প'ষ্টেল ডায়েৰী’ গ্ৰন্থখন এইবাৰ গুৱাহাটী গ্ৰন্থমেলাৰ অন্যতম আকৰ্ষণ হ'ব বুলি আমাৰ বিশ্বাস।

**প্ৰদীপ কুমাৰ বৰ্মন**

# নৱবৰ্ষত মুক্তি পাব চিন্ময়ী বৰুৱাৰ কণ্ঠত নতুন গীত ‘সুৰ ভৰা এটি গান’




অসমীয়া সংগীত জগতত ইতিমধ্যে নিজৰ প্ৰতিভাৰ বলত এগৰাকী সংগীত শিল্পী হিচাপে পৰিচিত হৈ পৰা সোণাৰিৰ চিন্ময়ী বৰুৱা এগৰাকী যুৱ প্ৰজন্মৰ প্ৰতিভাৱান কণ্ঠশিল্পী। চি. বি. প্ৰডাকচনৰ বেনাৰত চিন্ময়ীৰ এটি নতুন গীত মুক্তি লাভ কৰিব নৱবৰ্ষতে। গীতটিৰ কথা অনিমা শৰ্মাৰ। গিৰীন্দ্ৰ হালৈয়ে সুৰ কৰা গীতটিৰ সংগীত ব্যৱস্থাপনা উমেশ নাথৰ। সমাগত নৱবৰ্ষৰ প্ৰথম মাহতে মুক্তি লাভ কৰিবলগীয়া গীতৰ ভিডিঅ'টি ইউটিউবত উপলব্ধ হ'ব বুলি বিশিষ্ট সুৰকাৰ তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী গিৰীন্দ্ৰ হালৈয়ে জানিবলৈ দিয়ে।



# ঈশান আদ্ৰীৰ নিবেদন ‘ৰিং জিং’ৰ মুক্তি তিতাবৰ ঠেঙাল মিউজিয়ামত

কৰ'নাই বিধ্বস্ত কৰা মানুহৰ সাংস্কৃতিক মনটো পুনৰ ঠন ধৰি উঠিছে অসমৰ চুকে-কোণে। ন-খোৱা উৎসৱৰ পাছত অসমীয়া মানুহৰ অতিকে আদৰৰ ভোগালী বিহুৰ বাবে সাজু হৈছে গাঁৱৰ ডেকা-গাভৰুসকল। তাৰ মাজতে তিতাবৰত সাংস্কৃতিক জগতৰ এটা চিনাকী নাম দিগন্ত শইকীয়াৰ পৰিচালনাত, সংগীতৰ কণ্ঠৰে আৰু সামগ্ৰিক পৰিকল্পনাত বছৰৰ শেষত মুক্তি লাভ কৰিলে এক নষ্টালজিক গীতৰ আধাৰত নিৰ্মিত অসমীয়া ভিডিঅ' সংগীত ‘ৰিং জিং’য়ে। ঈশান আদ্ৰীৰ বেনাৰত প্ৰযোজিত ‘ৰিং জিং’ৰ মূল গীতটো মহানন্দ মজিন্দাৰ বৰুৱাৰ। অসমীয়া থলুৱা আৰু পৰম্পৰাগত সুৰৰ আবদাৰত তৈয়াৰ কৰা ‘ৰিং জিং’ নামৰ ভিডিঅ' সংগীতৰ অভিনয়ত অংশগ্ৰহণ কৰিছে অসমীয়া ছবি জগতৰ অতি আদৰৰ অভিনেতা অৰুণ হাজৰিকা, প্ৰিয়ম পল্লৱী কাশ্যপ, দেৱজিৎ গোস্বামী, নিতু বৰদলৈ, সমীৰ ৰঞ্জন শইকীয়া, ৰাজীৱ শৰ্মা, অবিনাশ চৌধুৰী, নবাগতা ৰিমলি ডেকা আৰু প্ৰণামিকা দাসে। কৰিঅ'গ্ৰাফী অভিজিৎ অধলকটীয়াৰ, কষ্টিউমত ৰশ্মি আৰ শইকীয়া। সংগীত ব্যৱস্থাপনা যতীন ডেকাৰ। দৃশ্যগ্ৰহণ সম্পাদনা কৈলাশ দুৱৰাৰ আৰু প্ৰযোজনা নিয়ন্ত্ৰণ যতীন ডেকা, নীলিময় ফুকন আৰু ৰক্তিম কটকীৰ।

তিতাবৰৰ ধলীস্থিত ঠেঙাল মিউজিয়ামত ২১ ডিচেম্বৰত ভালেসংখ্যক বিশিষ্ট লোকৰ উপস্থিতিত ‘ৰিং জিং’ৰ মুক্তি হয়। ঠেঙাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ কছাৰী, অভিনয় জগতৰ চিনাকী নাম নীলা শইকীয়া, ইতি ফুকন, অসম চৰকাৰৰ হস্ততাঁত বস্ত্ৰশিল্পৰ হোজাই জিলাৰ অধীক্ষক ৰাবুল শইকীয়া, শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ বুঢ়াভকত সোণাৰাম শৰ্মা, প্ৰাগজ্যোতিকাৰ সঞ্চালক অপূৰ্ব ডেকা আৰু অচ্যুতদ্বীপ শইকীয়া, তিতাবৰ প্ৰেছক্লাবৰ উপদেষ্টা বিমান শইকীয়া, তিতাবৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দেৱীচৰণ ৰেগন, সমাজকৰ্মী জ্যোতিষ পণ্ডিত মহেন্দ্ৰ শইকীয়া আদিয়ে ‘ৰিং জিং’ৰ মুক্তিৰ পাছতে মতামত প্ৰকাশ কৰে আৰু দিগন্ত শইকীয়াৰ সাংস্কৃতিক যাত্ৰা আৰু অধিক উজ্বল হোৱাটো কামনা কৰে। মহানন্দ মজিন্দাৰ বৰুৱাৰ গীতক নষ্টালজিক কৰিলে দিগন্ত শইকীয়াই। তিতাবৰৰ অভিনয় জগতত দিগন্ত শইকীয়াৰ পৰ্যটক সকলোৰে পৰিচিত। নাট্য জগতৰ লগত অতি নিবিড় সম্পৰ্ক আছিল দিগন্ত শইকীয়াৰ। তদুপৰি তিতাবৰত দিগন্ত শইকীয়াই সংবাদ সেৱা কৰি অসমৰ সংবাদ মাধ্যমৰ এটা চিনাকি নাম ৰূপে পৰিচিত হৈছিল। উল্লেখ্য যে কথা যে ‘ৰিং জিং’ৰ মুক্তিৰ দুদিনতে ৭০ হেজাৰৰো অধিক দৰ্শকে আঁকোৱালি লৈছে। দিগন্ত শইকীয়াই পৰৱৰ্তী এখন ভিডিঅ' সংগীতৰ সম্পানাৰ প্ৰস্তুতি কৰিছে। মুক্তিৰ অনুষ্ঠানত উপস্থিত দৰ্শকসকলে ‘ৰিং জিং’ উপভোগ কৰি ভূয়সী প্ৰশংসা কৰিছে।

**বিমান শইকীয়া**



# আকৌ হলিউডৰ নায়িকাৰে যুটি ঋত্বিকৰ

বলিউডৰ ‘গ্ৰীক গড’ ঋত্বিক ৰোছন। এই পৰ্যন্ত তেওঁ হলিউডৰ ছবিত অভিনয় কৰা নাই। অৱশ্যে হলিউডৰ নায়িকাৰ বিপৰীতে হিন্দী ছবিত অভিনয় কৰিছে। দীৰ্ঘদিনৰ পাছত পুনৰ ঋত্বিকে হলিউডৰ নায়িকাৰ স'তে যুটি বান্ধিবলৈ ওলাইছে। প্ৰায় এটা দশকৰ পূৰ্বে ঋত্বিকে হলিউডৰ নায়িকা বাৰবাৰা ম'ৰীৰ স'তে এখন ছবিত অভিনয় কৰিছিল। এইবাৰ তেওঁ অভিনয় কৰিব হলিউডৰ বৰ্তমানৰ এগৰাকী জনপ্ৰিয় অভিনেত্ৰী ছামান্থা লকউদৰ বিপৰীতে। ‘হাৱাই ফাইভ-০’ৰ নায়িকাগৰাকীয়ে ইনষ্টাগ্ৰামত ফটো দি সেই ইংগিত দিছে। হলিউডৰ মডেল-অভিনেত্ৰীগৰাকীৰ স'তে ভাৰতীয় নায়কজনৰ ফটোৱে ইতিমধ্যেই বিশেষ চৰ্চা লাভ কৰিছে।

ইনষ্টাগ্ৰামত তিনিখন ফটো প'ষ্ট কৰিছে ছামান্থাই। ইয়াৰে এখনত দেখা গৈছে এখন পাৰ্কত থিয় হৈ আছে দুই তাৰকা। ছামান্থাই লিখিছে, ‘এই অভিনেতাক সাক্ষাৎ কৰি ভাল লাগিল। তেওঁৰ জন্ম চলচ্চিত্ৰৰ পৰিয়ালতে।’ এই ফটোৰ পৰাই স্পষ্ট হৈছে যে দুয়ো শীঘ্ৰে কোনো ছবিত একেলগে কাম কৰিব। অৱশ্যে হলিউড নে বলিউডৰ ছবি সেয়া এতিয়াও নিশ্চিত নহয়। উল্লেখ্য যে ‘হাৱাই ফাইভ-০’ৰ উপৰি ছামান্থাই ‘টাৰ্ণ বেক নাও’, ‘ছাই ফাইটাৰ’, ‘মেক্সিকান গ'ল্ড’ৰ দৰে ছবিত অভিনয় কৰিছে। আনহাতে, আগন্তুক জানুৱাৰীত ছবিঘৰলৈ আহিব ঋত্বিকৰ নতুন ছবি ‘ফাইটাৰ’। ছবিখনত তেওঁৰ বিপৰীতে আছে দীপিকা পাডুক'ণ।



# এখন ছবিৰ বাবে শ্বাহিদৰ আক্ষেপ

কম বয়সৰ পৰাই বলিউডৰ নায়কৰূপে পৰ্দাত দেখা দিয়া শ্বাহিদ এসময়ত ‘চকোলেট হিৰো’ৰূপেই পৰিচিত হৈছিল। অলপ বয়স হোৱাৰ পাছত তেওঁ নিজকে পেশীবহুল নায়কৰূপে উপস্থাপন কৰিলেও শ্বাহিদক এতিয়াও দৰ্শকে ‘একচন হিৰো’ৰূপে গ্ৰহণ কৰা নাই।

**বলিউদত** এজন বেলেগ ধৰণৰ নায়কৰূপে এক বিশেষ স্থান অধিকাৰ কৰি আছে শ্বাহিদ কাপুৰে। কম বয়সৰ পৰাই বলিউদৰ নায়কৰূপে পৰ্দাত দেখা দিয়া শ্বাহিদ এসময়ত ‘চকোলেট হিৰো’ৰূপেই পৰিচিত হৈছিল। অলপ বয়স হোৱাৰ পাছত তেওঁ নিজকে পেশীবহুল নায়কৰূপে উপস্থাপন কৰিলেও শ্বাহিদক এতিয়াও দৰ্শকে ‘একচন হিৰো’ৰূপে গ্ৰহণ কৰা নাই। সেয়ে প্ৰতিভাৱান অভিনেতাজনে চিৰাচৰিত বলিউদী নায়কৰ পৰিৱৰ্তে ভিন্নসুৰী চৰিত্ৰৰেই দৰ্শকক মুগ্ধ কৰি ৰাখিছে আৰু বলিউদত এক নিজস্ব শৈলী প্ৰতিষ্ঠা কৰিছে। সেই ধৰণৰ এক ভিন্নসুৰী পৰীক্ষামূলক চৰিত্ৰত অভিনয় কৰিবলৈ নোপোৱাৰ আক্ষেপ শ্বাহিদৰ মনৰ পৰা আজিও আঁতৰি যোৱা নাই। ছবিখন হৈছে ব্লকব্লাষ্টাৰ ‘ৰংগ দে বাসন্তী’।

পৰিচালক ৰাকেশ ওমপ্ৰকাশ মেহৰাই আমিৰ খান অভিনীত ‘ৰংগ দে বাসন্তী’ত অভিনয়ৰ বাবে শ্বাহিদক প্ৰস্তাৱ দিছিল। ছবিখনৰ অন্যতম গুৰুত্বপূৰ্ণ কৰণ সিংঘানিয়াৰ ভূমিকাত শ্বাহিদকে পছন্দ কৰিছিল পৰিচালকে। অথচ পৰিচালক মেহৰাৰ প্ৰস্তাৱ সেই সময়ত অভিনেতাজনে ঘূৰাই দিবলৈ বাধ্য হৈছিল। ইচ্ছা থকা সত্বেও সময়ৰ অভাৱত তেওঁ ছবিখনত অভিনয় কৰিব নোৱাৰিলে। সেই আক্ষেপৰ কথা স্মৰণ কৰি শ্বাহিদে সম্প্ৰতি সংবাদ মাধ্যমৰ আগত কয়, ‘সেই ছবিখনত অভিনয় কৰিব নোৱৰাৰ বাবে আজিও বেয়া লাগে। চিত্ৰনাট্য পঢ়ি কান্দি দিছিলো। মোৰ বৰ ভাল লাগিছিল, কিন্তু সময় উলিয়াব নোৱাৰিলো।’

উল্লেখ্য যে শ্বাহিদে অস্বীকাৰ কৰাৰ পাছত পৰিচালকে উক্ত চৰিত্ৰৰ বাবে ফাৰহান আখতাৰক প্ৰস্তাৱ দিছিল। ফাৰহান সেই সময়ত বলিউদত কিছু নতুন। তাতে তেওঁ ‘লক্ষ্য’ ছবিৰ চিত্ৰগ্ৰহণত ব্যস্ত আছিল। সেয়ে ফাৰহানেও ছবিখনত অভিনয়ৰ প্ৰস্তাৱ ঘূৰাই দিয়ে। অৱশেষত কৰণ সিংঘানিয়াৰ চৰিত্ৰত ছবিখনত অভিনয় কৰে দক্ষিণৰ অভিনেতা সিদ্ধাৰ্থই। বাকীখিনি আজি ইতিহাস। সেই চৰিত্ৰত সিদ্ধাৰ্থৰ অভিনয়ে দৰ্শকৰ মনত এনেদৰে ৰেখাপাত কৰিছিল যে আজিও তেওঁৰ চৰিত্ৰটো মনত ৰাখিছে।

# নয়নতৰাৰ পৰিয়ালৰ সকলোৰে উপভোগ্য নাট ‘কলংক’

**‘কৰ'না’**ৰ কৱলতপৰা অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ অনেক ক্ষতি হৈছে। বিশেষকৈ যোৱা বছৰ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট্যযাত্ৰা। চলিত বৰ্ষতো কে'বাটাও আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলে নাট প্ৰদৰ্শন কৰা নাই। যোৱা দুৰ্গা পূজাৰ পৰাই কেইটামান ভ্ৰাম্যমাণ থিয়েটাৰে ৰাইজৰ ওচৰত নাট্য প্ৰদৰ্শন কৰি আছে। দৰ্শকৰ বিপুল সঁহাৰিয়ে নাট্যদল সমূহৰ শিল্পী কলা-কুশলীসকলক উৎসাহ যোগোৱা বুলি ক'ব লাগিব। কৰ'নাৰ সন্ত্ৰাস তথা দীৰ্ঘদিনীয়া তলাবন্ধৰ ফলত যোৱা দুইবছৰ এক প্ৰকাৰ গৃহবন্দী হৈ পৰা অসমৰ নাট্যপ্ৰাণ ৰাইজে মুকলি মনেৰে হিলদ'ল ভাঙি ওলাই আহিছে ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক উপভোগ কৰিবলৈ। নৱ দাস প্ৰযোজিত নয়নতৰা থিয়েটাৰে এইবাৰ দ্বাদশ বৰ্ষৰ নাট প্ৰদৰ্শন কৰি আছে। নাট্যদলটোৰ নাটকসমূহে ইতিমধ্যে দৰ্শকৰ পৰা লাভ কৰিছে বিপুল সঁহাৰি। নয়নতৰাৰ মঞ্চত প্ৰদৰ্শিত জনপ্ৰিয় নাট্যকাৰ ৰঞ্জিত দাসৰ ‘কলংক’ নামৰ নাটকখনেও লাভ কৰিছে প্ৰচুৰ জনপ্ৰিয়তা। অপেছাদাৰী নাট্যগোষ্ঠীৰ স'তে সুদীৰ্ঘ বছৰ জড়িত হৈ ভালেকেইখন মননশীল নাটক ৰচনা কৰাৰ লগতে এজন সুদক্ষ অভিনেতাৰূপেও কাহানিবাই প্ৰতিষ্ঠা লাভ কৰিছে তেওঁ। এইজন নাট্যকাৰৰ নাটক ইতিমধ্যে প্ৰদৰ্শিত হৈছে অসমৰ ৰংগমঞ্চত। ‘হিয়াৰ দাপোনত তোমাৰেই ছবি’ নামৰ এখন বিনোদনধৰ্মী অসমীয়া চলচ্চিত্ৰ নিৰ্মাণ কৰিছে নাট্যকাৰ-অভিনেতা ৰঞ্জিত দাসে। বিগত কেইবছৰমানৰ পৰা তেওঁ ভ্ৰাম্যমাণ থিয়েটাৰকো নাটক উপহাৰ দিছে। এইজন নাট্যকাৰৰ নাটকে ভ্ৰাম্যমাণ থিয়েটাৰতো লাভ কৰিছে ব্যৱসায়িক দিশত সফলতা। ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত প্ৰদৰ্শিত নাট্যকাৰ ৰঞ্জিত দাসৰ কেইখনমান উল্লেখযোগ্য নাটক হ'ল— ‘এবাৰ মা বুলি মাতিব পাৰোনে,’ ‘গুৰুদক্ষিণা’, ‘অভিশপ্ত ফুলশয্যা’ ‘আপোন মানুহ’, ‘সপোনৰ ঘৰ’ আদি। আগন্তুক নাট্যবৰ্ষতো নাট্যকাৰ ৰঞ্জিত দাসে চাৰিটা আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলক নাটক উপহাৰ দিব। নয়নতৰাক তেওঁ উপহাৰ দিব ‘দেউতা তুমি ক'ত আছা’। আনহাতে প্ৰাগ্‌জ্যোতিষৰ বাবে ৰচনা কৰিছে ‘পিতা-পুত্ৰ’ নামৰ নাটকখন।



বিশিষ্ট উপন্যাসিক কুমাৰ কিশোৰে তেওঁৰ বহুপথিত উপন্যাস ‘কবৰ আৰু কংকাল’ত উল্লেখ কৰিছে যে ‘কলংকৰ জন্ম আছে, মৃত্যু নাই।’ সঁচাকৈয়ে মানুহৰ জীৱনত কলংকৰ দাগ লাগিলে, তাক মচি পেলোৱাটো অতিকৈ কঠিন। নয়নতৰা থিয়েটাৰে প্ৰদৰ্শন কৰা জনপ্ৰিয় নাট্যকাৰ ৰঞ্জিত দাসৰ ‘কলংক’ নামৰ নাটকখনত এই বাস্তৱ কথাকেই দৰ্শকৰ আগত দাঙি ধৰিছে। প্ৰত্যেক মানুহৰে হৃদয়ত মানৱীয় গুণবোৰ থাকে। মানুহে জানিয়েই হওক বা অজানিতেই হওক, সময় আৰু পৰিস্থিতিত বাধ্যত পৰি কেতিয়াবা অপৰাধমূলক কৰ্মত লিপ্ত হ'ব পাৰে। কিন্তু অপকৰ্ম কৰি অনুশোচনাত দগ্ধ হোৱাসকলে বিচাৰি পায় জীয়াই থকাৰ প্ৰকৃত অৰ্থ। তেনেধৰণৰ লোকসকলে পুনৰ অপকৰ্মত লিপ্ত হ'বও নোৱাৰে। দোষে-গুণে মানৱ জাতিয়ে এই সমাজত বসবাস কৰি আছে। মানুহৰ জীৱনত অজানিতে ঘটি যোৱা কিছুমান ভুল সিদ্ধান্তই তেওঁৰ ব্যক্তিগত জীৱন, নিজৰ পৰিয়ালটোৰ লগতে সমাজতো বিৰূপ প্ৰভাৱ পৰিব পাৰে। দোষ কৰিলে ক্ষমা কৰি দিয়াটোও মানৱীয় গুণ। এই চিৰন্তন সত্য কথাকেই ‘কলংক’ নামৰ নাটখনৰ জৰিয়তে দৰ্শকৰ মাজত দাঙি ধৰাৰ প্ৰয়াস কৰিছে নাট্যকাৰ ৰঞ্জিত দাসে। এটা পাৰিবাৰিক ঘটনাৰ আলমত নাট্যকাৰে ‘কলংক’ নামৰ নাটকখন ৰচনা কৰিছে। নাটকখন প্ৰদৰ্শনৰ সময়ত দৰ্শকৰ্কেৰে উপচি পৰা নয়নতৰা থিয়েটাৰৰ প্ৰেক্ষাগৃহৰ ভিতৰত কাঁহ পৰি জিন যোৱা এক পৰিৱেশৰ সৃষ্টি হৈছিল। ‘কলংক’ নাটকৰ এটা বিশেষ চৰিত্ৰত প্ৰাণ ঢালি অভিনয়েৰে সকলো শ্ৰেণীৰ দৰ্শকৰ হৃদয় জয় কৰে ভ্ৰাম্যমাণ মঞ্চৰ বলিষ্ঠ অভিনেতা প্ৰাণজিৎ দাসে। দুকুৰি বছৰ ধৰি অবিৰতভাৱে এইজন জনপ্ৰিয় অভিনেতাই অকণো ক্লান্তি অনুভৱ নকৰাকৈ বলিষ্ঠ অভিনয় প্ৰদৰ্শনৰে সকলো শ্ৰেণীৰ দৰ্শকক মুগ্ধ কৰিব পৰাটো তেওঁৰ অভিনয় প্ৰতিভাৰ গুণ। নয়নতৰাৰ ‘কলংক’ নাটকত আকৌ এবাৰ জিলিকি উঠিল জনপ্ৰিয় অভিনেতা প্ৰাণজিৎ দাসৰ বলিষ্ঠ অভিনয়। ভ্ৰাম্যমাণ মঞ্চৰ জনপ্ৰিয় কৌতুক অভিনেতা নাজিমুল ইছলামে দৰ্শকক হাঁহিৰ খোৰাক যোগায়। ‘কলংক’ নাটকৰ বিভিন্ন চৰিত্ৰত বলিষ্ঠ অভিনয় প্ৰদৰ্শন কৰা অভিনেতা-অভিনেত্ৰীসকল হ'ল— নিতুল



পাঠক, যুগল কিশোৰ, নাগেশ্বৰ নাথ, ত্ৰিদিপ ৰয়, বিজুমণি চুতীয়া, জোনালী বৰুৱা, মৌনিতা বৰা আদি। নয়নতৰা থিয়েটাৰৰ এইবাৰ শব্দ আলোকৰ প্ৰয়োগ তথা মঞ্চসজ্জা কিছু উন্নত হৈছে। পাৰিবাৰিক সংঘাত, জীৱনৰ ঘাত-প্ৰতিঘাত, হাঁহি-কান্দোনেৰে পৰিপূৰ্ণ পৰিয়ালৰ সকলোৰে উপভোগ্য নাট্যকাৰ ৰঞ্জিৎ দাসৰ ‘কলংক’ নাটকখনে ইতিমধ্যে লাভ কৰিছে প্ৰচুৰ জনপ্ৰিয়তা। কৰ'নাৰ সন্ত্ৰাসৰ মাজতেই বুকুত অসীম সাহস বান্ধি নয়নতৰা থিয়েটাৰক ৰাইজৰ মাজলৈ উলিয়াই আনিছে প্ৰযোজক নৱ দাসে। নাট্য দলটোক এইবাৰ দৰ্শক ৰাইজে আগ্ৰহেৰে আঁকোৱালি লোৱাত উৎসাহিত হৈ প্ৰযোজক নৱ দাসে আগন্তুক নাট্যবৰ্ষৰ বাবেও নাট নিৰ্বাচন তথা অভিনেতা-অভিনেত্ৰী নিৰ্বাচন কৰিছে।

**কমল কুমাৰ ভাগৱতী**





# আজিৰে পৰা ভাৰত-দক্ষিণ আফ্ৰিকাৰ প্ৰথম টেষ্ট

**চেঞ্চুৰিয়ন, ২৫ ডিচেম্বৰ ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে, ঘৰত নিউজিলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা জয় কৰি দক্ষিণ আফ্ৰিকালৈ যোৱা ভাৰতীয় দল চাপৰ মাজতো দৃঢ় হৈ আছে। ইয়াৰ কাৰণ হ'ল পূৰ্ণ শক্তিৰে নামিব টীম ইণ্ডিয়া। কাইলৈ প্ৰথমখন টেষ্টত টীম ইণ্ডিয়াৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে পাঁচজন বলাৰ মূল একাদশত অন্তৰ্ভুক্ত কৰিব বুলি ইতিমধ্যে ব্যক্ত কৰিছে। সেয়ে বেটছমেন হিচাপে হয় শ্ৰেয়াছ আয়াৰ বা আজিংক ৰাহানেৰ এজনে প্ৰথম টেষ্টত খেলাৰ সুযোগ পাব। বেটিং ভাৰতীয় দলৰ চিন্তাৰ কাৰণ হৈ আছে। পূজাৰা, বিৰাট আৰু ৰাহানে ফৰ্মত নাই। আঘাতৰ বাবে দলত নাই ৰোহিত। কিন্তু মায়ংক, ৰাহুল আৰু শ্ৰেয়াছৰ শেহতীয়া বেটিং টীম ইণ্ডিয়াৰ বাবে আশাপ্ৰদ। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। টীম ইণ্ডিয়াৰ এদিনীয়া আৰু টি-20 ৰ অধিনায়ক ৰোহিত শৰ্মাক এইবাৰ টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছিল পূৰ্বৰ অজিংক্য ৰাহানেৰ স্থানত। কিন্তু এতিয়া ৰোহিতে টেষ্ট শৃংখলাত অংশ ল'ব নোৱাৰিলে। তেওঁৰ স্থানত নিৰ্বাচকে অন্তৰ্ভুক্ত কৰিছে প্ৰিয়াংক পাঞ্চলক। আনহাতে, সহঃঅধিনায়কৰ দায়িত্ব পাইছে অপেনাৰ লোকেছ ৰাহুলে। দক্ষিণ আফ্ৰিকা ভ্ৰমণলৈ যোৱা ভাৰতীয় টেষ্ট দলটো হ'ল ঃ বিৰাট কোহলি, লোকেছ ৰাহুল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, প্ৰিয়াংক পাঞ্চল, ঋষভ পণ্ট, ঋদ্ধিমান সাহা, ৰবিচন্দ্ৰন অশ্বিন, জয়ন্ত যাদব, ঈশান্ত শৰ্মা, মহম্মদ ছামি, উমেশ যাদব, যশপ্ৰীত বুমৰাহ, ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ চিৰাজ।



## প্ৰসন্ন কুমাৰ শৰ্মা টেনিছ প্ৰতিযোগিতা আৰম্ভ

# ৩৫ উৰ্দ্ধৰ শাখাত চেম্পিয়ন নাজনিন-ৰাণী

**গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** অসম টেনিছ সন্থাৰ উদ্যোগত আজিৰে পৰা নৰ্থ ইষ্ট টেনিছ ফাউণ্ডেছনৰ কৰ্টত আৰম্ভ হৈছে প্ৰসন্ন কুমাৰ শৰ্মা সোঁৱৰণি সদৌ অসম প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলাৰ উক্ত ৰাজ্যিক প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ বয়স শাখা তিনিটা হ'ল 35, 45 আৰু 55 বছৰ উৰ্দ্ধৰ তথা মহিলাৰ একমাত্ৰ শাখাতো হ'ল 35 বছৰ উৰ্দ্ধৰ। আজি প্ৰথমদিনা মহিলাৰ 35 বছৰ উৰ্দ্ধৰ শাখাত নাজনিন জাফৰ আৰু ৰাণী কৌড়ে খিতাপ লাভ কৰে। ফাইনেলত নাজনিন জাফৰ আৰু ৰাণী কৌড়ে 6-0, 6-1 ৰ ব্যৱধানত পৰাস্ত কৰে ববিতা লাংথাছা আৰু মিতালী বৰুৱাক। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি পুৰুষৰ 35, 45 আৰু 55 বছৰ উৰ্দ্ধৰ ফাইনেল তিনিখন কাইলৈ অনুষ্ঠিত হ'ব।



## সন্মুখত পঞ্জাৱৰ বিধানসভাৰ নিৰ্বাচন

# হৰভজন সিঙে ৰাজনীতিত যোগ দিয়াক লৈ ভিন্ন মহলত সৰৱ চৰ্চা

**নতুন দিল্লী, ২৫ ডিচেম্বৰ ঃ** সকলো শ্ৰেণীৰ ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰা ক্ৰিকেটাৰ হৰভজন সিঙে অচিৰেই ৰাজনীতিত যোগ দিব পাৰে। আনহাতে, আসন্ন পঞ্জাৱ বিধান সভাৰ নিৰ্বাচনত এটা ৰাষ্ট্ৰীয় দলৰ পাৰ্থী হোৱাৰো সম্ভাৱনা আছে ক্ৰিকেটাৰগৰাকী। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেটৰ অন্যতম চেম্পিয়ন খেলুৱৈ হৰভজন সিঙে কালি সকলো শ্ৰেণীৰ ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে। বৰদিনৰ প্ৰাকক্ষণত টুইটাৰযোগে সকলো শ্ৰেণীৰ ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ কথা আনুষ্ঠানিকভাৱে ব্যক্ত কৰে অফস্পীনাৰগৰাকীয়ে। উল্লেখ্য যে হৰভজন সিঙৰ বৰ্তমান বয়স হ'ল 41 বছৰ। যোৱা কিছুবছৰ ধৰি তেওঁ ক্ৰিকেটৰ পৰা আঁতৰি আছিল। সেয়ে এয়াই অৱসৰৰ উপযুক্ত সময় বুলি বোধগম্য হৈ সকলো শ্ৰেণীৰ ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰে। অফস্পীনাৰগৰাকীয়ে 1998 ত টীম ইণ্ডিয়াৰ হৈ অভিষেক কৰিছিল। আৰম্ভণি বিতৰ্কৰ মাজত থকাত সুখৰ নাছিল যদিও 2000 ত অষ্ট্ৰেলিয়া ক্ৰিকেট দলৰ ভাৰত ভ্ৰমণৰ সময়ত অনবদ্য প্ৰদৰ্শনৰে উজ্বলি উঠে। কলকাতাৰ ইডেন গাৰ্ডেনত হেট্ৰিক অৰ্জন কৰি টেষ্টত এই গৌৰৱ লাভ কৰা প্ৰথম ভাৰতীয় ক্ৰিকেটাৰ হয়। তাৰপাছত সাফল্যৰ জখলাত আৰোহন কৰে হৰভজনে। 2011 ৰ বিশ্ব চেম্পিয়ন ভাৰতীয় দলৰ সদস্য



হৰভজন সিং আছিল 2007 ৰ টি-20 বিশ্বকাপৰ চেম্পিয়ন ভাৰতীয় দলৰো সদস্য। উল্লেখ্য যে গৌৰৱময় কেৰিয়াত হৰভজন সিঙে 103 খন টেষ্টত 417 টা উইকেট লাভ কৰাৰ বিপৰীতে 236 খন এদিনীয়া খেলি লাভ কৰিছে মুঠ 269 টা উইকেট। আনহাতে, 28 খন টি-20 মেচ খেলি লাভ কৰিছে 25 টা উইকেট।

# প্ৰাইজমানি ক্ৰিকেট এছ এম গাঁও যুৱক সংঘৰ সহজ জয়লাভ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৫ ডিচেম্বৰ ঃ** নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত এছ এম গাঁও যুৱক সংঘই জয়লাভ কৰিছে। দলে 67 ৰাণত পৰাস্ত কৰে মৰিগাঁৱৰ ৰেকিব ইলেভেনক। পোনতে বেটিং কৰি এছ এম গাঁও যুৱক সংঘই 127-6 ৰাণ কৰে। প্ৰত্যুত্তৰত, মৰিগাঁৱৰ ৰেকিব ইলেভেনে মাত্ৰ 60-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাখনত চেম্পিয়ন আৰু ৰানাৰ্ছআপ দলক ট্ৰফীৰ লগতে নগদ ধন দিয়া হ'ব বুলি আয়োজকে অৱগত কৰিছে।

## আঠ জিলাৰ শতাধিক খেলুৱৈৰ অংশগ্ৰহণ

# 30 সংখ্যক যোৰহাট অপেন টেনিছ প্ৰতিযোগিতা আৰম্ভ

**গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** অসম টেনিছ সন্থাৰ সহযোগত যোৰহাট টেনিছ ক্লাবত আজিৰে পৰা আৰম্ভ হৈছে 30 সংখ্যক যোৰহাট অপেন। যোৰহাট টেনিছ ক্লাবৰ কৰ্টত অনুষ্ঠিত হোৱা মেজৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনত গুৱাহাটী, গোলাঘাট, এন আৰ এল, শিৱসাগৰ, ডিব্ৰুগড়, তেজপুৰ, দূলীয়াজান আৰু যোৰহাটৰ খেলুৱৈয়ে অংশ লৈছে। অহা 30 ডিচেম্বৰত সামৰণি পৰিব লগা যোৰহাট অপেন টেনিছ প্ৰতিযোগিতাখনত ল'ৰাৰ 12, 14, 18 বছৰ অনূৰ্ধ্ব একক শাখাৰ তথা ল'ৰাৰ 14 বছৰ অনূৰ্ধ্ব ডাবলছ শাখাৰ খেল হোৱাৰ লগতে ছোৱালীৰ 14, 18 বছৰ অনূৰ্ধ্বৰ একক শাখাৰ আৰু পুৰুষৰ একক-ডাবলছ শাখাৰ খেল হ'ব। আজি প্ৰথম দিনা বিভিন্ন শাখাৰ প্ৰথম ৰাউণ্ডৰ খেল অনুষ্ঠিত হয়। উল্লেখ্য যে অসম টেনিছ সন্থাই ইতিমধ্যে নতুন ছিজনৰ বিভিন্ন প্ৰতিযোগিতাৰ দিন আৰু স্থান নিশ্চিত কৰি সূচী ঘোষণা কৰিছে। ইতিমধ্যে যোৱা 14-19 ডিচেম্বৰলৈ গুৱাহাটীৰ উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হৈছিল 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। ইফালে, আজিৰে পৰা 30 ডিচেম্বৰলৈ যোৰহাট টেনিছ ক্লাবত অনুষ্ঠিত হৈছে 30 সংখ্যক যোৰহাট অ'পেন। আনহাতে, নুমলীগড় কল্যানী ক্লাবে অহা বৰ্ষৰ তিনিৰ পৰা ছয় জানুৱাৰীলৈ আয়োজন কৰিব কল্যানী অপেন জুনিয়ৰ টেনিছ প্ৰতিযোগিতা। এইবাৰ ধেমাজী টেনিছ ক্লাবে সাতৰ পৰা ন জানুৱাৰীলৈ ধেমাজী টেনিছ চেম্পিয়নশ্বিপ আয়োজন কৰিব বুলি জনাইছে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই।





১৯ অনূৰ্ধ্ব এছিয়া কাপ ক্ৰিকেটত ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ জয়

# ফাইনেলত ভি আই পি ইউনাইটেড

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৫ ডিচেম্বৰ ঃ** অমৃত চৌধুৰী আৰু কুসুম চৌধুৰী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভি আই পি ইউনাইটেড এফ চি। আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত ভি আই পি ইউনাইটেড এফ চি দলে 2-0 গ'লত পৰাস্ত কৰে আচামিজ ওৱাৰিয়ৰ্ছক। উল্লেখ্য যে ইয়াৰপূৰ্বে হোৱা কোৱাৰ্টাৰ ফাইনেলত ভি আই পি ইউনাইটেড এফ চি দলে 1-0 গ'লত আজাৰা বয়জ ক্লাবক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। বিপৰীতে প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰ ফাইনেলত আচামিজ ওৱাৰিয়ৰ্ছ দল মুখামুখি হৈছিল ওদালগুৰিৰ ৰয়েল ব্ৰাডাৰ্ছ দলৰ। একপক্ষীয় মেচত এচামিজ ৱাৰিয়ৰ্ছ দলে 3-1 গ'লত পৰাস্ত কৰিছিল ৰয়েল ব্ৰাডাৰ্ছ দলক।

# অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবক হৰুৱাই ছেমিত ষ্টাৰ স্পৰ্টিং

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৫ ডিচেম্বৰ ঃ ঃ** নগাঁৱৰ নৰুল আমিন ষ্টেডিয়ামত অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি হোৱা মেচত ষ্টাৰ স্পৰ্টিং ক্লাবে চাৰি উইকেটত ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। পোনতে বেটিং কৰি ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবে মাত্ৰ 68-10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ষ্টাৰ স্পৰ্টিং ক্লাবে 69-6 ৰাণ কৰি সহজে জয় অৰ্জন কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত হৈছে। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা গড় 10 টা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিছে।

# ২২৫ ৰাণৰ বৃহৎ ব্যৱধানত জয়ী ফেলকনচ ক্লাব

**অগ্ৰদূত বাৰ্তা, নাহৰকটীয়া, ২৫ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাৰ সহযোগত নাহৰকটীয়া ক্ৰিকেট ষ্টেডিয়ামত চলি থকা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি হোৱা মেচত ফেলকনচ ক্লাবে 225 ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে ইউনাইটেড স্পৰ্টছ কালচাৰেল ক্লাবক। পোনতে বেটিং কৰি ফেলকনচ ক্লাবে 262-9 ৰাণ কৰে। প্ৰত্যুত্তৰত, ইউনাইটেড স্পৰ্টছ কালচাৰেল ক্লাব মাত্ৰ 37-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত কৰিছে। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হৈছে জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ।

# ৰিভাৰ ৰাইনৰ বিৰুদ্ধে নিউষ্টাৰ ক্লাবৰ অগ্ৰগতি

**গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গুৱাহাটীৰ মেচত নিউষ্টাৰ ক্লাবে 51 ৰাণত পৰাস্ত কৰে ৰিভাৰ ৰাইন ক্লাবক। পোনতে বেটিং কৰি নিউষ্টাৰ ক্লাবে 199-8 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৰিভাৰ ৰাইন ক্লাবে 148-9 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰথম স্তৰত যিসকল চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হৈছে প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।



# নাজিৰা ক্ৰিকেট একাডেমী ফাইনেলত

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২৫ ডিচেম্বৰ ঃ** চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ নাজিৰাত হোৱা খেলৰ ফাইনেলত প্ৰৱেশ কৰিছে নাজিৰা ক্ৰিকেট একাডেমী। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ সহযোগত নাজিৰা ক্ৰিকেট সন্থাই আয়োজন কৰা প্ৰতিযোগিতাৰ আজি হোৱা প্ৰথম ছেমিফাইনেলত নাজিৰা ক্ৰিকেট একাডেমীয়ে 57 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে উদয়ন ক্লাবক। পোনতে বেটিং কৰি নাজিৰা ক্ৰিকেট একাডেমীয়ে 161-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, উদয়ন ক্লাবে 104-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা।



ৰাজ্যিক টেবুল টেনিছৰ সামৰণি অনুষ্ঠানত খেলুৱৈক বঁটা বিতৰণ ক্ৰীড়ামন্ত্ৰী বিমল বৰাৰ।

# ক্লাব চেম্পিয়নশ্বিপত গড়মূৰ টাউন ক্লাবৰ জয়

**অগ্ৰদূত বাৰ্তা, মাজুলী, ২৫ ডিচেম্বৰ ঃ** চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাজুলীত হোৱা মেচত গড়মুৰ টাউন ক্লাবে 56 ৰাণত পৰাস্ত কৰে পান্থাৰ ক্লাবক। পোনতে বেটিং কৰি গড়মুৰ টাউন ক্লাবে 140-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, পান্থাৰ ক্লাবে 84-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে মাজুলীত আৰম্ভ হোৱা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত মুঠ 12 টা দলে অংশ লৈছে। অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাৱে মাজুলী জিলা ক্ৰিকেট সন্থাক স্বীকৃতি প্ৰদান কৰাৰ পাছতে এতিয়া মাজুলীত আৰম্ভ হৈছে চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল। উল্লেখ্য যে অলপতে বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা বিশেষ সাধাৰণ সভাত অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিছিল মাজুলী জিলা ক্ৰিকেট সন্থাক। অসম ক্ৰিকেট সন্থাৰ 42 নম্বৰ গোট হ'ল মাজুলী জিলা ক্ৰিকেট সন্থা। এই স্বীকৃতিৰ পাছতেই মাজুলীয়ে অসম ক্ৰিকেট সন্থাৰ সকলো ৰাজ্যিক প্ৰতিযোগিতাত অংশ ল'বলৈ সক্ষম হৈছে।

# ৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত দেবা বৰদলৈৰ দ্বিমুকুট অৰ্জন



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৫ ডিচেম্বৰ ঃ** গোৱালপাৰাত অনুষ্ঠিত হোৱা ৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত দেবা বৰদলৈয়ে দ্বিমুকুট অৰ্জন কৰাৰ লগতে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছে। একক শাখাৰ ফাইনেলত দেবাই পৰাস্ত কৰে জ্যোতিৰ্ময় শালৈক। আনহাতে, ডাবলছ শাখাত দেবা আৰু বিজয় ব্ৰহ্মাই সীমদ্বীপ কাকতি আৰু মেঘনাথ ৰাভাক হৰুৱায়। উল্লেখ্য যে নৱজ্যোতি ক্লাবে আয়োজন কৰা ৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাখনত গোৱালপাৰাৰ লগতে ধুবুৰী, বঙাইগাঁও, বৰপেটা, কোকৰাঝাৰ, কামৰূপ, গুৱাহাটী, মঙলদৈ আদিৰ খেলুৱৈয়ে অংশ লৈছিল।



এখন বাহনেই দুটা ৰূপ ধৰি চলি যাব গন্তব্যস্থললৈ। সম্প্ৰতি এই ধৰণৰ এখন যান নিৰ্মাণ হৈছে জাপানত। আজি জনসাধাৰণৰ সন্মুখত মুকলি কৰা এই যানখনৰ নাম 'ডুয়েল মোড ভেহিকল' (ডিএমভি)। জাপানৰ কাইয়' চহৰত প্ৰথমবাৰলৈ এই ধৰণৰ বাহন চলিব।

# ৰেলপথ পালেই ৰেলৰ ৰূপ ধৰিব বাছে

## জাপানত মুকলি হ'ল বিশ্বৰ প্ৰথম দুটা পথত চলা বাহন

**নিউজ ব্যুৰ'**
**টকিঅ', ২৫ ডিচেম্বৰ ঃ** ৰাস্তাত ঠিক বাছৰ দৰেই চলিব, কিন্তু ৰেলপথ পোৱাৰ লগে লগে ৰূপান্তৰিত হ'ব ৰেললৈ। অৰ্থাৎ এখন বাহনেই দুটা ৰূপ ধৰি চলি যাব গন্তব্যস্থললৈ। সম্প্ৰতি এই ধৰণৰ এখন যান নিৰ্মাণ হৈছে জাপানত। আজি জনসাধাৰণৰ সন্মুখত মুকলি কৰা এই যানখনৰ নাম 'ডুয়েল মোড ভেহিকল' (ডিএমভি)। জাপানৰ কাইয়' চহৰত প্ৰথমবাৰলৈ এই ধৰণৰ বাহন চলিব।

এই ডিএমভি বাহন দেখিবলৈ প্ৰায় মিনিবাছৰ দৰে। যেতিয়া বাহনখন ৰাস্তাত চলিব, তেতিয়া সাধাৰণ গাড়ীৰ চকা ব্যৱহাৰ কৰি আগবাঢ়ি যাব। আনহাতে, ৰেলপথত চলাৰ বাবে ব্যৱহৃত হ'ব ষ্টীলৰ চকা। আছা ক'ষ্ট ৰেল কোম্পানীয়ে এই যানখন নিৰ্মাণ কৰিছে। ডিএমভিৰ সন্দৰ্ভত কোম্পানীটোৰ মুখ্য কাৰ্যবাহী বিষয়াজনে কয় যে কাইয়'ৰ দৰে সৰু চহৰ য'ত জনসংখ্যা কম, তাত এই বাহনখন যথেষ্ট কামত আহিব।

সৰু চহৰত পৰিবহণ সংস্থাসমূহে লাভৰ মুখ সেইদৰে নেদেখে। এই যানখনে পৰিস্থিতি সলনি কৰি দিব পাৰে। মুখ্য কাৰ্যবাহী বিষয়াজনে লগতে কয়, 'এই বাহনে ঘৰলৈ গৈ বাছৰ দৰে মানুহ তুলি আনিব পাৰিব। তাৰ পাছত ৰেলপথত উঠি গন্তব্যস্থানলৈ লৈ যাব।'

নিৰ্মাণকাৰী কোম্পানীটোৱে জনোৱা মতে, ডিএমভিত সৰ্বাধিক ২১জন যাত্ৰী বহিব পাৰে। ৰেলপথত সৰ্বাধিক ৬০ কিলোমিটাৰ প্ৰতি ঘণ্টা গতিবেগত চলিব পাৰিব। অৱশ্যে ৰাস্তাত ইয়াৰ গতি বেছি হ'ব। ৰাস্তাত প্ৰতি ঘণ্টাত এশ কিলোমিটাৰ গতিবেগত যাব পাৰিব বুলি জনাইছে কোম্পানীটোৰ কৰ্ণধাৰজনে।

# যুগ যুগ ধৰি এটাই প্ৰশ্ন, মুৰ্গী আগত নে কণী আগত ?

## অৱশেষত এই ৰহস্যৰ উত্তৰ উলিয়ালে বিজ্ঞানীয়ে



**নিউজ ব্যুৰ'**
**লণ্ডন, ২৫ ডিচেম্বৰ ঃ** মুৰ্গী আগত নে কণী আগত? যুগ যুগ ধৰিয়েই এই বিতৰ্ক অব্যাহত আছে। অৱশ্যে কোনো দিনেই এই প্ৰশ্নৰ সঠিক উত্তৰ কোনেও দিব পৰা নাছিল। একাংশই দাবী কৰি আহিছে যে মুৰ্গীৰেই আগত সৃষ্টি হৈছিল। ইয়াৰ বিপৰীতে আন একাংশই দাবী কৰি আহিছে যে মুৰ্গী নহয়, বৰঞ্চ কণীহে আগত সৃষ্টি হৈছিল। আনকি এই বিষয়ত বছৰ বছৰ ধৰি গৱেষণাও চলিছিল। সম্প্ৰতি এই ৰহস্যৰ সমাধান কৰা বুলি দাবী কৰিছে এদল গৱেষকে। তেওঁলোকে দাবী কৰিছে যে কণী নহয়, বৰঞ্চ মুৰ্গীহে আগত আহিছে। এই বিষয়টো প্ৰমাণসহ প্ৰকাশ কৰিছে গৱেষকৰ দলে।

ব্ৰিটেইনৰ শ্বেফিল্ড আৰু ৱাৰউইক বিশ্ববিদ্যালয়ৰ গৱেষকসকলে এই বিষয়ত দীৰ্ঘদিনৰ পৰা গৱেষণা অব্যাহত ৰাখিছিল। দীৰ্ঘ দিনৰ গৱেষণাৰ অন্তত তেওঁলোকে এই সাঁথৰৰ উত্তৰ বিচাৰি উলিয়াবলৈ সক্ষম হৈছে। গৱেষকৰ দলটোৱে দাবী কৰিছে যে কণীৰ ভিতৰৰ বগা অংশতে থাকে অ'ভ'ক্লিডিন (অ'চি-১৭) নামৰ এবিধ প্ৰ'টিন। কণীৰ সৃষ্টিত এই প্ৰ'টিনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তদুপৰি এই অ'ভ'ক্লিডিন প্ৰ'টিন মুৰ্গীৰ গৰ্ভাশয়তো পোৱা গৈছে। গৱেষকসকলৰ দাবী, ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে প্ৰথমে মুৰ্গীৰ সৃষ্টি হৈছিল। তাৰ পাছত মুৰ্গীৰ গৰ্ভাশয়ত অ'ভ'ক্লিডিন প্ৰ'টিন সৃষ্টি হয়। সেই প্ৰ'টিনৰ পৰাই কণীৰ সৃষ্টি।

অৱশ্যে মুৰ্গীৰ আগমন আগত বুলি এক সমাধান সূত্ৰ উলিয়ালেও সেই মুৰ্গীৰ পৃথিৱীলৈ প্ৰথমে কিদৰে আগমন ঘটিল, তাৰ কোনো উত্তৰ এই পৰ্যন্ত গৱেষকসকলে দিব পৰা নাই। অৰ্থাৎ এটা প্ৰশ্নচিহ্ন এতিয়াও থাকিয়েই গ'ল।

# দিল্লী-মুম্বাইৰ অভিজাত ৰেষ্টোৰাত বৰপেটাৰ তিয়হ

## ■ জনিয়াৰ আব্দুল ছামাদসহ বহুতৰ মুখত হাঁহি ■ উৎপাদকে উচিত মূল্য নোপোৱাৰ অভিযোগৰ বিপৰীতে আদৰ্শ হ'ব পাৰে ছামাদসহ একাংশ কৃষক



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৫ ডিচেম্বৰ ঃ** শীতৰ বিধে বিধে পাচলিৰে সম্প্ৰতি বজাৰ উভৈনদী হৈ পৰিছে। তেনে পাচলি প্ৰচুৰ পৰিমাণে উৎপাদন কৰা ৰাজ্যখনৰ বেছিভাগ কৃষকে কিন্তু উচিত মূল্য নাপাই হা-হুমুনিয়াহ কাঢ়িবলগীয়া হৈছে। যোগান অনুপাতে কেতবোৰ পাচলিৰ উৎপাদন অত্যধিক হোৱাৰ উপৰি মধ্যভোগীৰ দৌৰাত্মত শ্ৰম কৰি তাৰ উচিত মূল্য লাভৰ পৰা বঞ্চিত হৈছে সেইসকল কৃষক। এই পৰিৱেশৰ মাজতে ৰাজ্যত এনে একাংশ কৃষকো আছে যিয়ে সামগ্ৰীৰ চাহিদা নিৰীক্ষণ আৰু বজাৰ ব্যৱস্থাৰ ফলত দৃষ্টি ৰাখি উৎপাদন কাৰ্যত নিয়োজিত হয়। যাৰ ফলস্বৰূপে একোখন চাহিদা থকা পৃথক বজাৰ তেওঁলোকে সৃষ্টি কৰি ল'বলৈ সক্ষম হৈছে। পৰিকল্পিত এনে ব্যৱস্থাৰ দ্বাৰা তেওঁলোকে লাভান্বিত হৈছে। অথচ সাধাৰণ আৰু পৰম্পৰাগত পদ্ধতিৰেই তেওঁলোকে কৃষিকাৰ্য কৰি আহিছে। বৰপেটা জিলাৰ জনিয়াৰ চালিখুৰা গাঁওৰ তেনে এজন কৃষক আব্দুছ ছামাদে এই প্ৰসংগত কয়, 'কবি-বেঙেনাৰ খেতি বহুতেই কৰে। বজাৰততো সকলোখিনি বিক্ৰী নাযায়? গতিকে লোকচান খেতিয়কৰে হয়। আমি দুখীয়া মানুহ। লোকচান হ'লে কেনেকৈ চলিম? টকা-পইচাৰ পৰা শাৰীৰিক কৰ্মলৈকে লোকচান কৰিলে আমি নাখাই মৰিব লাগিব। সেইকাৰণে অলপ ভাবি-চিন্তি খেতি কৰিবলৈ চেষ্টা কৰো।


উল্লেখ্য যে ৰাজ্যৰ আন ১০ জনৰ দৰে সাধাৰণ খেতিয়ক আব্দুল ছামাদে এইবাৰ অকল তিঁয়হৰ খেতি কৰিছে। আগতে তেওঁ অন্যান্য পাচলিৰ খেতি কৰিছিল। কিন্তু শাৰীৰিক কষ্ট আৰু বিনিয়োগ কৰা ধন বাৰে বাৰে অথলে যোৱা অথবা ব্যয় অনুপাতে লাভবান নোহোৱাত নতুন ধৰণে চিন্তা কৰিবলৈ ধৰে। তাৰ ফলতে হাত দিয়ে তিঁয়হৰ খেতিত। সমান্তৰাল সন্ধান কৰে বজাৰৰো। ছামাদে কয়, 'প্ৰথমতে তিঁয়হবোৰ বৰপেটাৰোডৰ পাইকাৰী বজাৰলৈ নিছিলো। তাত পাইকাৰী বেপাৰীৰ ওচৰত বিক্ৰী কৰিছিলো। লাহে লাহে বজাৰখন বহল হ'বলৈ ধৰে। আমাৰ তিঁয়হ দিল্লী-মুম্বাইৰ বজাৰলৈ যোৱা আৰম্ভ হয়। ছামাদে কয়, 'এতিয়া আমাৰ জনিয়াৰ পথাৰত উৎপাদিত তিঁয়হ পোনে পোনে দিল্লী, মুম্বাইলৈ যায়। তাৰ বজাৰত হোটেলত বিক্ৰী হয়।' খেতিয়কজনে কয় যে দিল্লী-মুম্বাইৰ বজাৰলৈ যোৱা বাবে তেওঁলোকৰ আয়ও সন্তোষজনক হয়। সম্প্ৰতি বৰপেটাৰোডৰ পাইকাৰী বজাৰত প্ৰতি কিলোগ্ৰাম তিঁয়হৰ মূল্য হ'ল ১৮-২০ টকা। অসমৰ বাহিৰলৈ যোৱা তিঁয়হৰ মূল্য তাতকৈ অলপ বেছি।

বৰপেটাৰ কে'বাজনো তিঁয়হ উৎপাদনকাৰীয়ে সদৰী কৰা অনুসৰি মানদণ্ডৰ ভিত্তিত দিল্লীলৈ যোৱা তিঁয়হ প্ৰতি কিলোগ্ৰামত ২৫-২৮ টকা পৰ্যন্ত বিক্ৰী হয়। সেই তিঁয়হে দিল্লী-মুম্বাইৰ ৰেষ্টুৰেণ্টৰ টেবুল শুৱনি কৰে। পঞ্চতাৰকা হোটেলৰ 'ডাইনিং ৰূম'ৰ শোভা বঢ়াব। পথাৰৰ পৰা সেই তিঁয়হ কঢ়িয়াবলৈ দিল্লীৰ পৰা আহে কে'বাচকীয়া ট্ৰাক।

আব্দুল ছামাদে কয় যে অতি বেছি তিনিমাহ



পথাৰত কষ্ট কৰিলেই বজাৰ ঠিকে থকা অৱস্থাত তিঁয়হৰ খেতিয়কে ভাল উপাৰ্জন কৰিব পাৰে। ছামাদে এইবেলি দুবিঘা মাটিত এই খেতি কৰিছে। পৰিয়ালৰ সকলোৱে তিঁয়হৰ পথাৰত কাম কৰে। বৰ্ণসংকৰ জাতৰ তিঁয়হৰ বীজ বজাৰৰ পৰা ক্ৰয় কৰা খেতিয়কজনে অভিজ্ঞতাৰ আধাৰত পথাৰত সাৰ প্ৰয়োগ কৰে। তিঁয়হৰ গা-গছ অতি স্পৰ্শকাতৰ হোৱা হেতু কীটনাশকো একেবাৰে সীমিত ৰূপত প্ৰয়োগ কৰা হয় বুলি কয়। এনেদৰেই উৎপাদন কাৰ্যত নিয়োজিত হৈ বছৰটোত আয় কৰে লক্ষাধিক টকা। ছামাদৰ দৰে আৰু বহু কৃষক আগবাঢ়ি আহিছে এনে বিকল্প কৃষি উৎপাদনলৈ।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com